# নান্দনিক

**ফৰকাটিং মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ**

**২০২০-২১ বৰ্ষ**

শ্ৰদ্ধা প্ৰীতি আৰু শুভেচ্ছাৰে....

শ্ৰী/শ্ৰীমতী..................................................................................

..........................................................................................ৰ হাতত

নান্দনিক'ৰ এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

**সম্পাদক ঃ দশমী দুৱৰা**



**Furkating College Magazine**
**NANDANIK :**

*Annual Magazine of Students' Union, Furkating College, Edited by Dashomi Dowarah,*
*Publihed on Behalf of Students' Union 2020-21, Furkating College.*
*Printed at Prabhati Printers, Golaghat.*

## সম্পাদনা সমিতি—



| | | |
|---|---|---|
| **উপদেষ্টা** | ঃ | তৰুণ শইকীয়া |
| | | অপূৰ্ব ৰঞ্জন দত্ত |
| **সম্পাদক** | ঃ | দশমী দুৱৰা |
| **বেটুপাত** | ঃ | বিশ্বজিৎ শইকীয়া |
| **সামগ্ৰিক পৰিকল্পনা** | ঃ | সম্পাদক |
| **অলংকৰণ** | ঃ | পুলক বৰচেতিয়া |
| **প্ৰকাশক** | ঃ | ছাত্ৰ একতা সভা ২০২০-২১ বৰ্ষ, ফৰকাটিং মহাবিদ্যালয় |
| **মুদ্ৰণ** | ঃ | প্ৰভাতী প্ৰিণ্টাৰ্ছ, গোলাঘাট |

**বিঃ দ্ৰঃ 'নান্দনিক'**ত প্ৰকাশ পোৱা লেখনীসমূহৰ বাবে সম্পাদনা সমিতি দায়ী নহয়।

।। জয় আই অসম ।।

সদৌ অসম ছাত্ৰ সন্থা
ALL ASSAM STUDENTS' UNION
মুখ্য কাৰ্যালয় ঃ গুৱাহাটী বিশ্ববিদ্যালয়
H.O.: GAUHATI UNIVERSITY - 781014

*প্ৰসঙ্গ নং ঃ ......................* *দিনাংক ঃ ..........................*

## শুভেচ্ছা

উচ্চ শিক্ষাৰে শিক্ষিত হৈ জীৱনত সফল হোৱাৰ সপোন বাস্তৱায়িত কৰি, দেশ-জাতিক আপোন কৰি স্মৃতি যুগমীয়া কৰাৰ অমৃতময় আৰম্ভণি হৈ অহা গোলাঘাট জিলাৰ আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ফৰকাটিং মহাবিদ্যালয়ৰ পৰা প্ৰতিবৰ্ষতে আকৰ্ষণীয় আৰু উৎকৃষ্ট মানদণ্ডৰে প্ৰকাশিত হৈ আহিছে বাৰ্ষিক আলোচনী 'নান্দনিক'। সম্প্ৰতি মনন-চিন্তন আৰু বৌদ্ধিক দৈন্যতাৰ জটিল ক্ষণত সুৰুচিপূৰ্ণ পাঠকৰ বাবে নতুন লেখকৰো সাহিত্যিক সংৰৰ্ধন কৰি প্ৰকাশ কৰিবলৈ উলিওৱা 'নান্দনিক' লৈ জনালোঁ অযুত শুভ-ইচ্ছা । বগাৰ বুকুত নীলাৰ বৰ্ণালীৰে বুটা বাছি জ্ঞানপিপাষু পাঠক-লেখকৰ বাবে 'নান্দনিক' হৈ পৰক সৰ্বোৎকৃষ্ট সমল ।

অলেখ শুভকামনাৰে...

(অভিৰৰ্তন গোস্বামী)
মুখ্য সাংগঠনিক সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা



# সূচীপত্ৰ


- সম্পাদকীয় একলম..... — ৯

**প্ৰবন্ধাৱলী**

- নাৰীবাদৰ খং আৰু জোনাক — ✍স্বৰ্গীয় অৰুণ চন্দ্ৰ বৰদলৈ — ১০
- নাৰী সৱলীকৰণ আৰু বৰ্তমান নাৰীৰ স্থিতি — ✍মণিষা বৰা — ১৬
- সাম্প্ৰতিক কালত দেখা দিয়া কৰ'না মহামাৰী আৰু অসমত ইয়াৰ প্ৰভাৱ — ✍লিপিকা শইকীয়া — ১৮
- ক'ৰণা মহামাৰী — ✍উজ্জ্বল শৰ্মা — ২০
- ক্ৰমাগতভাৱে বৃদ্ধি পোৱা ড্ৰাগছৰ অপব্যৱহাৰ ৰোধৰ ক্ষেত্ৰত সমাজৰ ভূমিকা — ✍প্ৰিয়ংকা শৰ্মা — ২১
- পৰিৱেশ্য কলা হিচাপে ভাওনা — ✍দিম্পী চুতীয়া — ২৩
- অসমৰ পৰ্যটন উদ্যোগ সম্ভাৱনা আৰু ভৱিষ্যত — ✍মনিষা বৰা — ২৫
- কাৰ্গিল যুদ্ধৰ শ্বহীদ জিন্তু গগৈক স্মৰণ — ✍হেমজ্যোতি কোঁৱৰ — ২৬
- বন্ধুত্ব—এটা মধুৰ সম্পৰ্ক — ✍পৰিশিখা শইকীয়া — ২৭
- ফৰকাটিং মহাবিদ্যালয়ত পাৰ কৰা সেউজীয়া হাঁহিবোৰ.... — ✍বৰ্ণালী শইকীয়া — ২৮
- **Tourism Industry of Assam, It's potential & Future** — ✍Inudevi Nath — ৩০
- **Gross Enrolment Ratio and India** — ✍Partha Protim Hati Boruah — ৩৩

**মুখামুখী**

- অলিম্পিক, অৰ্জুন, ধ্যানচাঁদ খেলৰত্ন বঁটা প্ৰাপ্ত লাভলীনা বৰগোহাঁই — ৩৪

## গল্প গুচ্ছ


- বিশ্বৰ অলৌকিক ব্ৰহ্মকমল — ড° অমৰেন্দ্ৰ নাথ দত্ত — ৩৬
- চুটিগল্প ঃ অস্তিত্ব ঃ এটি বিষাদ গাঁথা — তৰুণ শইকীয়া — ৪১
- মৌমন ঃ এটা জীয়া কাহিনী — হিমাদ্ৰী বৰা — ৪৪
- সন্ধিয়া — মনিষা বৰা — ৪৬
- দৰিদ্ৰতা — আদিত্য দত্ত — ৪৭
- কেতেকী — ৰিমলী চুতীয়া — ৪৮
- অভাগিনী — প্ৰণিতা গগৈ — ৫০
- অসমীয়া গ্ৰাম্য সমাজ — হিমাশ্ৰী বৰা — ৫২
- আত্মসংশোধন — প্ৰিয়াংকী দত্ত — ৫৩
- এটি উজাগৰী নিশাৰ বুকুত অতীত আৰু ভৱিষ্যত — ডিম্পী বৰা — ৫৫
- উপলব্ধি — লিছা বৰা — ৫৬
- অভ্যস্ত জীৱনৰ আশাৰ ৰেঙনি — টানজিম আখটাৰ — ৫৮
- মোৰ যে মা নাই — পূৰবী শইকীয়া — ৬২
- গ্ৰাম্যনুভূতি — পৰিস্মীতা বৰা — ৬৩
- ধ্বংস — সঞ্জয় শইকীয়া — ৬৪


## নীলা খামৰ চিঠি


- অনুভৱৰ এখন চিঠি — পঞ্চমী ফুকন — ৬৫
- চিঠি — দৃষ্টি হাজৰিকা — ৬৬
- নীলা খামৰ চিঠি — অংকিতা দত্ত — ৬৭
- নীলা খামৰ চিঠি — ডিম্পী নাথ — ৬৭
- নীলা খামৰ চিঠি — প্ৰাঞ্জল দুৱৰা — ৬৮
- নীলা খামৰ চিঠি — গীতাঞ্জলী দাস — ৬৮
- নীলা খামৰ চিঠি — দীক্ষিতা চাংমাই — ৬৯
- নীলা খামৰ চিঠি — মনোজ হাজৰিকা — ৬৯

| | | |
|---|---|---|
| নীলা খামৰ চিঠি | লিপিকা শইকীয়া | ৭০ |

## কবিতা কানন

| | | |
|---|---|---|
| বাট | লতিকা শইকীয়া | ৭১ |
| শেলুবৈ চোতান | অপূৰ্ব ৰঞ্জন দত্ত | ৭১ |
| হে মানৱ | লিজা শইকীয়া | ৭২ |
| সপোনৰ কানন | পুণ্যপ্ৰভা শইকীয়া | ৭৩ |
| শব্দ | পৰিস্মীতা বৰা | ৭৩ |
| ইয়াত এখন বৰ্ষাৰণ্য আছিল | পাৰ্থ প্ৰতীম হাতীবৰুৱা | ৭৪ |
| আবেলিৰ সময় | উৰ্মিলা শইকীয়া | ৭৪ |
| ধৰ্ষিতা কণমানিজনী মইয়ে | প্ৰিয়াংকী দত্ত | ৭৫ |
| মৃত্যু | টিনা বৰা | ৭৬ |
| কৃষ্ণচূড়াৰ হাঁহি | ডিম্পী বৰা | ৭৬ |
| হৃদয়ৰ নিভাঁজ কোণত | বিদ্যাৰাণী গগৈ | ৭৭ |
| বসন্ত তোমাক স্বাগতম | চানমিকা বৰা | ৭৭ |
| মা | হিমাংশু নাথ | ৭৮ |
| অচিন-চিনাকী | সুমিত্ৰা কছাৰী | ৭৮ |
| সময় | উৰ্মিলা শইকীয়া | ৭৮ |
| আশা | প্ৰশান্ত শইকীয়া | ৭৯ |
| অহা জনমলৈ | উষা গগৈ | ৭৯ |
| সুখৰ হালধীয়া | পুণ্যপ্ৰভা শইকীয়া | ৮০ |
| অনুভৱ | ধৰিত্ৰী নাথ | ৮০ |
| সময়ৰ পকনীয়া | ফাৰহা চোহানা ৰহমান | ৮১ |
| LIFE | Chintu Gogoi | ৮১ |
| ৰাধাৰ বিলাপ | ধৰিত্ৰী শইকীয়া | ৮২ |
| নাৰী | লিপিকা শইকীয়া | ৮২ |

| | | |
|---|---|---|
| এধানি মৌন হৃদয়ৰ ভাষা | এলিনা শইকীয়া | ৮৩ |
| ভৰোসা | প্ৰণিতা গগৈ | ৮৩ |
| সমাপ্তি | জিতু বৰা | ৮৪ |
| জীয়াই থকাৰ প্ৰেৰণা | প্ৰস্তুতি শইকীয়া | ৮৪ |
| সাতোৰঙী বাগিচাৰ ফুল | ভাৰতী ঠেঙাল | ৮৫ |
| জীৱশ্ৰেষ্ঠ | প্ৰতীক্ষা সোণোৱাল | ৮৫ |
| পিতাইৰ সপোন | ৰিম্‌লী চুতীয়া | ৮৬ |
| নিৰ্জনতাৰ কুহেলিকাত | পৰিশিখা শইকীয়া | ৮৬ |
| ঘৰৰ ভিতৰত ঘৰ | মণিষা বৰা | ৮৭ |
| এটি কবিতা | দুলুমণি শইকীয়া | ৮৭ |
| A voice of existence | Kajol Bora | ৮৮ |
| A darkness of life | Kajol Bora | ৮৮ |


## প্ৰতিবেদন চ'ৰা


| | |
|---|---|
| সভাপতিৰ প্ৰতিবেদন | ৮৯ |
| সাধাৰণ - সম্পাদকৰ প্ৰতিবেদন | ৯০ |
| গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ৯২ |
| লঘুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন | ৯৩ |
| তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন | ৯৪ |
| ছাত্ৰ জিৰণীকোঠাৰ সম্পাদকৰ প্ৰতিবেদন | ৯৫ |
| ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন | ৯৬ |




# সম্পাদকীয় একলম.....



**স**ম্পাদকীয় একলমৰ পাতনি মেলাৰ প্ৰাক্ মুহুৰ্ততে সেই সকল ত্যাগী, মহানবীৰ পুৰুষসৈ মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলো। যিসকলৰ মহান ত্যাগ আৰু অপ্ৰাণ চেষ্টাত আমাৰ মহাবিদ্যালয়খনিয়ে ১৯৮১ চনতে জন্ম লাভ বৰ্তমান এই জাকত জিলিকা ৰূপত প্ৰতিষ্ঠিত হ'বলৈ সক্ষম হৈছে।

সময় গতিশীল, এই গতিশীলতাৰ সতে, মানৱ সমাজৰ ইতিহাসৰ আদিম অৱস্থাৰ পৰা পৰিৱৰ্তনশীল হৈ আহিছে. গছৰ বাকলি পিন্ধি জীৱন-যাপন কৰা মানৱ সভ্যতা আজি উন্নতি চৰম শিখৰত। লাহে লাহে যেন আমি কংক্ৰীটবোৰৰ মাজত নিজক হেৰুৱাই পেলাৱ ধৰিছো। ইণ্টাৰনেট তথা চচিয়েল মেডিয়াই আমাৰ এই এই পৃথিৱীখনক এখন সৰু গাঁৱলৈ পৰিৱৰ্তন কৰিছে, ইয়াৰ লগে লগে আমাৰ সমাজখন ডিজিটেল হৈ পৰিছে। হয়তো ভৱিষ্যতে আমি এনে এক অৱস্থাত উপনীত হ'ম যেতিয়া কিতাপক আমি দুলৰ্ভ সম্পদ হিচাপে গণ্য কৰিব লাগিব। বৰ্তমানৰ যুগত মানুহৰ মাজত কিতাপ তথা সাহিত্যৰ প্ৰতি থকা আগ্ৰহ হ্ৰাস পোৱা দেখা গৈছে। বিশাল গ্ৰন্ধবোৰ পঢ়িবলৈ মানুহৰ সময়ৰ অভাৱ দেখা গৈছে, এনে ক্ষেত্ৰত আলোচনীবোৰৰ সমাদৰ কিছু বাঢ়িছে কিয়নো আলোচনীবোৰত কম পৰিসৰৰ মাজত বহুকেইটা শিতানৰ পৰা মনোৰঞ্জন তথা জ্ঞান লাভ কৰিব পৰা যায়।

বিশ্ববিদ্যালয়, মহাবিদ্যালয় তথা বিদ্যালয় আদি শিক্ষানুষ্ঠাত প্ৰকাশ পোৱা আলোচনীয়ে শিক্ষাৰ্থীসকলৰ বৌদ্ধিক মানসিক তথা শৈক্ষিক দিশত প্ৰভাৱ বিস্তাৰ কৰে। এনে আলোচনীবোৰে শিক্ষাৰ্থীসকলৰ মাজত থকা কল্পনা শক্তিক লিখিত ৰূপ দি সুপ্ত প্ৰতিভাসমূহৰ বিকাশৰ ক্ষেত্ৰত অগ্ৰণী ভূমিকা পালন কৰে। আৰু শিক্ষাৰ্থীসকলৰ মাজত কিতাপ পঢ়াৰ মনোভাৱ গঢ়ি তোলাতো সহায় কৰে।

বহু সময়ত আমি দেখা পাঁও যে, শিক্ষাৰ্থী সকলৰ মাজত প্ৰতিভাৰ অভাৱ নাথাকে কিন্তু সেই প্ৰতিভাৰ প্ৰকাশৰ স্থল তেওঁলোকে নোপোৱাৰ ফলত এনে প্ৰতিভাবোৰ হেৰাই যায়। এই শিক্ষানুষ্ঠানৰ আলোচনীবোৰে এনে ক্ষেত্ৰত শিক্ষাৰ্থীসকলক প্ৰতিভা বিকাশ আৰু প্ৰকাশৰ বাবে সুবিধা প্ৰদান কৰে।

আমাৰ মহাবিদ্যালয়েও 'নান্দনিক' নামেৰে এই আলোচনীখন শিক্ষাৰ্থীসকলৰ সৰ্বাংগীন উন্নতিৰ উদ্দেশ্যে প্ৰকাশ কৰি  আহিছে। আৰু এই বছৰৰ আলোচনী সম্পাদিকা হিচাপে 'নান্দনিক'ৰ প্ৰকাশৰ গুৰু দায়িত্ব অৰ্পন কৰাৰ বাবে সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিলোঁ। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত মোক দিহা পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱাৰ বাবে অসমীয়া বিভাগৰ বিভাগীয় মুৰব্বী তৰণ শইকীয়া ছাৰ শিক্ষাতত্ত্ব বিভাগৰ বিভাগীয় মুৰব্বী ড° অপূৰ্ব ৰঞ্জন দত্ত চাৰ আৰু অসমীয়া বিভাগৰ দৰ্শনা দেৱী বাইদেউলৈ মোৰ আন্তৰিক ধন্যবাদ, লগতে ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্যলৈ মোৰ আন্তৰিক ধন্যবাদ, আলোচনীখনৰ লগত জড়িত সকলো ব্যক্তিৰ ওচৰত মই চিৰকৃতজ্ঞ।

আলোচনীখন প্ৰকাশ তথা প্ৰস্তুত কৰোঁতে বৈ যোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি সকলোৰে বাবে আলোচনীখন আগবঢ়ালো।❐❐



# নাৰীবাদৰ খং আৰু জোনাক

✍ স্বৰ্গীয় অৰুণ চন্দ্ৰ বৰদলৈ
অৱসৰ প্ৰাপ্ত অধ্যক্ষ
হেমপ্ৰভা বৰবৰুৱা মহাবিদ্যালয়

"তাই এজনী পেটিকোট পিন্ধা হায়েনা", "তাই দৰ্শন শিকোৱা সাপ"—এয়াই আছিল অষ্টাদশ শতিকাৰ শেষ দশকত এগৰাকী সাহসী, উদ্যোগী, যুক্তিবাদী চিন্তাবিদ নাৰীৰ প্ৰতি পুৰুষতান্ত্ৰিক সমাজৰ অভিনন্দন ! কোন আছিল এই অভিনৱ নাৰী ? পুৰুষ প্ৰধান সমাজৰ দৃষ্টিত নাৰীৰ অধিকাৰ আৰু নাৰীৰ নিজস্ব মৰ্যদাৰ হকে মাত মতাটো সেইকালত আছিল এক 'নিৰ্লজ শৃঙ্খলতা'।

কিন্তু আচৰিত কথা এয়ে যে সেই ঐতিহাসিক কালছোৱাতে কিন্তু আটলাণ্টিক মহাসাগৰৰ দুয়োপাৰে—এফালে মাৰ্কিন যুক্তৰাষ্ট্ৰত মানুহৰ স্বাধীনতাৰ ভেটি আৰু আনফালে ফঁৰাচী দেশত প্ৰবল প্ৰতাপী জমিদাৰী আৰু ৰাজকীয় শাসকবৰ্গৰ দুৰ্নীতি, শোষণ-অত্যাচাৰ আদিৰ বিৰুদ্ধে অতি দৰিদ্ৰ, পতিত, বঞ্চিত জনগণৰ বৈপ্লৱিক অভ্যুত্থান (অভ্যুত্থান) ৰচিত হৈছিল। চমুকথাত,

আমেৰিকাত ঔপনিবেশিক শাসনৰ বিৰুদ্ধে যুদ্ধ আৰু ফ্ৰান্সত যুগ যুগান্তৰৰ জমিদাৰী অত্যাচাৰৰ বিৰুদ্ধে সঁচাকৈয়ে দৰিদ্ৰতম সকলৰ গণবিপ্লৱ সংঘটিত হৈছিল। সামগ্ৰিকভাৱে মানুহৰ স্বাধীনতা, অধিকাৰ, সমতা, গণতান্ত্ৰিক মৰ্যদা আদি আদৰ্শ প্ৰতিষ্ঠাৰ সময় আছিল এই কালছোৱা।

কিন্তু সঁচাকৈয়ে আছিলনে বাৰু এনেবোৰ অধিকাৰ সমাজৰ প্ৰতিজনৰ বাবে? নে স্বাধীনতা, অধিকাৰ, উন্নতিৰ সুবিধা, গণতান্ত্ৰিক চেতনা আৰু আত্মমৰ্যদা ইত্যাদি কথাবোৰ আছিল কেৱল পুৰুষৰ বাবে? নাৰীৰ অৱস্থান ক'ত? ৰাজনৈতিক আৰু সামাজিক পটভূমিত নাৰী কেৱল এক আজ্ঞাবাহক সহযোগীহে নেকি? নাৰীয়ে নিজস্ব মৰ্যদা, আশা আৰু অধিকাৰ বিসৰ্জন দি পুৰুষে তেওঁক যি ভাবে বিচাৰিব, কেৱল তাকে পূৰণ কৰিবলৈহে প্ৰস্তুত হৈ থাকিব লাগিব নেকি?

এনেকুৱা কিছুমান মৌলিক প্ৰশ্নকে উত্থাপন কৰি এখন বিখ্যাত গ্ৰন্থ ৰচনা কৰিলে ইংলেণ্ডৰ এগৰাকী নাৰীয়ে। তেৱেঁই মেৰী উলষ্টʼনক্ৰাফ্ট (Mary Wollstonecraft) যাক বিশ্বৰ প্ৰথম নাৰীবাদী চিন্তাবিদ ৰূপে স্বীকৃতি দিয়া হয়। ১৭৯২ খৃষ্টাব্দত তেওঁৰ এই যুগান্তৰকাৰী গ্ৰন্থ A vindication of the Rights of Men (নাৰীৰ অধিকাৰৰ সপক্ষে ওকালতি) প্ৰকাশিত হয়। অৱশ্যে ইয়াৰ দুবছৰ পূৰ্বে (১৭৯০) এডমাণ্ড বাৰ্কৰ এখন কিতাপৰ উত্তৰ দিবৰ বাবে মেৰী উলষ্টʼনক্ৰাফ্টে A Vindication of the Rights of Men নামৰ এখন সৰু গ্ৰন্থও ৰচনা কৰিছিল।

উলষ্টʼনক্ৰাফ্টৰ কিতাপখনে অৱশ্যে সেইসময়ত কোনো ধৰণৰ তাৎক্ষণিক তোলপাৰ লগাব পৰা নাছিল। বুৰঞ্জীবিদ আৰু বিশিষ্ট বুদ্ধিজীৱিয়ে কিতাপখন সংগ্ৰহ কৰিছিল যদিও সামাজিক প্ৰমূল্যবোৰক কিতাপখনে খুব বেছিকৈ জোকাৰিব পৰা নাছিল। সমগ্ৰ উনৈশ শতিকাৰ কালছোৱাতো পণ্ডিত বুদ্ধিজীৱি সমালোচকে মেৰী উলষ্টʼনক্ৰাফ্টক বিশেষ গুৰুত্ব দিয়া নাছিল। তেওঁৰ লিখনি আৰু নাৰীবাদী চিন্তাধাৰাৰ গুৰুত্ব আচলতে বৃদ্ধি পাবলৈ ধৰিলে কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধতহে, বিশেষতঃ ১৯৬০ আৰু ১৯৭০ ৰ দশক দুটাত যেতিয়া নাৰীবাদী চিন্তাধাৰা লাহে লাহে আধুনিক চিন্তাধাৰাৰ এটা প্ৰধান উপধাৰাৰূপে ঠন ধৰি উঠিল।

উলষ্টʼনক্ৰাফ্টৰ এই বিশিষ্ট ৰচনা দেখাত প্ৰধানকৈ সমাজত নাৰীৰ নিজস্ব অৱস্থান, মৰ্যদা আৰু যুক্তিনিষ্ঠ বিকাশৰ সাপেক্ষে ব্যাখ্যা আৰু ওকালতি যেন লাগিলেও তেওঁ প্ৰকৃততে আমাৰ বহুতো প্ৰাসঙ্গিক বিষয়ো আলোচনাৰ গণ্ডীলৈ আনিছে। নাৰীৰ সন্তান জন্মদান, লালন-পালন আদিকে ধৰি পাৰিবাৰিক দায়িত্ব পালন, নিজৰ শিক্ষা, বুদ্ধি-বৃত্তিৰ বিকাশ, সমাজ আৰু সামগ্ৰিকভাৱে মানৱতাৰ বিকাশ, পুৰুষৰ লগত সহযোগিতা, বৌদ্ধিক চৰ্চা ইত্যাদি ইত্যাদি অনেক বিষয় উলষ্টʼনক্ৰাফ্টে প্ৰগতিশীল দৃষ্টিভংগীৰে আলোচনা কৰিছে।

সেই সময়ত অৰ্থাৎ অষ্টাদশ শতিকাত যিসকল লেখক-চিন্তাবিদ আদিয়ে ইউৰোপত এটা নতুন বৌদ্ধিক জাগৰণ আনিবলৈ যত্ন কৰিছিল, সেই জাগৰণৰ প্ৰধান আধাৰ আৰু আহিলা আছিল যুক্তিবাদ। উলষ্টʼনক্ৰাফ্ট প্ৰকৃততে ইয়াৰ অংশীদাৰ। তৎস্বত্বেও তেওঁৰ তীক্ষ্ণ মেধা আৰু মৌলিক বিচাৰেৰে উপলব্ধি কৰিছিল যে যিসকল চিন্তাবিদে যুক্তিবাদৰ আধাৰত মানুহৰ অধিকাৰ আৰু সন্মানজনক স্থিতিৰ বিষয়ে নানান লেখা প্ৰকাশ কৰিছে, সেইসকলে পুৰুষ সুলভ দৃষ্টিভংগীৰেহে কথাবোৰ বিশ্লেষণ কৰিছে। নাৰীক নাৰীৰ প্ৰাপ্য মৰ্যদা কিন্তু কোনো এজন পুৰুষ চিন্তাবিদে দিবলৈ বিচৰা নাই অথবা তেওঁলোকৰ দ্বাৰা সমৰ্থিত দৰ্শনে নাৰীক একো উপকাৰ কৰিব পৰা নাই। এই প্ৰসঙ্গত মেৰী উলষ্টʼনক্ৰাফ্টৰ এটা তাৎপৰ্যপূৰ্ণ মন্তব্য হৈছে—

"I may be accused of arrogance; untill I must declare what I firmly believe, that all the writers who have writteir on the subject of female education and maners from Rousscall to Dr(John) Gregory, have contributed to render women more artificial, weak characters, than they would otherwise have been; and, consequently, more useless members of society."

*(A Vindication of the Rights of Woman Chapter II)*

তেঁও প্ৰকৃততে খোলা মনেৰে ব্যক্ত কৰিছে যে পুৰুষ প্ৰধান সমাজত পুৰুষে গঢ় দিয়া যি সমাজতত্ব আৰু নাৰীসম্পৰ্কীয় ধ্যান-ধাৰণা সেইবোৰে নাৰীক উপকৃত কৰাতকৈ নাৰীৰ বহুপৰিমাণে ক্ষতিহে কৰিছে। পুৰুষ পৰিচালিত বৌদ্ধিকতাই নাৰীক সদায় এটা বিশেষ গণ্ডীৰ মাজতে আবদ্ধ কৰি ৰাখিবলৈ

বিচাৰে। গতিকে তাৰ পৰা উদ্ধাৰ পাবলৈ হ'লে নাৰীৰ মাজত এটা নতুন বৌদ্ধিক জাগৰণ হ'ব লাগিব। সেই নতুন চিন্তা, নতুন বৌদ্ধিক জাগৰণ আনিবলৈকে উলষ্ট'নক্ৰাফ্‌টে কাগজ-চিয়াঁহী-যুক্তিবাদী চিন্তাৰ সমন্বয় ঘটাইছিল।

অতি সংক্ষিপ্তকৈ ক'বলৈ গ'লে এই গৰাকী মেধাসম্পন্ন নাৰীয়ে অষ্টাদশ শতিকাতে সোঁৱৰাই দিবলৈ বিচাৰিছিল যে বিশ্বৰ মানৱতাৰ জগতখনত নাৰী যেন কাৰো "পুতৌৰ পাত্ৰ" হ'ব নালাগে; নাৰী হ'ব লাগে নিজৰ জ্যোতি, প্ৰতিভা, মৰ্যদাৰে সমুজ্জল মানুহ আৰু নাৰী-পুৰুষে গঢ়ি তোলা এখন সুস্থ পৃথিৱীৰ বাসিন্দা। এনে সমতা আৰু সহযোগিতাৰে পৃথিৱীখন গঢ়ি তুলিব নোৱাৰিলে, যি পোক পুৰুষে ভৰিৰে গচকি ৰাখিব সেই পোকেই পুৰুষৰো সমস্ত গুণ খাই শেষ কৰিব আৰু মানৱতাৰ সৌধ খহি পৰিব। (Ch.XII)



উপৰুক্ত গোটেই কথাখিনিয়েই আমাৰ মূল বক্তব্যৰ লগত সংগতিবিহীন যেন লাগিব পাৰে। ইলাইন শ্ব'ওৱাল্টাৰৰ *Feminist Criticism in the Wilderness* নামৰ ৰচনাখন প্ৰকাশিত হৈছিল ১৯৮১ ত। ইতিহাসে সম্পূৰ্ণ এটা শতিকা অতিক্ৰম কৰিছে মেৰী উলষ্ট'নক্ৰাফ্‌টৰ সময়ৰ পৰা শ্ব'ওৱাল্টাৰৰ সময়লৈ। প্ৰথম গৰাকীয়ে অষ্টাদশ শতিকাৰ শেষভাগতে যেতিয়া নাৰী কেন্দ্ৰিক চিন্তা-চৰ্চাৰ গুৰুত্ব উপলব্ধি কৰি নাৰীক এক নিৰ্দ্দিষ্ট ৰাজনৈতিক-সামাজিক-স্থিতি দিবলৈ যত্ন কৰিছিল আৰু বিশ্বৰ চিন্তাবিদ সকলক ইতিবাচক চিন্তা কৰিবলৈ আহ্বান জনাইছিল তেতিয়াৰ পৰা ইলাইন শ্ব'ওৱাল্টাৰৰ দিনটোত ইউৰোপ মহাদেশত আৰু লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰত বহুত ধৰণৰ ৰাজনৈতিক-সামাজিক-জাগতিক পৰিৱৰ্তন ঘটিছে। কিন্তু এনে হোৱা স্বত্বেও কি কাৰণত পুনৰ এবাৰ এগৰাকী মহিলা অধ্যাপক-চিন্তাবিদ-নাৰীবাদৰ প্ৰবক্তাই নাৰীবাদী চিন্তা-চৰ্চাৰ আঁতহেৰোৱা আৰু সীমাবদ্ধ ৰূপটোৰ সম্পৰ্কে সকীয়াই দিব লগা হ'ল?

নাৰীবাদী চিন্তা আৰু সমালোচনাই। এটা শতিকা অতিক্ৰম কৰা সত্বেও কিয় ই এটা সবল আৰু সফল আন্দোলন হৈ উঠা নাই তাৰ পটভূমি আৰু কাৰকবোৰ ফঁহিয়াই চালে হয়তো বহুত কথা সামৰিব লাগিব। সিমানলৈ নগৈ মোটামোটিভাৱে নাৰীবাদক ব্যাহত কৰা প্ৰধান কেইটামান কাৰক এনেকুৱা—

(ক) অষ্টাদশ শতিকাৰ শেষভাগত এনে চিন্তাৰ আৰম্ভ হ'লেও সমগ্ৰ উনৈশ শতিকা ব্যাপি আৰু কুৰি শতিকাৰ মাজভাগলৈকে সুকীয়া এটা চিন্তাধাৰা ৰূপে নাৰীবাদে গুৰুত্ব পোৱা নাছিল।

বিশেষকৈ উনৈশ শতিকাৰ কালচোৱাত ইউৰোপৰ বিভিন্ন জাতিয়ে আৰু আমেৰিকাই আফ্ৰিকা, এচিয়া, দক্ষিণ আমেৰিকা আদি ভূখণ্ডত নিজৰ ঔপনিবেশিক আৰু পুঁজিবাদী আধিপত্য বিস্তাৰ, অৰ্থনৈতিক প্ৰতিযোগিতা, ক্ষমতাৰ বাবে যুদ্ধ আদি বিষয়বোৰতে অধিক ব্যস্ত আছিল। এই কথাবোৰহে অধিক গুৰুত্বপূৰ্ণ বুলি সাধাৰণ জনতাৰ লগতে নাৰীকো বুজাই দিয়া হৈছিল।

(খ) সামগ্ৰিকভাৱে নাৰীৰ শিক্ষা-দীক্ষা, মানসিক সংস্কাৰ আৰু জাগৰণ তেনেই পিচপৰা বিধৰ আছিল।

(গ) ইউৰোপীয় জাতিবোৰৰ ঔপনিবেশিক দখলত থকা পৰাধীন দেশবোৰত আন যিকোনো কথাতকৈ অধিক অগ্ৰাধিকাৰ পোৱা বিষয়টো আছিল স্বাধীনতা অৰ্জন। পৰাধীনতাৰ শিকলি চিঙি আত্মমৰ্যদাৰে স্বশাসন প্ৰতিষ্ঠা কৰিব পৰাটোহে বহুতো

দেশৰ মূল সমস্যা আছিল।

(ঘ) নাৰীৰ কথা বাদেই, অনুন্নত দেশবোৰত পুৰুষ সকলৰে অৱস্থা সকলো দিশতে আছিল অতিকৈ পুতৌ লগা। নিৰক্ষৰতা, অৰ্থনৈতিক দুৰৱস্থা, পাৰ্থিৱ আৰু পৰিবেশিক সমস্যা, ৰাজনৈতিক অস্থিৰতা ইত্যাদি বহুসমস্যাত ভাৰাক্ৰান্ত দেশবোৰত সকলো মানুহৰে পানীত হাঁহ নচৰা ধৰণৰ অৱস্থা এটা চলি আছিল।

এইকেইটা প্ৰধান কাৰণতে নাৰীৰ বিষয়ে সুকীয়াকৈ চিন্তা-চৰ্চা, জ্ঞানতত্ত্ব, বিশেষ ধৰণৰ সামূহিক আন্দোলন-জাগৰণ আদিয়ে কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধ পৰ্যন্ত খোপনি পুতিব পৰা নাছিল। কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধৰ সময়খিনি প্ৰধানকৈ অতিবাহিত হ'ল ইউৰোপৰ শক্তিশালী জাতিকেইটা আৰু মাৰ্কিন আমেৰিকাৰ ক্ষমতা, মান-মৰ্যদাৰ সংঘাতত সৃষ্টি হোৱা দুখনকৈ বিশ্বযুদ্ধত। দুয়োখন বিশ্বযুদ্ধৰ কুফল ঔপনিবেশিক সূত্ৰে জড়িত হৈ পৰা এচিয়া-আফ্ৰিকাৰ দেশবোৰেও ভোগ কৰিবলগীয়া হ'ল। এনে এক আতংকময় পৰিবেশত নাৰী বিষয়ক চিন্তা চৰ্চা বহুদূৰ স্তিমিত হৈ পৰাটো আছিল স্বাভাৱিক।

১৯৭০ আৰু ১৯৮০ ৰ দশক দুটাত আমেৰিকাৰ বিশ্ববিদ্যালয়বোৰত মহিলাৰ লিখনি আৰু আফ্ৰিকান-আমেৰিকান সাহিত্যৰ আলোচনা প্ৰসঙ্গত ভালেখিনি সমালোচনামূলক তত্ত্ব আৰু চিন্তাচৰ্চা হৈছিল। অৱশ্যে এনেবোৰ লিখনিৰ পূৰ্বেই কৃষ্ণাঙ্গসকলৰ নিজৰ মৰ্যদা প্ৰতিষ্ঠাৰ হকে কৰা এখন যুঁজ অথবা এক আন্দোলন আৰম্ভ হৈছিল। সেই একেদৰে মহিলা/নাৰীৰ বাবেও এক সামাজিক আন্দোলন গঢ়ি উঠিছিল। কিন্তু সত্তৰ আৰু আশীৰ দশকৰ সময়ছোৱাত আমেৰিকাৰ বিদ্যায়তনিক সমাজখনত উপৰুক্ত দুয়োটা সামাজিক আন্দোলনৰ সপক্ষে পৰিচালিত তাত্বিক ভেঁটি গঢ় লৈ উঠিছিল। এনে সময়তে ইলাইম শ্ব'ওৱাল্টাৰে নাৰীবাদী চিন্তা চৰ্চাৰ লেখা-মেলা আৰম্ভ কৰিছিল।

ইতিমধ্যে আমেৰিকাৰ বৌদ্ধিক জগতত, বিশেষতঃ বিশ্ববিদ্যালয়বোৰত নাৰী বিষয়ক অধ্যয়ন (Women Studies) এটা গুৰুত্বপূৰ্ণ বিদ্যায়তনিক বিষয়ৰূপে স্বীকৃত হৈছিল। এই বিষয়ে অনেক আলোচনা, লেখা-মেলা আদিয়ে সম্প্ৰসাৰণ লাভ কৰিছিল।

শ্ব'ওৱাল্টাৰৰ আলোচনাত প্ৰতিফলিত আপত্তি এনেধৰণৰ যে তেওঁৰ মতে নাৰীৰ বিষয়ে নাৰীবাদীতত্ত্ব আৰু চিন্তাচৰ্চাই সৰলভাৱে পুৰুষতান্ত্ৰিক দৃষ্টিভংগীক ওফৰাই পেলাবলৈ সক্ষম হোৱা নাই। পুৰুষতান্ত্ৰিক তত্ত্ব আৰু দৃষ্টিভংগীৰ কৌশলী হাতৰ পৰা নাৰী চিন্তাবিদ আৰু তাত্বিকে আঁতৰি আহিব পৰা নাই। যুগ যুগ ধৰি প্ৰতিষ্ঠিত হৈ থকা এটা ধাৰণা, অৰ্থাৎ, 'পুৰুষৰ কৰ্ম আৰু চিন্তা সুস্থ আৰু কামত অহা বিধৰ আৰু তাৰ বিপৰীতে নাৰীৰ কৰ্ম আৰু চিন্তা অলস আৰু কেৱল বাচালতা' এতিয়াও যেৰ সমাজৰ পৰা দূৰ হোৱা নাই। শ্ব'ওৱাল্টাৰৰ প্ৰধান উদ্দেশ্য হৈছে এই ধাৰণাক মষিমূৰ কৰা। কিন্তু ই কোনোবাই অকলে কৰা কাম নহয়; নাৰীবাদৰ শুভচিন্তক সকল এইক্ষেত্ৰত একত্ৰিত হ'বই লাগিব।

কিন্তু নাৰীবাদৰ তাত্বিক সকল উদ্দেশ্যৰ ক্ষেত্ৰত একত্ৰিত হ'ব পৰা নাই। তেওঁৰ বক্তব্য স্পষ্ট ঃ

কৃষ্ণাঙ্গ আৰু তৃতীয় বিশ্বৰ মহিলা লেখকসকলৰ স্বাৰ্থত নাৰীবাদী তত্ত্বই এক বিশাল নীৰৱতা অৱলম্বন কৰিছে আৰু সেয়েহে এনে এটা কৃষ্ণাঙ্গ নাৰীবাদী নন্দনতত্ত্বৰ প্ৰয়োজন যিটোৱে জাতিগত আৰু জৈৱিক ৰাজনীতিৰ (racial and sexxal politics) লগত মোকামিলা কৰিব পাৰে; এই ধাৰণা আহিছে কৃষ্ণাঙ্গ চিন্তাবিদ সকলৰ পৰা। মাৰ্ক্সবাদী দৰ্শনত বিশ্বাসী নাৰীবাদী চিন্তাবিদসকলে সাহিত্যকৰ্মৰ নিৰ্মাণত শ্ৰেণী চৰিত্ৰ আৰু লিংগ বিভাজন তত্ত্বই নিৰ্ণেয়ক ভূমিকা লোৱা বুলি কৈ আহিছে। যিসকল চিন্তাবিদ আকৌ উত্তৰ-সংগঠনবাদী বা নিৰ্গঠনবাদী পদ্ধতিত অভ্যস্ত হৈছে— তেওঁলোকে নাৰীবাদী সমালোচনাক একেলগে নাৰীবাদী আৰু পাঠভিত্তিক/ভাষিক (both feminist and textnal) তত্ত্ব এটাত নিবন্ধন কৰিব খোজে। ফ্ৰয়দ আৰু লাঁকাৰ (Frend and Lacan) তত্বত বিশ্বাসী নাৰীবাদী সকলে মহিলাৰ সমস্যাবোৰক মনস্তাত্বিক ভাষিক-চিহ্ন সূচনা আদি দৃষ্টিভংগীৰে ব্যাখ্যা কৰিবলৈ বিচাৰে। (Feminist Criticism in the Wilderness)

উপৰুক্ত বক্তব্যৰ উপৰিও তেওঁ এটা বিশেষ কথালৈও আমাৰ দৃষ্টি আকৰ্ষণ কৰিছে। তেওঁ মন্তব্য কৰিছে যে বিভিন্ন দেশৰ আৰু বিভিন্ন সমাজৰ নাৰীবাদী চিন্তাচৰ্চা আৰু বিশ্লেষণবোৰে নাৰীৰ সমস্যাবোৰক লৈ আলোচনা কৰিলেও

সমাজভেদে দেশভেদে নাৰীজনিত সমস্যাৰ মূল্যায়নত দৃষ্টিভংগীৰ পাৰ্থক্য থকা দেখা যায়। কোনো এখন দেশত হয়তো নাৰীৰ সমস্যা আৰু মূল্যায়ণক সামাজিক অবিচাৰ আৰু উৎপীড়নৰূপে চোৱা হৈছে; আন এখনত আকৌ নিপীড়ন আৰু মনস্তাত্বিক সংকটৰূপে; আন এখনত বাক্ স্বাধীনতা আৰু আত্মপ্ৰকাশত থকা বাধাৰ সমস্যাৰূপে; আন ক'ৰবাত অৰ্থনৈতিক শৈক্ষিক অনগ্ৰসৰতাৰ ফলৰূপে, ইত্যাদি। আমি সংযোগ কৰি ক'ব পাৰো যে ভাৰতবৰ্ষৰ দৰে দেশত আকৌ যুগযুগান্তৰৰ ধৰ্মীয় আদৰ্শ, বিশ্বাস আৰু নৈতিক প্ৰমূল্যৰ প্ৰচণ্ড প্ৰভাৱৰ পৰাও নাৰীমুক্তি আন্দোলনত কিছুদূৰ নেতিবাচক ফল সৃষ্টি হৈছে।

ইলাইন শ্ব'ওৱাল্টাৰৰ মতে নাৰীৰ লিখনিৰ সমালোচনা প্ৰসঙ্গত যিবোৰ তত্ত্ব গঢ়ি উঠিছে সেইবোৰত চাৰিটা প্ৰধান সূত্ৰ বা ৰূপ অৱলম্বন কৰা দেখা যায়। সেইকেইটা হৈছে জৈৱিক (sexxal অথবা biological), ভাষাতাত্বিত (linguistic), মনোবিশ্লেষণধৰ্মী (psychoanalytical), আৰু সাংস্কৃতিক (Cultural) অৱশ্যে এইবোৰৰ মাজত কিছুমান বিশ্লেষণ আৰু ভাৱধাৰা সংমিশ্ৰিতও আছে। গুৰুত্ব অনুসাৰে দৃষ্টিভংগীৰ পাৰ্থক্য বিৰাজমান।

জৈৱিক সমালোচনা তত্বই বিশ্বাস কৰে যে নাৰী পুৰুষৰ মাজত থকা জৈৱিক পাৰ্থক্য বুজিব পাৰিলেহে নাৰীয়ে নাৰীৰ সামাজিক অৱস্থান আৰু অন্যান্য সমস্যাৱলী ভালকৈ অনুধাৱন কৰিব পাৰিব। এই ধাৰণাৰ ভিত্তিত নাৰীয়ে লিখনিৰ মাজেদি নিজক কি ৰূপত প্ৰতিফলিত কৰে তাকো বুজিব পাৰি। এনে সমালোচনাৰ দুৰ্বলতা এইখিনিত যে কেৱল জৈৱিকতা বা দেহকেন্দ্ৰিকতাক আশ্ৰয় কৰা বাবে এই তত্বই আন বহুতো কথাক আওকান কৰে। আধুনিক পুঁজিবাদী বজাৰ অৰ্থনীতিয়ে অতি কৌশলৰে নাৰীৰ দৈহিক আৰু জৈৱিক সম্পদক কিদৰে বাণিজ্যিক পণ্যলৈ পৰিণত কৰিছে, সেই বিষয়ে কিন্তু জৈৱিক সমালোচনা প্ৰায় নিমাত। বৰঞ্চ পুৰুষতন্ত্ৰৰ প্ৰৰোচনা আৰু তোষামোদত নাৰীসত্বাৰ অৱমাননাহে বৃদ্ধি পাইছে।

আনহাতে ভাষাতাত্ত্বিক সমালোচনাই নাৰী আৰু পুৰুষৰ ভাষাব্যৱহাৰত থকা মৌলিক পাৰ্থক্য অধ্যয়ন কৰি সেই ভাষাই সাহিত্য আৰু লিখনিত কি ৰূপ পৰিগ্ৰহণ কৰিছে সেইকথা বিচাৰি বিশ্লেষণ কৰে। নাৰীৰ ভাষাত এক সুকীয়া জৈৱিক আৱেগিক আৱেদন থকা বুলি এই তত্ত্বই প্ৰতিপন্ন কৰিছে। শ্ব'ওৱাল্টাৰে অনুভৱ কৰে যে সমাজৰ যি সামগ্ৰিক ভাষা, সেই ভাষাৰ ক্ষেত্ৰত নাৰীৰ বাবে কিছু বাধা-নিষেধ আদি আৰোপ কৰা হয়; আন কথাত এক বিশেষ ধৰণৰ নাৰীসুলভ ভাষাহে হয়তো নাৰীৰ বাবে অনুমোদন জনোৱা হয়। এইয়া কিন্তু এটা বঞ্চনা। তেওঁৰ মতে নাৰীয়েও ভাষাৰ সকলো ৰূপৰ অধিকাৰ পাব লাগিব যাতে তেওঁলোকেও নিজৰ অভিজ্ঞতা, চিন্তা, জ্ঞানক নিৰাণদে মুক্তমনে প্ৰকাশ কৰিব পাৰে। প্ৰসঙ্গত উল্লেখ কৰিব পাৰি যে বাংলাদেশৰ লেখক ছালিমা নাছৰিণে এই মুক্ত ভাষাৰ অধিকাৰ বিচৰাৰ বাবেই হয়তো অনেক ভাবুকিৰ সন্মুখীন হ'ব লগা হৈছে। ভাৰতীয় ইংৰাজী ভাষাৰ কবি কমলা দাসে হয়তো তেনে বিপদৰ সন্মুখীন হোৱা নাই।

নাৰীবাদৰ মনোবিশ্লেষণাত্মক তত্ত্বই লিংগ আৰু নাৰীৰ সৃষ্টিশীলতাৰ মাজত থকা সম্বন্ধক ফঁহিয়াই চাবলৈ বিচাৰে। জৈৱিক তত্ত্বৰ লগত ইয়াৰ পাৰ্থক্য হৈছে যে জৈৱিকতাৰ ধাৰণা মূলতঃ শাৰীৰিক বা যৌন চিনাক্তকৰণত, আনহাতে লিংগ বিচাৰৰ ধাৰণা সামাজিক-ৰাজনৈতিক-ভাষিক। এই বিচাৰ তত্ত্ব বহুত দিশত আমোদজনক, সংবেদনশীল, উত্তেজনাপূৰ্ণ। এই তত্ত্বৰ সীমাবদ্ধতা হৈছে যে কোনো বিশেষ গ্ৰন্থ, লেখক আদিৰ সমালোচনাত সফল হ'লেও সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সমস্যাবোৰক এই তত্ত্বই ফঁহিয়াই চোৱাত বিফল হৈছে।

নাৰীবাদী সমালোচনাৰ সাংস্কৃতিক তত্ত্বটো ইলাইন শ্ব'ওৱাল্টাৰৰ কিছুদূৰ মনঃপুত হোৱা যেন লাগে। তেওঁৰ এটা অভিমত হৈছে— "Hypotheses of women's culture have been developed----by anthropologists, sociologists, and social historians in order to get away from masculine systems, fierarchies, and values and to get at the primary and self-defined nature of female cultural experience" (*Modern Criticism and Theony.* p345 David Lodge

নৃতত্ব, সমাজতত্ব, সামাজিক ইতিহাসৰ বিশ্লেষণৰ আধাৰত গঢ়ি উঠা সুস্থ সাংস্কৃতিক তত্বইহে নাৰীবাদৰ অৰ্থ আৰু তাৎপৰ্য ব্যাখ্যা কৰিব পাৰে বুলি শ্ব'ওৱাল্টাৰে বিশ্বাস কৰে। নাৰীৰ কণ্ঠক, নাৰীৰ বক্তব্যক পুৰুষতন্ত্ৰৰ প্ৰভাৱে হয়তো সম্পূৰ্ণ "নিমাত"

(silenced) কৰিব পৰা নাই, কিন্তু তাক বহুদূৰ "নীৰৱ" (মানে muted) কৰি ৰাখিছে। পুৰুষতন্ত্ৰৰ সকলো বক্তব্যক শ্ৰাব্য আৰু বিস্তাৰিত (অৰ্থাৎ dominant) কৰি নাৰীবাদৰ বক্তব্যক muted কৰি ৰখা হৈছে।

এই প্ৰসঙ্গত সদ্যহতে ঘটা এটা উদাহৰণ দাঙি ধৰা হ'ল। আমাৰ মহাবিদ্যালয়খন এখন নাৰী শিক্ষাৰ উচ্চশিক্ষানুষ্ঠান। মহাবিদ্যালয়খনৰ ইতিহাস, গৰিমা আৰু অধ্যক্ষ, ছাত্ৰীবৃন্দৰ মনৰ কথা আদি এখন দৈনিক অসমীয়া কাকতত প্ৰকাশিত হ'ল। অধ্যক্ষ ড° বন্তিৰাণী গগৈ ফুকন এগৰাকী সুদক্ষ, দূৰদৰ্শী, অভিজ্ঞ ব্যক্তি যাৰ নেতৃত্বত মহাবিদ্যালয়খনে সফলতা আৰ্জন কৰিছে। কিন্তু ঘটনাটো হ'ল যে যি দিনা যিখন বাতৰিত হেমপ্ৰভা ছোৱালী মহাবিদ্যালয়ৰ গৌৰৱৰ কথা প্ৰকাশিত হ'ল, সেইদিনা পুৱাৰ ভাগতে সেই বিশেষ বাতৰিখনৰ সেইদিনাৰ সমূহ কাগজ হৰলুকি হ'ল। গোটেই বাতৰিবোৰেই বজাৰত লুকুৱাই পেলোৱা হ'ল যাতে কোনেও সেই গাৰ্লছ কলেজৰ কথা জানিবলৈ নাপায়।

তেনেহ'লে আমি মানি ল'ব পাৰো অষ্টাদশ শতিকাতে মেৰী উলষ্টʼনক্ৰাফ্টে আৰু কুৰি শতিকাৰ আশীৰ দশকত ইলাইন শ্ব'ওৱাল্টাৰে যি কথা কৈছিল সেইখিনি সঁচা আৰু এতিয়াও গুৰুত্বপূৰ্ণ। সমাজ বহুত আগবাঢ়িল পাৰ্থিৱ সম্পদত। জ্ঞানৰ বিস্ফোৰণ হোৱা বুলিও ধৰা হৈছে। অথচ নাৰীৰ কথা, নাৰীৰ সন্মান, নাৰীবাদৰ তত্ত্ব আৰু চিন্তাধাৰা এতিয়াও বিপদাপন্ন। "ফেমিনিজিম" শীৰ্ষক এখন গ্ৰন্থত চিন্তাবিদ জেইন ফ্ৰীডমেনে সেয়েহে বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ নাৰীৰ সমস্যা সমাধানৰ বাবে বিভিন্ন প্ৰকাৰৰ সমস্যাবোৰ বুজি পোৱাৰ ওপৰতহে গুৰুত্ব আৰোপ কৰিছে। ফ্ৰীডমেনৰ মতে তত্ব বা মাৰ্গবোৰতকৈ অধিক গুৰুত্বপূৰ্ণ সমস্যাবোৰহে।

(Feminiem : Jane Freedman)

ইলাইন শ্বওৱাল্টাৰৰ নাৰীবাদৰ তত্ত্ব আৰু চিন্তাচৰ্চা সম্পৰ্কীয় অধ্যয়ন আৰু বিশ্লেষণ সঁচাই চিন্তা উদ্ৰেককাৰী আৰু আকৰ্ষণীয়। তথাপি তেওঁৰ সীমাবদ্ধতা আৰু ত্ৰুটি দেখা যায় এটা দিশত যে তেওঁ আশ্বেতাঙ্গ আৰু আফ্ৰিকীয় মহিলা লেখক চিন্তাবিদ সকলক বিশেষ কোনো গুৰুত্ব দিয়া নাই। নাৰীবাদী তত্ত্বৰ ক্ষেত্ৰত এক 'ইউৰো-মাৰ্কিন' চৰিত্ৰ দেখা পোৱা যায়। শ্ব'ওৱাল্টাৰো তাৰেই অংশীদাৰ।

উপসংহাৰ ঃ

সামৰণিত ইয়াকে ক'ব পাৰি যে আজিৰ পটভূমিত নাৰীৰ উন্নতি আৰু মানৱীয় মৰ্যদা সম্পৰ্কীয় অধ্যয়ন এক স্বীকৃত বিদ্যায়তনিক বিষয় হৈ পৰিছে। এই প্ৰসঙ্গত মেৰী উলষ্টʼনক্ৰাফ্ট আৰু ইলাইন শ্ব'ওৱাল্টাৰৰ চিন্তাধাৰা আৰু ওজস্বী কণ্ঠস্বৰলৈ আমি উচ্চ শিক্ষাৰ লগত জড়িত সকলে এবাৰ নজৰ দিয়া উচিত। দুয়োগৰাকী নাৰী চিন্তাবিদৰ বহুতো কথাৰ লগত আমাৰ দ্বিমত হ'ব পাৰে সেই কথা সুকীয়া; কিন্তু দুয়োৰে বক্তব্যই নিশ্চিতভাৱে আমাক নতুন চিন্তাচৰ্চা কৰিবলৈ উৎসাহ যোগাব।❒❒


**উৎস আৰু সমল গ্ৰন্থপঞ্জী ঃ**

(১) Barry, Peter Beginning Theory
(২) Freedman, Jane Feminism
(৩) Lodge, David Modern Criticism and Theory
(৪) Wolstonecraft, Mary Vindicution of the Rights of Woman



# নাৰী সৱলীকৰণ আৰু বৰ্তমান নাৰীৰ স্থিতি

মণিষা বৰা
পঞ্চম ষাণ্মাসিক

'নাৰী সৱলীকৰণ' হ'ল নাৰীৰ ক্ষমতা আহৰণৰ এক প্ৰক্ৰিয়া। সৱলীকৰণক বিভিন্ন ধৰণেৰে সংজ্ঞায়িত কৰিব পাৰি। সৱলীকৰণে সাধাৰণতে ব্যক্তি বিশেষক শিক্ষা, পেচা, কৰ্মক্ষেত্ৰ তথা সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক দিশত স্বাধীন আৰু ক্ষমতাশালী কৰি তোলাক বুজায়। গতিকে, নাৰী সৱলীকৰণে নিৰ্দিষ্টকৈ নাৰীক সৱল কৰি তোলাৰ প্ৰক্ৰিয়াটোকে বুজায়। নাৰী সৱলীকৰণ বিষয়টি অতি প্ৰাচীন অৱধাৰণা নহয় যদিও ই একেবাৰে নতুন বিষয়ও নহয়। বহু নাৰীবাদী চিন্তাবিদ তথা পণ্ডিতৰ লেখনি আৰু চিন্তাধাৰাত নাৰীৰ সৱলীকৰণৰ বিশ্লেষণ দেখা যায়।

সাম্প্ৰতিক সময়ত নাৰী সৱলীকৰণ অতি জনপ্ৰিয় বিষয় ৰূপে প্ৰতিষ্ঠা হৈছে। সাধাৰণতে, নাৰীৰ সৱলীকৰণে কেৱল এগৰাকী নাৰীকে সবল নকৰে, বৰঞ্চ এটা পৰিয়ালত বা এখন সমাজত এগৰাকী নাৰী অৰ্থনৈতিক, সামাজিক তথা অন্যান্য দিশত সৱল হোৱা মানে সমগ্ৰ পৰিয়াল বা সমাজখনেই প্ৰত্যক্ষ বা পৰোক্ষভাৱে সবল হোৱাটোক বুজায়। কিন্তু, এই

বিষয়সমূহৰ বিষয়ে জনাৰ পিছতো সাম্প্ৰতিক সময়ত নাৰীসকলৰ প্ৰকৃততে কিমান সৱলীকৰণ হৈছে? —ই এটা ডাঙৰ প্ৰশ্ন। দৈনিক বাতৰিকাকত তথা বৈদ্যুতিক মাধ্যমত একাধিক নাৰী সম্পৰ্কীয় অপৰাধজনিত বাতৰি পৰিৱেশিত হোৱাটোৱে নাৰীৰ দুৰ্বল তথা অসুৰক্ষিত অৱস্থাটোৱেই প্ৰতিফলন ঘটায়। পৰিয়ালৰ ভিতৰতে এগৰাকী নাৰী অনেক সময়ত পুৰুষৰ সমমৰ্যাদাৰ পৰা বঞ্চিত হয় আৰু সম অধিকাৰ প্ৰাপ্ত কৰাটো বাধাৰ সন্মুখীন হয়। স্বামীৰ মৃত্যুৰ পাছত অনেক সময়ত নাৰীগৰাকীক বহু অন্যায়-অত্যাচাৰ কৰাৰ উদাহৰণ আমাৰ দেশ ভাৰতবৰ্ষত প্ৰাচীন কালৰে পৰাই বহু দেখা যায়।

২০১১ বৰ্ষৰ লোকপিয়ল অনুসৰি ভাৰতবৰ্ষৰ নাৰীৰ সৰ্বমুঠ সংখ্যা ৫৮, ৬৪, ৬৯, ১৪৭ গৰাকী National Crime Record Bureau ৰ সমীক্ষা অনুসৰি ভাৰতবৰ্ষত নাৰীজনিত অপৰাধৰ সংখ্যা ২০১৮ বৰ্ষকতকৈ ২০১৯ বৰ্ষত ৭.৩% লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত উত্তৰ প্ৰদেশ, ৰাজস্থান আৰু অসম ৰাজ্যই শীৰ্ষ স্থান দখল কৰি থকা দেখা যায়। অধিক সংখ্যক অপৰাধৰ ভিতৰত ঘৰুৱা হিংসাজনিত ঘটনা ৩০.৯% শ্লীলতাহানিজনক ঘটনা ২১.৮%, অপহৰণ জনিত ঘটনা ১৭.৯%, ধৰ্ষণজনিত ঘটনাৰ শতকৰা হাৰ ৭.৯% লৈকে বৃদ্ধি পাইছে। তদুপৰি, ভাৰতৰ সৰ্বমুঠ জনসংখ্যাৰ ভিতৰত ৬২.৪% নাৰীজনিত অপৰাধ সংঘটিত হৈছে ২০১৯ বৰ্ষত। গতিকে, National Crime Record Bureau ৰ সমীক্ষাৰ পৰা বৰ্তমান নাৰীৰ স্থিতি কিমান পুতৌজনক, তাৰ এক স্পষ্ট ছবি পৰিলক্ষিত হয়। বৰ্তমান সমাজ ব্যৱস্থাত বিশেষকৈ সামাজিক মাধ্যমসমূহত নাৰীক এক পণ্য দ্ৰব্যৰ ৰূপত ব্যৱহাৰ কৰা হৈছে। নাৰী সৱলীকৰণ মাত্ৰ শ্লোগানতে সীমাবদ্ধ হৈ পৰিছে।

নাৰীৰ সৱলীকৰণ হ'বলৈ হ'লে নাৰী অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক- সাংস্কৃতিক এই সকলো ক্ষেত্ৰতে স্বাধীন তথা স্বাৱলম্বী হ'ব লাগিব। মহিলাৰ কামৰ মৰ্যাদা প্ৰদান কৰিব লাগিব তথা সম-কামৰ বাবে সম মজুৰি প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। এই ক্ষেত্ৰত শিক্ষাই হৈছে নাৰী সৱলীকৰণৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অস্ত্ৰ।

শিক্ষাই নাৰীক সবলীকৰণৰ দিশত আগবঢ়াই নিয়াত সহায় কৰে। গতিকে, শিক্ষাক অগ্ৰাধিকাৰ দিবই লাগিব। নাৰীসকলে তেওঁলোকৰ জীৱনক প্ৰভাৱান্বিত কৰা অনুষ্ঠানত অংশগ্ৰহণ কৰা, এইসমূহক নিয়ন্ত্ৰণ কৰা অথবা এইসমূহত প্ৰভূত্ব বিস্তাৰ কৰিব পৰা ক্ষমতা অৰ্জন কৰাটো নাৰীৰ সৱলীকৰণে নিশ্চিত কৰে। অৰ্থনৈতিক স্বাৱলম্বিতাই মনলৈ আত্মবিশ্বাসৰ ভাৱ অনাৰ ফলত নাৰীসকলে প্ৰতিকূল পৰিস্থিতিৰ সৈতে অথবা অন্যায়ৰ বিৰুদ্ধে যুঁজ দিবলৈ সাহস পায়। সামাজিক, ৰাজনৈতিক আদি ক্ষেত্ৰতো নাৰী সৱলীকৰণে বৈষম্যৰ আৱৰ্তত থাকি, নিৰ্যাতন ভোগা নাৰী সমাজক এক সুখময় জীৱন-যাপন কৰাত অৰিহণা যোগায়।

গতিকে, মহিলাৰ সৱলীকৰণৰ প্ৰথম পদক্ষেপ ৰূপে নাৰীসকলক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰিব লাগিব। এনে হ'লে নিশ্চিতভাৱে এদিন প্ৰকৃতাৰ্থত নাৰীৰ সৱলীকৰণ বাস্তৱায়িত হ'ব।

Emma watson এই ক্ষেত্ৰত কোৱা কথাষাৰ প্ৰনিধানযোগ্য ঃ "Both men and women should feel free to be sensitive. Both men and women should feel free to be strong... it is time that we all perceive gender on a spectrum not as two opposing sits of ideas."❒❒



# সাম্প্ৰতিক কালত দেখা দিয়া কৰ'না মহামাৰী আৰু অসমত ইয়াৰ প্ৰভাৱ

লিপিকা শইকীয়া

প্ৰকৃতিৰ অভিশাপ কৰ'না ভাইৰাছ। সবত্ৰ এক প্ৰবল অনিশ্চয়তা আজি বিদ্যমান। মানৱ জাতিৰ ভৱিষ্যত যেন অনিশ্চিত হৈ পৰিছে। যেন পৃথিৱী নামৰ গ্ৰহটোত মানুহ নামৰ প্ৰজাতিটোৰ অন্তিম ক্ষণ সমুপস্থিত। এক গভীৰ সংকটৰ গৰাহত সাম্প্ৰতিক সমগ্ৰ বিশ্ব।

কৰ'না কি? কৰ'না এটি ক্ষুদ্ৰ ভাইৰাছ। যাৰ সন্মুখত সমগ্ৰ মানৱ জাতি যেন অসহায় হৈ পৰিছে। কভিদ ১৯ নামৰ এই ক্ষুদ্ৰ ভাইৰাছটিয়ে সমগ্ৰ বিশ্ববাসীক কৰি তুলিছে কম্পমান। গোটেই বিশ্ববাসীৰ লগতে আমাৰ দেশ তথা অসমতো একে পৰিস্থিতি। কৰ'না ভাইৰাছ নামৰ ৰোগবিধ চীনৰ য়ুহান চহৰত ২০১৯ বৰ্ষৰ শেষৰফালে উৎপত্তি হৈছে। ২০২০ বৰ্ষৰ ১১ মাৰ্চত বিশ্ব স্বাস্থ্য সংস্থা (WHO)ই এই ঘটনাক বৈশ্বিক মহামাৰী হিচাপে ঘোষণা কৰিছিল। মহামাৰী সংক্ৰমণ ৰোধ কৰিবলৈ বিভিন্ন দেশৰ লগতে আমাৰ দেশতো চৰকাৰে অফিচ-আদালত, দোকান-পোহাৰৰ লগতে শিক্ষা খণ্ডতো ল'কডাউনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰিও জনসাধাৰণক সজাগ কৰাৰ

হেতু প্ৰতি মোবাইল ফোনতে ডাইলাৰ টিউনো দিয়া হৈছে। যাতে প্ৰতিজন লোকে সেই ডাইলাৰ টিউনত কোৱাৰ দৰে সজাগমূলক ব্যৱস্থাসমূহ গ্ৰহণ কৰে। ল'ক ডাউনৰ প্ৰতি লক্ষ্য ৰাখি সকলো ধৰণৰ শিক্ষা প্ৰতিষ্ঠানবোৰত অনলাইন যোগে পাঠদান কৰোৱা হৈছে। কিন্তু এই ক্ষেত্ৰত শিক্ষাৰ্থীৰ কিছু অসুবিধাৰ সন্মুখিন হৈছে। পাঠ এটা যেনেকৈ শ্ৰেণীত বুজাই দিয়া হয় তাতকৈ বহু সংক্ষেপে অনলাইন ক্লাছবোৰত বুজাই দিবলগীয়া হোৱাত বহু শিক্ষাৰ্থীৰ বুজাত অসুবিধা হয়। দৰিদ্ৰ ছাত্ৰ-ছাত্ৰীসকলৰ স্মাৰ্ট ফোন আৰু ইন্টাৰনেটৰ সুবিধা নথকাত এই ক্লাছৰ পৰা বঞ্চিত হ'ব লগা হৈছে। ইয়াৰ উপৰিও বহু ছাত্ৰ-ছাত্ৰীয়ে অনলাইন ক্লাছৰ সুযোগ লাভ কৰি অত্যাধিক মোবাইল ব্যৱহাৰ কৰিবলৈ লৈছে যি ছাত্ৰ-ছাত্ৰীৰ বাবে অপকাৰী। কৰ'নাই সমগ্ৰ বিশ্বক কম্পমান কৰি তোলাৰ সময়তে নিজকে উন্নত বুলি দাবী কৰা ৰাষ্ট্ৰ উন্নত অৰ্থনীতি, উন্নত বিধ্বংসী মৰণাস্ত্ৰৰে সজ্জিত ৰাষ্ট্ৰও আজি এই ভাইৰাছক প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত হৈ পৰিছে চূড়ান্তভাৱে অসহায়। এপিনে কৰ'নাৰ পৰা মৃত্যু ভয় আনপিনে মহামাৰীয়ে তচনচ কৰি পেলোৱা অৰ্থনৈতিক ব্যৱস্থাত মানুহৰ কৰ্মসংস্থাপনহীনতা, খাদ্যাভাস আদিয়ে মানুহক সকলো পিনৰ পৰা কোঙা কৰি আনিছে। এনে পৰিস্থিতিয়ে স্বাভাৱিক জীৱন যাপনত ব্যাঘাত জন্মাই ভয়াবহ পৰিস্থিতিৰ সৃষ্টি হৈছে। বহুলোকে এনে সময়ত অনাহাৰে দিন কটাইছে আৰু বহু লোকে মৃত্যুকো সাৱটি লৈছে। চৰকাৰী, বেচৰকাৰী সংস্থাৰ পৰা সাহায্য লাভ কৰিলেও বৰ্তমান মধ্যবিত্ত দৰিদ্ৰ লোকৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। বৰ্তমান সময়ৰ আটাইতকৈ ডাঙৰ সমস্যা হৈছে যোগান শৃংখলা বৰ্তাই ৰখা।

কৰ'না মহামাৰী সংক্ৰমণ ৰোধ কৰিবলৈ স্বাস্থ্য বিজ্ঞানীয়ে যিখিনি সাৱধানতা অৱলম্বন কৰিছে সেইখিনি মানি চলাটো নিতান্তই প্ৰয়োজনীয়—

১। সঘনাই হাত ধোৱা।

২। জন সমাগমৰ পৰা আঁতৰত থকা।

৩। নাক আৰু মুখলৈ হাত নিয়াৰ পৰা বিৰত থকা।

৪। মাস্ক পৰিধান কৰা।

শেহতীয়া তথ্য অনুযায়ী বিশ্বৰ চিকিৎসা বিজ্ঞানীসকলে Covid-19 ৰ ভেকচিন প্ৰস্তুত কৰি মহামাৰী ৰোধ কৰিবলৈ অহৰহ চেষ্টা চলাইছে যদিও ই কিমান দূৰ সফল হ'ব সময়ে নিৰূপন কৰিব। আমি শিক্ষিত সমাজে যদি এই ক্ষেত্ৰত সজাগ হোৱাৰ উপৰিও আনকো সজাগ কৰো তেন্তে বিশ্বৰ পৰা অতি শীঘ্ৰেই আমি কৰ'না ভাইৰাছক নাইকিয়া কৰিব পাৰিম। শেষত, দিনে নিশাই কৰ'না মহামাৰীৰ সৈতে যুঁজি নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই অহা প্ৰকৃত যোদ্ধা চিকিৎসক, নাৰ্চ আৰক্ষী আৰু চাফাই কৰ্মীসকলক শতকোটি নমস্কাৰ কৰিছো আৰু মনত এটা বিশ্বাসেই দৃঢ়তাৰে বান্ধি ৰাখিছো যাতে কৰ'নাৰ এই যুঁজত আমি জয়ী হ'ম। আকৌ ভাল দিনৰ আশাৰে জয়ন্ত হাজৰীকা দেৱৰ এটি গীতৰ কলিৰে সামৰণি মাৰিছে—

"আকৌ নতুন প্ৰভাত হ'ব
কাল ৰাতি নাথাকিব
নিউ নিউ কৰা ফেঁচাৰ চিঞৰ
শিয়ালৰ ৰাও আঁতৰিব।"❒❒



# ক'ৰণা মহামাৰী

✍উজ্জ্বল শৰ্মা

মানৱজাতিৰ মৃত্যুদূত হৈছে ক'ৰণা মহামাৰী। মানৱজাতিৰ ভৱিষ্যৎ এক অনিশ্চয়তাৰ হৈ পৰিছে। অনুভৱ হৈছে মানৱ জাতিটোৰ শেষ ক্ষণ আহি পৰিছে। কিছুমান মানুহৰ মুখে মুখে এটা কথা বেছিকৈ প্ৰচলন হৈছে যে, "ভগৱানৰ ওচৰত এখন তুলাচনী থাকে। সেই তুলাচনীখনত পাপ আৰু পূণ্য দুটা ভাগ থাকে। তাৰে এটা ভাগ অৰ্থাৎ পাপৰ ভাগটোত পাপৰ সংখ্যা বাঢ়ি গৈছে আৰু ভগৱানে সেই পাপৰ সংখ্যা কমাবৰ বাবে ক'ৰণা মহামাৰীৰ সৃষ্টি কৰিছে।"

ক'ৰণা এটি সৰু ভাইৰাছ। ইয়াৰ আকৃতি অন্য ভাইৰাছৰ তুলনাত যথেষ্ট বেলেগ আৰু শক্তিশালী। মাইক্ৰস্কোপত এই ভাইৰাছৰ আকাৰ মুকুটৰ দৰে। লেটিন শব্দ 'Crown'ৰ পৰা ক'ৰণা শব্দটিৰ উৎপত্তি হৈছে। এই ৰোগৰ কাৰক হ'ল— SARS-COV-2। যি ২০১৯ চনত চীনৰ হুৱেই প্ৰান্তৰ ৱুহান চহৰত পোন প্ৰথমবাৰৰ বাবে ধৰা পৰিছিল। ২০২০ চনৰ ১১ মাৰ্চ তাৰিখে বিশ্ব স্বাস্থ্য সংস্থা (WHO) য়ে ইয়াক মহামাৰী হিচাপে স্বীকৃতি দিলে।

এই ৰোগৰ লক্ষণৰ কথা যদি ক'বলৈ যোৱা হয়। তেন্তে এই ৰোগৰ লক্ষণসমূহ হৈছে—

জ্বৰ, কাঁহ, উশাহ লোৱাত কষ্ট ভাগৰ লগা, নাকৰ গোন্ধ আৰু মুখৰ সোৱাদ হেৰোৱা এই ৰোগৰ লক্ষণ। এই ৰোগ মানুহৰ সংস্পৰ্শৰ ফলত হয় বুলি চিকিৎসকে জানিবলৈ দিয়ে। কাঁহ মাৰিলে, হাঁচি মাৰিলে আৰু মানুহৰ শ্বাস-প্ৰশ্বাসত এজন মানুহৰ দেহৰ পৰা তেওঁ নিকতসংস্পৰ্শত থকা ব্যক্তিজনলৈ বিয়পে। এই ভাইৰাছবিধে কেৱল আমাৰ অসম বা ভাৰততে আক্ৰমণ কৰা নাই। সমগ্ৰ বিশ্বতে এই ৰোগবিধে আক্ৰমণ চলাইছে। এই ৰোগবিধৰ কাৰণে মানুহৰ মনত এক ভয় বা শংকাই দেখা দিছে। কাৰণ ক'ৰণা বা ক'ভিড ১৯ হৈছে মৃত্যুদূত। আজি এই মৃত্যুদূতৰ ক'ৰণাই সমগ্ৰ বিশ্বকে গ্ৰাস কৰি লৈছে। ক'ৰণাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান। ব্যৱসায়-বাণিজ্যত প্ৰভাৱ পেলাইছে।

ভাৰতৰ অৰ্থনীতিৰ ক্ষেত্ৰতো ক'ৰণা ভাইৰাছে বহুত বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। দেশখনত থকা বৃহৎ বৃহৎ উদ্যোগ-ব্যৱসায়ী ইত্যাদিৰ লগত জড়িত কৰ্মচাৰী আৰু ব্যৱসায়ীকসকলে চিন্তাত পৰিছে। লগতে ভাৰতৰ বহুতে কলা-কুশলীসকলৰ অৱস্থাও একেবাৰে তথৈবচ হৈ পৰিছে। ইয়াৰ উপৰিও ভাৰতে আন দেশৰ পৰা বিভিন্ন সা-সামগ্ৰী ক্ৰয় কৰে বিশেষকৈ চীনৰ পৰা। চীনত নিৰ্মিত বহুতো সামগ্ৰী আমাৰ ভাৰতে ক্ৰয় কৰে। কিন্তু কেৱল ক'ৰণা ভাইৰাছৰ বাবেই বৰ্তমান বিদেশৰ পৰা সা-সামগ্ৰী ক্ৰয় কৰোঁতে অৰ্থনৈতিক দিশত জুৰোলা হোৱাৰ বাবে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। যাৰ ফলত সা-সামগ্ৰী সমূহৰ দাম বৃদ্ধি পাইছে। উদাহৰণস্বৰূপে পেট্ৰ'লৰ দাম শতাংশৰ হাৰত বৃদ্ধি পাইছে।

ক'ৰণাৰ পৰা ৰক্ষা পাবলৈ ল'বলগা সাৱধানতাসমূহ হ'ল—

(১) মাস্ক পৰিধান কৰা।
(২) ছেনিটাইজাৰ সঘনাই ব্যৱহাৰ কৰা।
(৩) জনসমাগমৰ পৰা আঁতৰত থকা।

শেহতীয়াকৈ ক'ৰণা প্ৰতিষেধক হিচাপে চৰকাৰে ভেকচিনৰ ব্যৱস্থা কৰিছে। এই ভেকচিন ১৮ বছৰৰ উৰ্ধ্বৰ সকলো ব্যক্তিয়েই লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিছে আৰু এই ভেকচিন একেবাৰে বিনামূলীয়া। এই ভেকচিন প্ৰতিজন ব্যক্তিয়ে লোৱাটো উচিত।

সমগ্ৰ দেশতেই ক'ৰণাই ত্ৰাসৰ সৃষ্টি কৰিছে, যাৰ ফলত কেৱল ভাৰতবৰ্ষই নহয় সমগ্ৰ বিশ্বতেই অৰ্থনীতিৰ ক্ষেত্ৰত বেয়া প্ৰভাৱ পৰিছে। ইয়াৰ উপৰিও স্কুল-কলেজ সমূহো প্ৰায় এক-দুই বছৰ দিন ধৰি ভালদৰে খুলিব পৰা নাই। যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ অন্ধকাৰৰ ফালে গতি কৰিছে।

অৱশেষত, দিনে-নিশাই ক'ৰণা নামৰ এই যুদ্ধখনত নিস্বাৰ্থভাৱে সেৱা আগবঢ়াই যোৱা প্ৰতিজন চিকিৎসক, আৰক্ষী আৰু সৰু-বৰ অন্যান্য কৰ্মচাৰীসকলক শত কৌতি সেৱা জনাইছো।❐❐



# ক্ৰমাগতভাৱে বৃদ্ধি পোৱা ড্ৰাগছৰ অপব্যৱহাৰ ৰোধৰ ক্ষেত্ৰত সমাজৰ ভূমিকা

✍প্ৰিয়ংকা শৰ্মা
স্নাতক পঞ্চম ষান্মাসিক

**যি** বস্তুৰ প্ৰয়োগ জীৱদেহত কৰিলে শৰীৰত এক বা তাতোধিক বিৰূপ পৰিৱৰ্তন ঘটে সেই সমূহে সাধাৰণ অৰ্থত ড্ৰাগছ বুলি কোৱা হয়। আমি ব্যৱহাৰ কৰা ঔষধসমূহো এক প্ৰকাৰৰ ড্ৰাগছ যদিও বৰ্তমান ব্যাঘি হৈ পৰিছে নিচাযুক্ত ড্ৰাগছসমূহ আৰু এইসমূহক অবৈধ ঘোষণা কৰা হৈছে। ক'কেইন, হেৰ'ইন, DMT, GHB আদি ড্ৰাগছৰ উদাহৰণ। ২০১৮ চনৰ এক পৰ্য্যাবেক্ষণৰ মতে, ৫ কোটি ভাৰতীয় ড্ৰাগছ সেৱন কৰে আৰু তাৰে ভিতৰত ৮.৫ লাখ লোকে বেজী লয়। আটাইতকৈ বেছি ড্ৰাগছ সেৱন কৰা ৰাজ্য সমূহ হৈছে পাঞ্জাৱ,  হাৰিয়ানা, দিল্লী, অসম ইত্যাদি।

ব্যক্তিৰ মগজুৰ ক্ৰিয়া তৰাম্বিত কৰি মগজুৰ কাম-কাজ ধীৰ কৰি তুলি সম্পূৰ্ণৰূপে ভাৰসাম্যহীন কৰি তোলা ড্ৰাগছ আসক্তি ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰাত সমাজত গুৰুত্বপূৰ্ণ ভূমিকাক কোনো গুনেই নুই কৰিব নোৱাৰি। সমাজ বুলি ক'বলৈ গ'লে প্ৰথমতেই আহি পৰে পৰিয়ালৰ কথা। পৰিয়ালৰ লোক তথা অভিভাৱকসকলে ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰিব পাৰে সঁচা। কিন্তু বহু সময়ত অভিভাৱকসকলৰ ব্যৱস্তা বা অন্যমনস্বৰ মনোভাৱৰ বাবে নিসংগতা বা আন পাৰিবাৰিক অশান্তিৰ বলি হৈও বহু লোকে ড্ৰাগছৰ অপব্যৱহাৰ কৰে। এই ক্ষেত্ৰত প্ৰাৰম্ভিক পৰ্য্যায়ত অভিভাৱক তথা পৰিয়ালৰ লোকৰ সজাগতা, বন্ধুত্বৰপূৰ্ণ মনোভাৱ আৰু সহযোগিতাই এই অপব্যৱহাৰ ৰোধত সহায় কৰে।

সমাজৰ প্ৰাসঙ্গিকতা উত্থাপন হ'লে পৰিয়ালৰ পাছতে আহি পৰে বন্ধু বা সংগীসকলৰ ভূমিকা। "মই বন্ধুসকলে কৰা কামটো নকৰিলে মোক হাঁহিব; মোক Modern বা Cool বুলি ন'কব"—এনে ধৰণৰ মনোভাৱসমূহৰ লগতে বন্ধুসকলৰ "একো নহয় এবাৰ চেষ্টা কৰ মজা লাগিব, এইটো তই কৰিব নোৱাৰ"—এনেধৰণৰ ইতিকিং সূচক মনোভাৱৰ বাবে সৃষ্টি হোৱা হীনমান্যতাৰ চিকাৰ হৈ বহু লোক বিশেষকৈ নৱ প্ৰজন্মই ড্ৰাগছৰ অপব্যৱহাৰ কৰে। "সি মোৰ বন্ধু মই তাক বেয়া পথলৈ যাবলৈ দিব নোৱাৰোঁ, তাক শুদ্ধ পথলৈ আনিব লাগিব"—এনেধৰণৰ মনোভাৱৰ লগতে বন্ধু গোটসমূহৰ মাজত হোৱা ধনাত্মক আলোচনা, সচেতন কৰ্ম আদিয়ে ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰিব।

ক্ৰমাগতভাৱে বৃদ্ধি হোৱা ড্ৰাগছৰ অপব্যৱহাৰ ৰোধ কৰিবলৈ চৰকাৰ বিভিন্ন সমাজ সেৱী সংগঠন আদিৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। Narcotic Durgs and Psychotropic Substances Act 1985 এই Act খনে ড্ৰাগছৰ বিৰোধে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। বৰ্তমান নতুনকৈ এখন Act নিৰ্মাণ কৰা হৈছে যিখন হৈছে National Action plan for Drug Demand Reduction 2018 এই Act খননে Drugs ৰ বিৰোধ বিভিন্ন কাম-কাজ চলাই আছে। আমি Paper ৰে পত্ৰই, Social Media, Facebook আদি দেখি আহিছোঁ এজন প্ৰশাসনিক বিষয়া IPS আনন্দ মিশ্ৰা। তেওঁ যিদৰে ড্ৰাগছৰ বিৰোধে সজাগ হৈ ড্ৰাগছ, ভাং, কানি আদি নিচাযুক্ত দ্ৰব্য ওপৰত যি অভিযান চলাইছে ঠিক তেনে যদি সকলো প্ৰশাসনিক বিষয়াই এই ড্ৰাগছৰ বিৰোধিতা কৰে তেন্তে এই Durgs সমূহ সমাজ পৰা নাইকিয়া হ'ব। গতিকে,

Say No Durgs
and
Save Life❐❐





# পৰিৱেশ্য কলা হিচাপে ভাওনা

দিম্পী চুতীয়া
প্ৰাক্তন ছাত্ৰী

**যি**বোৰ কলা, গীত, নৃত্য আৰু অভিনয়ৰ জৰিয়তে পৰিৱেশন কৰা হয় সেইবোৰেই পৰিৱেশ্য কলা। সাধাৰণভাৱে ক'বলৈ হ'লে যিবোৰ কলাৰ আনুষ্ঠানিক বা অন্যান্য ৰূপত পৰিবেশনীয় ৰূপ এটা থাকে, যেনে- গীত, নৃত্য, নাট্য- সেইবোৰেই পৰিৱেশ্য কলা। পৰিৱেশনগত দিশ বুলি ক'লে অভিনয়, দৰ্শক, মঞ্চ, দৃশ্যসজ্জা, পোহৰ বাব আলোকসজ্জা আৰু আৱাহসংগীত আদি দিশবোৰৰ কথা আহে। পঞ্চদশ শতিকাত শ্ৰীমন্ত শংকৰদেৱৰ নেতৃত্বত অসমত আৰম্ভ হোৱা বৈষ্ণৱ নৱজাগৰণে অসমৰ সাংস্কৃতিক ক্ষেত্ৰত এক নতুন উপাদানৰ সংযোগ ঘটাইছিল সেইয়া হ'ল পৰিৱেশ্য কলা ভাওনা। কাপোৰত সাত বৈকুণ্ঠৰ পট আঁকি চিহ্নযাত্ৰাৰে আৰম্ভ কৰা ভাওনাৰ মূল উদ্দেশ্য আছিল ভক্তিধৰ্ম প্ৰচাৰ। ভাওনাৰ যোগেদি পৌৰাণিক আখ্যান পৰিৱেশতি হয়। ভাওনা মহাপুৰুষ শংকৰদেৱৰ দ্বাৰা সৃষ্ট অন্যতম অনুষ্ঠান। শংকৰদেৱৰ আগলৈকে অসমত কোনো নাট্যানুষ্ঠানৰ উল্লেখ পোৱা নাযায়।

গুৰুজনাই অসমৰ থলুৱা কেতবোৰ নাট্যধৰ্মী অনুষ্ঠান (দেৱদাসী নৃত্য, ওজাপালী, পুতলা নাচ), সৰ্বভাৰতীয় লোকনাট্যধৰ্মী অনুষ্ঠান আৰু সংস্কৃত (ভান আদি) নাটকৰ পৰা উপাদান আহৰণ কৰি অংকীয়া ভাওনা বা নাটক সৃষ্টি কৰে। অংকীয়া ভাওনা নৃত্য গীত প্ৰধান। চৰিত পুথিত উল্লেখ থকা মতে মহাপুৰুষজনাই ঊনৈশ বছৰ বয়সত আলিপুখুৰীত থকা কালতে 'চিহ্নযাত্ৰা' ভাওনা মঞ্চস্থ কৰে আৰু ইয়াৰ দ্বাৰাই নব্য ধাৰণাৰে ধৰ্ম প্ৰচাৰৰ প্ৰক্ৰিয়া আৰম্ভ কৰে।

পৰিৱেশ্য কলা হিচাপে ভাওনাক আলোচনা কৰিবলৈ যাওঁতে কেইটামান দিশ চকুত পৰে। তলত ভাওনাৰ পৰিৱেশ্য কলা সম্পৰ্কে থকা উক্ত দিশসমূহৰ বিষয়ে আলোচনা কৰা হ'ল—

**(ক) অভিনয় ঃ** অভিনয় কলাৰ অন্যতম হ'ল মুখা। ভাওনাৰ এবিধ অন্যতম নাট্য সামগ্ৰী হ'ল মুখা। অসমত ভাওনাত মুখাৰ প্ৰচলন যে আৰু ব্যৱহাৰ যে শংকৰদেৱেই কৰিছিল তাত সন্দেহ নাই। ভাওনাৰ কাহিনীসমূহত থকা বিভিন্ন অসুৰ চৰিত্ৰ, অতিকায় ৰাক্ষক, অলৌকিক চৰিত্ৰ, জীৱ-জন্তু, চৰাই আদিৰ চৰিত্ৰসমূহ বিশ্বাসযোগ্যৰূপে পৰিৱেশন কৰিবলৈ মুখাৰ ব্যৱহাৰ হৈছিল। তদুপৰি মুখাৰ ব্যৱহাৰে দৰ্শৰ আকৰ্ষণ বৃদ্ধিৰ উপৰি মনোৰঞ্জন কৰিছিল। পৰৱৰ্তী কালত ভাওনাত মুখাৰ নিৰ্মাণৰ পদ্ধতি আৰু উপাদান ভিন্ন হোৱা দেখা যায়। সাধাৰণতে বাঁহ, কাঠ, কাগজ, কুঁহিয়াৰ, মাটি আদিৰ সংমিশ্ৰণেৰে মুখা তৈয়াৰ কৰা হয়।

ভৰতৰ নাট্যশাস্ত্ৰত মুখাক প্ৰতিশীৰ্য বুলি অভিহিত কৰিছে আৰু এই আহাৰ্য্যক দুটা ভাগত ভাগ কৰিছে- পুস্ত আৰু সঞ্জীৱ। বিভিন্ন প্ৰকাৰৰ মানৱীয় গুণসম্পন্ন চৰিত্ৰৰ মুখা, যেনে- ৰাৱণ, ব্ৰহ্মা, চক্ৰবাক।

**(খ) মঞ্চসজ্জা ঃ** শংকৰদেৱে সৰিয়হতলি চিকুণাই তাতে চাৰি খুটি মাৰি নামঘৰ প্ৰতিষ্ঠা কৰি চিহ্নযাত্ৰা ভাওনাৰে অসমীয়া নাটকৰ পৰম্পৰাৰ শুভাৰম্ভ কৰাৰে পৰাই অসমতে এক প্ৰকাৰৰ স্থায়ী মঞ্চ লাভ কৰে। সেই দিশৰ পৰা নামঘৰেই অসমৰ প্ৰথম মঞ্চ। নামঘৰৰ সমতল ভূমিখনেই শংকৰদেৱে ভাওনাৰ মঞ্চ হিচাপে চিহ্নিত কৰিলে। তাত দৰ্শক আৰু অভিনেতাৰ মাজত উচ্চতাৰ কোনো ধৰণৰ পাৰ্থক্য ৰক্ষিত কৰা নহয়। তেনে কৰাৰ ফলত পিছৰ দৰ্শকসকলে অভিনেতাসকলৰ অভিনয় সঠিক ৰূপত অনুধাৱন কৰাত অসুবিধা নহ'বৰ বাবে বৰ্তমান মুকলি বহল ঠাইতো ওখ ৰভা নিৰ্মাণ কৰি ভাওনা কৰাৰ পৰম্পৰা প্ৰচলন হোৱা দেখা যায়।

প্ৰাচীন কালত গ্ৰীক বা সংস্কৃত নাটকত ব্যৱহাৰ কৰাৰ দৰে অসমতো শংকৰদেৱে জোৰ বা আঁৰিয়া, গছাবন্তি, মহতা জ্বলাই ভাওনা কৰোৱাইছিল। নামঘৰৰ বিভিন্ন ঠাইত চাকি জ্বলোৱা থাকে আৰু তাৰেই সহায়ত দৰ্শকে অভিনেতাজনৰ সাজ-পোছাক, আ-অলংকাৰ, আভৰণ আদিৰ লগতে চৰিত্ৰটোৰ মুখখন লক্ষ্য কৰিব পাৰে।

**(গ) সংগীত ঃ** ভাওনা কলা পৰিবেশনৰ অন্যতম উপাদান সংগীত। অংকীয়া ভাওনাসমূহ সংগীত প্ৰধান। ভাওনা এখন আৰম্ভ হয় গায়ন-বায়নেৰে। পাছত সূত্ৰধাৰ প্ৰমুখ্যে সকলো চৰিত্ৰই সংগীতৰ তালে তালে নৃত্য কৰি মঞ্চত প্ৰৱেশ কৰাৰ লগতে অভিনয় অংশতো নৃত্য ভংগীমাৰেই অভিনয় কৰে। প্ৰয়োজন সাপেক্ষে সকলোৱে গীত গায়। খোল-তাল আদি বিভিন্ন বাদ্য সংগত কৰি সংগীতৰ ঐক্যতান সৃষ্টি কৰে।

সাম্প্ৰতিক সময়ত অসমৰ গাঁৱে-ভূঞে, নগৰে-চহৰে অনুষ্ঠিত হ'বলৈ লোৱা ভাওনা সমাৰোহ আৰু প্ৰতিযোগিতাসমূহে আপাত দৃষ্টিত ভাওনাৰ জনপ্ৰিয়তা বৃদ্ধি কৰিছে। উজনি অসমত অংকীয়া ভাওনাৰ পৰিৱৰ্তে মাতৃভাষাৰ ভাওনাৰ প্ৰদৰ্শন হ'বলৈ লোৱাৰ ফলত গুৰুজনাৰ এই অভিনৱ সৃষ্টিভাগীয়ে তাৰ প্ৰকৃত বৈশিষ্ট্য বহুখিনি হেৰুৱাই পেলোৱাটো অপ্ৰিয় সত্য। তদুপৰি সাম্প্ৰতিক কালৰ ভাওনাৰ মুখ্য উদ্দেশ্য হৈ পৰিছে কেৱল মনোৰঞ্জন। তাৰ উপৰি ভাওনা শিল্পটোৰ লগত পৰোক্ষ বা প্ৰত্যক্ষ জড়িত শিল্পী, সংগঠকসকলে অন্ততঃ ভাওনাৰ গীত-মাতখিনিত ব্যৱহৃত ৰাগ-তালখিনিৰ শুদ্ধতাৰ প্ৰতি লক্ষ্য ৰখাটো অত্যন্ত জৰুৰী হৈ পৰিছে।❐❐



# অসমৰ পৰ্যটন উদ্যোগ সম্ভাৱনা আৰু ভৱিষ্যত

✍মনিষা বৰা
পঞ্চম ষাণ্মাসিক

**স**ম্প্ৰতি পৰ্যটন হ'ল বিশ্বৰ অন্যতম লেখত ল'বলগীয়া উদ্যোগ। কোনো এখন ঠাইৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্য, প্ৰাকৃতিক সম্পদ, বিশাল অভয়াৰণ্য, সেউজ বনাঞ্চল, দুৰ্লভ জীৱ-জন্তু, চৰাই-চিৰিকটি, বাৰেৰহণীয়া কলা-সংস্কৃতি, প্ৰাচীন ঐতিহাসিক সম্ভাৰ আদিবোৰ পৰ্যটকক আকৰ্ষণ কৰিবলৈ যথেষ্ট।

"ভাৰতৰে পূৰ্ব দেশৰ
সূৰ্য উঠা দেশ" - - - আমাৰ অসম ৰাজ্য পৰ্যটকৰ অকৰ্ষণৰ ক্ষেত্ৰত কোনোপধ্যেই পিছপৰি ৰোৱা নাই। প্ৰাকৃতিক পৰিৱেশ নীলা পাহাৰ, ৰঙা নদী, ৰজাদিনীয়া কীৰ্তিচিহ্ন, বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতি পৰম্পৰাৰে ভৰপূৰ অসমখন পৰ্যটক আৰু ভ্ৰমণকাৰীৰ স্বৰ্গ। একে কাৰণতে এই ভূ-খণ্ড অতীজৰে পৰা পৰ্যটনৰ এক উৎকৃষ্ট কেন্দ্ৰৰূপে স্বীকৃত হৈ আহিছে।

অসমত পৰ্যটনৰ অযুত সম্ভাৱনা আছে যদিও উদ্যোগ হিচাপে পৰ্যটনে এতিয়াও আশানুৰূপভাৱে গা কৰি উঠিব পৰা নাই। ১৯৮৭ চনতে অসমত পৰ্যটনক উদ্যোগৰ মৰ্যদা দিয়া হৈছিল আৰু ১৯৮৮ চনৰ ৯ জুনত 'অসম পৰ্যটন উন্নয়ন নিগম' (ATDC) গঠন কৰা হৈছিল। এই নিগমৰ মুখ্য কাৰ্যালয় গুৱাহাটীত অৱস্থিত। অসম পৰ্যটন উন্নয়ন নিগমৰ মূল মন্ত্ৰ হৈছে "Awesome Assam." অৱশ্যে, বিভিন্ন আন্তঃ গাথনিমূলক অসুবিধাৰ বাবে পৰ্যটন শিল্পই অসমত আশা কৰা মতে উৎকৰ্ষ আৰু বিকাশ লাভ কৰা নাই। ই হ'ল এটি মূলধনকেন্দ্ৰিক উদ্যোগ। কিছু মূলধন বিনিয়োগ কৰি ৰাজ্যখনৰ মনো-মুগ্ধকৰ ঠাইসমূহক আকৰ্ষণীয় কৰি তোলাৰ অযুত সম্ভাৱনা আছে। দিল্লীৰ লালকিল্লাৰ দৰে আহোম ৰাজত্বকালৰ কীৰ্তিচিহ্নবোৰত পোহৰৰ প্ৰদৰ্শনীৰ আয়োজন কৰি পৰ্যটন বিভাগে এই দিশত নতুন মাত্ৰা প্ৰদান কৰিব পাৰে। একেদৰে বিশাল ব্ৰহ্মপুত্ৰৰ বিশেষ অঞ্চলত জলক্ৰীড়াৰ সুবিধা প্ৰৱৰ্তন কৰিব পাৰে। তদুপৰি, অসমৰ ৰাষ্ট্ৰীয় উদ্যানসমূহ, অভয়াৰণ্য, সত্ৰ-সংস্কৃতিৰ অৰ্থাৎ, প্ৰত্যেকটো দিশতে পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে ন-ন দিশৰ সংযোগ ঘটোৱাৰ অলেখ সম্ভাৱনা আছে।

অৱশ্যে, বৰ্তমান সময়ৰ পৰ্যটনৰ বৰ্দ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি অসম চৰকাৰে অসমৰ পৰ্যটন উদ্যোগৰ বিকাশ তথা ভৱিষ্যতৰ বাবে বহু পদক্ষেপ গ্ৰহণ কৰাও দেখা গৈছে। এই ক্ষেত্ৰত ২০১৭ বৰ্ষত গ্ৰহণ কৰা "পৰ্যটন আঁচনি'ৰ ব্যৱস্থাৱলী সমূহ মন কৰিবলগীয়াঃ

* এই আঁচনিত ২০১৮ বৰ্ষৰ পৰা ২০২২ বৰ্ষলৈকে পৰ্যটনৰ আঁচনিৰ ৰূপায়ণৰ সময় নিৰ্ধাৰিত হৈছে, য'ত অসম ভূমিত চলচ্চিত্ৰ নিৰ্মাণৰ প্ৰক্ৰিয়াক অধিক গুৰুত্ব প্ৰদান কৰা হৈছে।
* অসমৰ পৰ্যটন উদ্যোগৰ বিকাশৰ ক্ষেত্ৰত প্ৰায় ২৫% আয় ব্যয়ৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।
* ব্যক্তিগত প্ৰতিষ্ঠানসমূহক পৰ্যটন উদ্যোগৰ বাবে ব্যয় কৰাৰ অনুমতি পত্ৰ প্ৰদান কৰা হৈছে।
* অসম পৰ্যটনৰ 'মুখ্য ৰাষ্ট্ৰদূত' (Brand Ambassadar) ৰূপে জনপ্ৰিয় অভিনেত্ৰী প্ৰিয়ংকা চোপ্ৰাক নিযুক্তি প্ৰদান কৰা হৈছে।

গতিকে, এইসমূহ দিশৰ প্ৰতি লক্ষ্য কৰি আমি অসমৰ পৰ্যটন উদ্যোগৰ ভৱিষ্যৎ উজ্জ্বল বুলি ক'ব পাৰো। কিন্তু, যেতিয়ালৈকে এনে আঁচনি সমূহ বাস্তৱসন্মত, পৰিকল্পিত ৰূপত প্ৰয়োগ নহয় তেতিয়ালৈকে এই ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা নাযাব। সেয়েহে, পৰিকল্পনা আৰু কাৰ্যৰ মাজৰ পাৰ্থক্যখিনি নাইকিয়া কৰিব পাৰিলেহে আমাৰ অসমৰ পৰ্যটনৰ আশানুৰূপ বিকাশ সম্ভৱ হ'ব।❒❒

# কাৰ্গিল যুদ্ধৰ শ্বহীদ জিন্তু গগৈক স্মৰণ



✍ **হেমজ্যোতি কোঁৱৰ**
প্ৰাক্তন ছাত্ৰ

**তে**তিয়া ১৯৯৯ চন। কাৰ্গিল যুদ্ধৰ সময়, পাকিস্তানী সৈন্য ভাৰতৰ সীমা অতিক্ৰম কৰি আগুৱাই আহি আছে। শত্ৰু সৈন্য ৰুধিৱলৈ "অপাৰেচন বিজয়"ৰ আৰম্ভ হৈছে। তেওঁ তেতিয়া ২৮ বছৰীয়া সুঠাম গোলাঘাটৰ অসমীয়া যুৱক। নাম জিন্তু গগৈ। লাইন অৱ কন্ট্ৰোলৰ উত্তপ্ত পৰিস্থিতী। কাৰ্গিল যুদ্ধৰ আৰম্ভণী। চুটি লৈ অহা কেপ্টেইন জিন্তু গগৈক তৎকালে মাতি পঠোৱা হ'ল। ঘৰত বিয়াৰ যা-যোগাৰ চলিছিল। দেশ মাতৃক তেওঁৰ প্ৰয়োজন হৈছে। খবৰ পোৱা মাত্ৰকে তেওঁ ৰাওনা হ'ল যুদ্ধস্থলীৰ দিশে।

১৯৯৯ চনৰ ভাৰত-পাক কাৰ্গিল যুদ্ধৰ কথা প্ৰতিজন ভাৰতীয়ৰে মনত আছে। অসমৰ বাবেও সেই যুদ্ধৰ বিভিষিকাই লৈ আহিছিল এক অৱিশ্বাস্য সত্যক। ১৯৯৯ চনৰ ৩০ জুন তাৰিখে দেশ মাতৃৰ সেৱাত ব্ৰতী হৈ থকাৰ সময়তে শ্বহীদ হৈছিল আই অসমীৰ সন্তান কেপ্টেইন জিন্তু গগৈ।

১৯৭০ চনৰ ২১ নৱেম্বৰত ভাৰতীয় বায়ু সেনাৰ ফ্লাইং অফিচাৰ থগিৰাম গগৈ আৰু ডুলুপ্ৰভা গগৈৰ ঔৰসত গোলাঘাটৰ খুমটাই নামেৰে ঠাইত জন্ম হৈছিল এইগৰাকী মহান বীৰ সন্তানৰ। তেজত দেশ মাতৃৰ সেৱাৰ ধাৰ পিতৃ সূত্ৰে লাভ কৰিছিল এইগৰাকী বীৰ অসম সন্তানে।

এগৰাকী ২৯ বছৰীয়া ডেকা সৈন্য বিষয়া। ভাৰতীয় সেনাৰ এটা অতি প্ৰভাৱশালী আৰু শক্তিশালী ৰেজিমেন্ট গাৰৱাল ৰাইফলৰ ১৭ নম্বৰ বেটেলিয়নত কৰ্ত্তব্যৰত থকা সেইজন বিষয়া আছিল কেপ্তেইন জিন্তু গগৈ। দেশ মাতৃৰ প্ৰয়োজনৰ বাবে ৩০ জন তাৰিখে নিজৰ জীৱণ উৎসৰ্গা কৰিছিল এই গৰাকী অসম সন্তানে। দেশ মাতৃৰ সেৱাত ব্ৰতী হৈ থকাৰ বাবেই নিজৰ বিবাহ থিৰাং হোৱাৰ মাত্ৰ ১২ দিন পিছতে কৰ্ত্তব্যলৈ ওলাই গৈ তিৰংগাৰ মাজত উভতি আহিছিল এইজন ডেকা অসমীয়াই।

পাকিস্তানী সেনাক ৰুধিবলৈ ভাৰতীয় সেনাই আৰম্ভ কৰিছিল "অপাৰেশ্বন বিজয়" যাক সময়ে বৰ্তমানেও মনত ৰাখিছে বিখ্যাত কাৰ্গিল যুদ্ধ হিচাপে। সেই দিনটো আছিল ২৯ জুনৰ নিশা। নিজৰ সৈন্য দলক নেতৃত্ব দি জম্মু আৰু কাশ্মীৰৰ বাটালিক ছেক্টৰৰ সুৰক্ষাৰ দায়িত্বভাৰ আহি পৰিছিল কেপ্টেইনৰ ওপৰত। লগত গৰৱাল ৰাইফলচৰ লান্স নায়ক মদন সিং, চিপাহী ধৰমবীৰ সিং, চিপাহী কৃষাণ কুমাৰক লগত লৈ কেপ্টেইনৰ দল আগবাঢ়িছিল বাটালিকৰ সেই বিশেষ কালা পথাৰ নামৰ ঠাইডোখৰলৈ।

সন্মুখত পাকিস্তানী সেনাৰ বিশাল বাহিনীয়ে ৰাইফল টোৱাই ৰৈ আছিল ভাৰতীয় সেনাক স্বাগতম জনাৱলৈ। কিন্তু "Yudhya Krit Nischys (Fight with Determination) ৰ আদৰ্শৰে অনুপ্ৰাণিত কেপ্টেইনক ৰুধিবলৈ পাকিস্তানী সৈন্যৰ ৰাইফলৰ শক্তি নাছিল যদিও হঠাৎ ঘটিছিল এক অঘটন। সম্ভাব্য বিপদৰ উমান পাই পাকিস্তানী সেনাই ঘেৰি ধৰি আত্ম সমৰ্পন কৰিবলৈ নিৰ্দেশ দিয়ে। কিন্তু ভাৰত মাতাৰ তেজৰ শিৰে শিৰে প্ৰৱাহিত হৈ থকা কেপ্টেইনে অলপো সময় নষ্ট নকৰি খুলি দিছিল নিজৰ এল এম জিৰ ঘোঁৰা, লগে লগেই সন্মুখৰ দুজনকৈ শত্ৰু সেনাক কেপ্টেইনৰ এল এম জিৰ গুলীয়ে গুলিবিদ্ধ কৰিলে। সিফালৰ পৰাও তড়িত গতিৰে আহিল প্ৰত্যুত্তৰ। ইতিমধ্যে শত্ৰু সেনাৰ গুলীয়ে আহি কেপ্টেইনৰ শৰীৰত লাগিছিল যদিও কোনো কেৰেপ নকৰাকৈ শৰীৰত শেষ বিন্দু থকালৈকে যুঁজি গৈছিল কেইবাজনো শত্ৰু সৈন্যৰ উশাহ বন্ধ কৰিছিল। তেওঁৰ শেষ বিন্দু পৰ্যন্ত যুঁজি ভাৰতীয় সেনাৰ বিজয় নিশ্চিত কৰিছিল। দেশ মাতৃৰ হকে প্ৰাণাহুতি দিয়া আই অসমীৰ সন্তান বীৰ শ্বহীদ জোৱান জনলৈ জনাইছো অযুত শ্ৰদ্ধাঞ্জলি।❐❐

"শ্বহীদ প্ৰণামো তোমাক"

# বন্ধুত্ব—এটা মধুৰ সম্পৰ্ক

✍ **পৰিশিখা শইকীয়া**
স্নাতক তৃতীয় ষান্মাসিক

**ম**ৰম আৰু বিশ্বাসৰ লগত সংপৃক্ত হৈ থকা এটা মিঠা আৰু মৰমলগা সম্পৰ্ক হৈছে 'বন্ধুত্ব'। প্ৰেমৰ যিদৰে নিৰ্দিষ্ট কোনো সংজ্ঞা নাই ঠিক সেইদৰে বন্ধুত্বও সকলোৰে এক শ্বাশত অনুভূতি। কোনো মুহূৰ্তত জীৱনৰ বাটত লগ পোৱা অচিনাকী এজন চিনাকী হৈ পৰে। অজানিতে সেইজনৰ লগত গঢ়ি উঠে বন্ধুত্ব। বন্ধুত্বক অনুভৱহে কৰিব পাৰি কিন্তু প্ৰকাশ কৰিব নোৱাৰি।

আমাৰ জীৱনলৈ হয়তো বহুতো লোকৰ আগমন ঘটে। কিন্তু তাৰ ভিতৰত খুউব কম সংখ্যক লোকহে বন্ধু হিচাপে স্বীকৃতি পায়। কেতিয়াবা এক বিশেষ পৰিস্থিতিত, কাৰোবাক মানৱীয়তাৰ ক্ষেত্ৰত বন্ধু চিনাকী দিলেও প্ৰকৃতাৰ্থত সেইজন বন্ধু নহ'বও পাৰে। ই ইমান সহজে গঢ় লৈ উঠা সম্পৰ্ক নহয়। বন্ধু বুলি কাৰোবাক ক'ব বা পাতি ল'ব নালাগে, অন্তৰৰ মিল থকা ব্যক্তিৰ লগত নিজেই গঢ়ি উঠে।



বন্ধুত্বৰ পোহৰ অবিহনে যেন জীৱনৰ সৌন্দৰ্য উপভোগ কৰিব নোৱাৰি। বন্ধুত্বৰ সৈতে জীৱনৰ হাঁহিখিনিতো বিলাব পৰা যায়েই, দুখৰ স্মৃতিও আলোচনা কৰিব পাৰি। যিবিলাক মানুহৰ কোনো বন্ধু নাই তেওঁলোক মানসিক চাপত জৰ্জৰিত হয়। মনৰ কথাবোৰ খুলি ক'বলৈ নাপালে মানসিক চাপত ভোগাটো স্বাভাৱিক।

বন্ধুত্ব হ'বলৈ কোনো নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন নহয়। বন্ধুত্বৰ বাবে কোনো নিৰ্দিষ্ট সময়ৰ প্ৰয়োজন নহয়। বন্ধুত্বৰ বাবে কোনো নিৰ্দিষ্ট লিংগৰ ব্যৱধান নাই। সাধাৰণতে আমাৰ সমাজত দেখা যায় এজনী ছোৱালী আৰু এটা ল'ৰাৰ মাজত হোৱা বন্ধুত্বক মানুহে স্বীকাৰ কৰিবলৈ টান পায়। কিন্তু, এনে হোৱা উচিত নহয় বা হ'ব নালাগে। কেৱল যে একে বয়সৰ দুজন ব্যক্তিৰ মাজত বন্ধুত্ব গঢ় ল'ব পাৰে এনে নহয়। এটা কণমানি আৰু এজন বৃদ্ধৰ মাজতো বন্ধুত্ব হ'ব পাৰে।

বন্ধুত্ব এটা মধুৰ সম্পৰ্ক। এই সম্পৰ্কক সহজে হেৰাই যাবলৈ দিয়া উচিত নহয়। ভালেই হওক বা বেয়াই হওক প্ৰতিটো কথাই বন্ধুত্বৰ আগত ব্যক্ত কৰিব লাগে অন্যথা অবিশ্বাসৰ পাত্ৰ হোৱাৰ স্থল থাকে।

"Friendship is like a glass
When broken
It is not repaired again."❐❐

# ফৰকাটিং মহাবিদ্যালয়ত পাৰ কৰা সেউজীয়া হাঁহিবোৰ....

✍ **বৰ্ণালী শইকীয়া**
প্ৰাক্তন ছাত্ৰী

**ফ**ৰকাটিং মহাবিদ্যালয় পাঁচটা বছৰত হোৱা অভিজ্ঞতা, উপলব্ধি, অনুভূতিয়ে আজি দুটা বছৰ পাৰ হোৱাৰ পিছতো মোক আলোড়িত কৰি থাকে। প্ৰত্যেক মানুহৰ জীৱনলৈ কিছু বিশেষ সময় আহে, যিখিনি জীৱনৰ আন এটা সময়ত থিয় হৈ হে 'মূল্যৱান বুলি উপলব্ধি কৰিব পাৰি। জীৱনৰ আটাইতকৈ মূল্যৱান আৰু সেণসেৰীয়া দিনকেইটা হৈছে কলেজীয়া জীৱনটো। য'ত জ্ঞানৰ মুকুতা বুতলাৰ সময়, প্ৰজ্ঞানৰ সাধনা কৰা হয়, নাথাকে কোনো ক্লান্ত, দুঃচিন্তা, লগৰীয়াৰ সতে হাঁহি ধেমালিৰে কথা পাতি যেন আপোনভোলা হৈ পৰোঁ।

সময়ে গতি সলায়। যাক কোনেও ৰুধিব নোৱাৰে। ময়ো মোৰ জীৱনৰ আটাইতকৈ মূল্যৱান আৰু সোণালী সময়খিনি চিৰদিনলৈ সময়ৰ গতিৰ লগত সলাব লগা হ'ল। তথাপিও এবাৰো নোচোৱাকৈ পাৰি জানো হেৰুৱাৰ অতীতৰ সেউজীয়া হাঁহিবোৰ। মহাবিদ্যালয়ত পাৰ কৰা প্ৰতিটো দিন প্ৰতিটো ক্ষণৰ স্মৃতিয়ে আজিও বাৰে বাৰে মনৰ মাজত ডোলা দিয়েহি, ভাঁহি উঠে বহুৰঙী ডুখুৰীয়া ছবি।

স্কুলীয়া জীৱনৰ অন্ত পেলায় এসাগৰ সপোন, এবুকু আশা, পোৱা নোপোৱাৰ দোমোজা মনৰ মাজত বান্ধি ২০১৪ বৰ্ষৰ জুলাই মাহৰ কোনোবা এটা বাৰত ফৰকাটিং মহাবিদ্যালয়ৰ চৌহদত উচ্চতৰ মাধ্যমিক কলা শাখাৰ প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে প্ৰথম খোজ পেলাইছিলো।

উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক প্ৰথম যান্মাষিকৰ অসমীয়া বিভাগত নামভৰ্ত্তি কৰিলো। ক্লাছ আৰম্ভৰ প্ৰথমদিনাই বিভাগীয় কোঠাত কাজল সনা চকুজুৰী, জপিয়াই জপিয়াই খোজ কঢ়া বান্ধৱীজনীক লগ পাইছিলো। যাৰ কথা কৈ অন্ত নহয়, দুই এখিলা উকা কাগজৰ কেইটিমান নীলা আখৰৰ মাজত সীমাবদ্ধ কৰাটো সম্ভৱ নহয়; আমি ইমানেই ঘনিষ্ঠ আছিলো যে মোৰ নামেৰে তাইক মহাবিদ্যালয়খনত বহুতে মাতিছিল আৰু তাইৰ নামেৰে মোক। আমাৰ কোনজনী কি নাম সকলো ওতল-পাতল কৰিছিল, সেইজনী যমজ বান্ধৱী আছিল বৰ্ষা। আজিও মনত পৰে সিঁহতকেইজনীলৈ যাক ক্লাছ গৈয়ে নেদেখিলে মন নবহিছিল, যাক এদিন লগ নাপালেই এটা বছৰ যেন অনুভৱ হৈছিল। যোনে মোৰ সতে সুখ-দুখৰ সমভাগী হৈছিল নিতু, আৰফিন, জয়শ্ৰী।

দিনবোৰ মাহৰ বুকুত, মাহবোৰ বছৰৰ বুকুত বিলীন হোৱাৰ লগে লগে মহাবিদ্যালয়ৰ বিশেষকৈ বিভাগীয় প্ৰতিজন ছাৰ-বাইদেউৰ সৈতে অতি ঘনিষ্ঠ ভাৱে পৰিচিত হৈ পৰিলো। মই সঁচাকৈ সৌভাগ্যৱতী

ফৰকাটিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ছাত্ৰী হৈ পঢ়িবলৈ পোৱাতো। আমাৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে পাঠদানত কোনোদিন ত্ৰুটি কৰা নাই। তেওঁলোকৰ উদাৰতা, মহানতা আৰু জ্ঞানৰ গভীৰতা দেখি আমি বিস্মৃত হৈ নোৱাৰো। তেওঁলোকে আমাক পাঠ্যপুথি জ্ঞানৰ লগতে জীৱনৰ বাবে প্ৰয়োজনীয় কথাবোৰ সুন্দৰকৈ বুজাই দিছিল আৰু সেই হেতু কাৰণেই আমি মহাবিদ্যালয়ত থকাৰ সময়ছোৱাতো পিতৃ-মাতৃ, আইতাকৰ দৰে সান্নিধ্য পাইছিলো। ফৰকাটিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দৰে খুব কম বিভাগ ওলাব য'ত শিক্ষাগুৰুৱে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক বুলি চিনাকী দিয়ে।

তেওঁলোকে আমাক সময়ৰ সতে খোজ মিলাবলৈ শিকালে। পাঠ্যপুথিৰ জ্ঞানৰ লগতে শৃংখলাবদ্ধতা, ভাতৃত্ববোধ, ধৈৰ্য্য, একাগ্ৰতা আদিৰ দৰে জীৱনৰ বহুমূলীয়া জ্ঞান দিছিল। তাতোকৈ ডাঙৰ কথা আমাৰ মাজত সুপ্ত প্ৰতিভা জাগ্ৰত কৰিবলৈ উৎসাহ দিছিল। বিভাগৰ হাতেলিখা আলোচনী 'বৰ্ণিল', প্ৰাচীৰ প্ৰত্ৰিকা 'অংকুৰক' তথা সৃজন আৰু মনন'ৰ দৰে বৰ্ণিল অনুষ্ঠানৰ অংশীদাৰ হ'বলৈ পায় মই সঁচাই গৌৰাৱান্বিত। 'সৃজন আৰু মনন'ৰ দৰে এই বৰ্ণিল অনুষ্ঠানে ছাত্ৰ-ছাত্ৰীক বাহিৰা কিতাপ আদি পঢ়িবলৈ উৎসাহিত কৰি তোলে। পাঠ্যপুথি জ্ঞানৰ বাহিৰে বাহিৰা কিতাপ-পত্ৰ আদি পঢ়িলে কিমান লাভৱান হ'ব পাৰি সেই কথা উপলব্ধি কৰায়।

মহাবিদ্যালয়ত অধ্যয়নৰত অৱস্থাত মই কি কৰিলো কি দিব পাৰিলো নাজানো। শিক্ষাগুৰুসকলৰ যিমান পাৰো বাধ্য হ'বলৈ চেষ্টা কৰিছিলো। এই মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ প্ৰতিজন শিক্ষাগুৰু মোৰ বৰ আপোন আৰু শ্ৰদ্ধাৰ। শিক্ষা জীৱনত 'ৰাজনীতি বিজ্ঞান' বিষয়টো পঢ়িবলৈ খুব বেয়া পাইছিলো। কিন্তু এই বিভাগৰ মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু যতীন মেছৰ ছাৰে ক্লাছ কৰি থকা সময়ত যদি কেতিয়াবা বাৰাণ্ডাই পাৰ হৈ গৈছিলো সেই ঠাইতে থমকি ৰৈছিলো। কেইবাদিনো নিজৰ ক্লাছ থকাৰ স্বত্বেও বৰ্ষা আৰু মই ছাৰৰ ক্লাছ কৰিছিলো। ছাৰে ক্লাছত বুজায় থাকোতে এনে লাগিছিল শ্ৰীকৃষ্ণৰ অমৃত বাণী শুনিছিলো। এপলক হ'লেও মনলৈ ভাৱ আহিছিল 'ৰাজনীতি বিজ্ঞান' বিষয়টো নলৈ কিবা ভুল কৰিলো নেকি? ছাৰে বিষয়ৰ লগত সংগতি ৰাখি বিভিন্ন কথা ইমান সুন্দৰকৈ বুজায় দিছিল। এবাৰত বুজি নোপোৱা বিষয়টো বাৰে বাৰে বুজাই দিবলৈ কুণ্ঠাবোধ নকৰে।

সঁচাকৈ ছাৰ-বাইদেউসকলৰ বন্ধুত্বসুলভ সান্নিধ্যই মোৰ কলেজীয়া জীৱনটো ভৰাই তুলিলে। একেলগ হৈ জীৱনৰ সপোন ৰচিছিলো, বন্ধুত্ব গঢ়িছিলো, এখন সমাজ পাতিছিলো। মোক জ্ঞানৰ পোহৰ দেখুৱাওঁতা, প্ৰকৃত মানুহ হ'বলৈ শিকোৱা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। ভগৱানে যেন মোৰ পৰম পূজনীয় শিক্ষাগুৰুসকলক প্ৰাণোময় স্বাস্থ্য প্ৰদান কৰে জ্ঞান বিলাই যাবলৈ, জগত পোহৰাবলৈ।

আমাৰ মাজৰ সম্পৰ্কবোৰ ক্ৰমান্বয়ে আপোনাৰ পৰা আপোনতৰ হৈ উঠিছিলহে মাথোন, এনেতেই হাত বাউলি দিলে বিদায়ৰ ক্ষণে। সময়ে কাৰো বাবে অপেক্ষা নকৰে বুলি জানিও এনে লাগিছিল যেন ইয়াতেই স্থবিৰ হৈ যাওক ঘড়ীৰ কাটাডাল। ছাৰ-বাইদেউ তথা বন্ধু-বান্ধৱীসকলৰ অকৃত্ৰিম আন্তৰিকতাৰ সান্নিধ্যত পাৰ কৰা পাঁচোটা চিৰসেউজী বসন্তৰ কথা মোৰ স্মৃতিৰ মণিকোঠাত এজাক সুখানুভূতিৰ পখিলা হৈ উৰি ফুলে আজিও। অকলশৰীয়া হ'লেই মেৰিয়াই ধৰে স্মৃতিৰ উমাল সান্নিধ্যই। ফৰকাটিং মহাবিদ্যালয়ে তথা অসমীয়া বিভাগে মোক বহুত দিলে নিস্বাৰ্থভাৱে। এই মহাবিদ্যালয় গঢ়ি দিয়া জীৱনৰ ভেটিত ভৰ দি মই নিৰ্ভয়ে আগুৱাই যাবলৈ সক্ষম হৈছো।

অনাগত দিনবোৰত ফৰকাটিং মহাবিদ্যালয় সকলো দিশৰ পৰাই উজ্জ্বলি উঠক, 'নান্দনিক' 'বৰ্ণিল', 'অংকুৰক', 'সন্ধান' তথা মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগীয় আলোচনীসমূহ দীৰ্ঘজীৱি হওক। 'সৃজন আৰু মনন'ৰ অনুষ্ঠানটি ৰামধেনুৰ সাতো ৰঙেৰে ৰঙীন হৈ পৰক চিৰদিনলৈ।

সঁচাকৈ, মহাবিদ্যালয়ত পাৰ কৰা সেই সোণালী দিনবোৰৰ স্মৃতিয়ে মোক বাৰুকৈয়ে জুৰুলা কৰেহি। পুনৰ উভতাই পাবলৈ মন যায় সোণসেৰীয়া, মধুময় কলেজীয়া জীৱনটো। সময়ৰ বুকুত সকলো বিলীন হৈ পৰে। মাথো হৃদয়ৰ মণিকোঠাৰ মাজত আবদ্ধ হৈ ৰৈ যায় স্মৃতিৰ দৰে। সুদীৰ্ঘ পাঁচোটা বছৰত হাঁহি, কান্দোন, প্ৰেম বন্ধুত্বৰ এখিলা এখিলা সৰাপাত পৰি আছে এই মহাবিদ্যালয়ৰ অলিয়ে-গলিয়ে। সময়ৰ এজাক যৌৱনৰ অলিখিত ইতিহাস। কাল অতিক্ৰমী সদায় সি স্মৰণীয় হৈ ৰৈ যায়। সেয়ে, সময়ৰ সুগন্ধ, অভিজ্ঞতা আৰু জীৱনৰ শিক্ষাৰ দাপোনখন লৈ ফৰকাটিং মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি হোৱাৰ কামনাৰে—

'জয়তু ফৰকাটিং মহাবিদ্যালয়।'❑❑





# Tourism Industry of Assam, It's potential & Future

✍**Inudevi Nath**

Now- a days, tourisim is considered as an important industry which has vast scope for the generation of the world's fostest growing industries a major source of foreign exchange earner of a nation.

Assam is best known for her unique natural beauty with very rich bio-diversity, historical monuments, pilgrim center, tra-gardens and it's colourful cultural festivals. All these are perfect ingredient to make Assam one of the best destination of the tourist but it is still miles to go to exploit the potentialities fairly, if not extensively. This is mainly due to various reasons ranging form natural and geographical to negligence of government.

Of the tourisim sector in Assam, natural park Sanctuamies, river, lakes, warm water springs, forests, wild life are the principal components of attraction in the state. The whole tourism potentaialities of the state can be grouped together under the catagories–

(a) Wildlife & Nature tourism
(b) Tea Tourism
(c) Eco Tourism
(d) Cultural Tourism
(e) Pilgrim Tourism
(f) Adventure Tourism

(a) Wild life & Natire tourism in Assam :

Assam's dense forests, snow-clad Himalaya Blue hills, crystal clear streams, majestic waterfalls and it's coloureful wildlife, including many exclusive species

Assam is famous as the home of so many endagered species like one horned Raino, hollock gibbon, the stamp tailed macaque, the capped langur, the golden cat etc.

All these can make Assam as one of the best destination of the the tourists. There are national Parks and numerous wildlife and bird sanctuaries for protection and presenvation of wildlife in the state.

(b) Tea tourism :

Tea is integral part of Assam's economy. It is the langest single industrial Dector in the state. Infact Assam alones produces more than 50% of the country's total tea production.

These sulush green tea garden in Assam is a teasure house of exotic beauty of nature with colourful people and their enchanting songs and dances, sprawling bungalows, and residential facilities.

These facilities can form into an attractive package for tourism and it's potential can be explored.

(c) Eco tourism :

A novel kind of tourism developed around the idea of travelling to places of natural beauty, moving around and staying with the places pf nature for a couple of days. It has the twin objectives of conserving environment and improving the welfare of the local people.

Assam has immense scope for eco-tourismm, due to it's green forests, blue hills, enchanting rivers, Decnic natural beauty and flavounable climatic conditions.

(d) Cultural tourism :

Assam has diverse ethnic groups with a host of cultural heritage. Each of these tribes pross possesses some unique features in its socio-cultural life indluding customs, religions belief, language, culture, way-of-life, festivals, food habits, songs and dances which are different form others.

The state's tourism department also organizes various cultural festivals like Tea festival, River festivals, Rongali festival, dihing patkai festival and Elephant festival can be considered to develop state's tourism.

(e) Pilgrim tourism :

Assam has many ancient temples and shrines including kamakhya temple, Ambubachi mela, Borpeta Vaishnava monastry, Batadrowa, Birth place of Sri Sankardeva, Majuli the center of vaishnava culture. Surya pahar pua Mocca.

These places have potential to attract a lange number of religious tourists.

(f) Adventure tourism :

The pristine hill, diffcult terrains, valleys, and forest, high current rivers etc offers. ideal opportunities to the adventure lovers to go for advanture sports activities like- rock-climbing, trekking, para-sailing water sports, river rafting and angling etc.

An annual angling competition held at Bhalukpung potasali side every year in Nov. in which Indian and foreign tourist participate.

Tourist Hotspots

For the purpose of toursim there are wildlife reserves like the Kaziranga national park, Manas national park, Pobitora wild life sanctuary. Nameri national park, Dibru Saikhowa national park etc.

Guwahati :

One of the wey undan centres of Assam & the biggest city of North-East India. There are many tourist spots of Guwahati are Kamakhya temple, River cruise on the river Brahmaputra, Sankardeva kalakhetra, Umananda temple, Assam state zoo, Chandubi etc. Also ancient temple gopeswar Mandir stuated in the village Deudur.

Majuli :

The largest freshwater island in South Asia, it's famous for vaishnavite satras such as kamalabari satra, Dakhinpat Satra, Garamurh Satra, Auniati Satra, Bengenaati Satra and Samuguri Satra.

Sivasagar :

Sivasagar was the seat of the Ahom kingdom. It is surrounded by many ancient monuments of Ahom Area. These are Rong ghar, Tolatak ghar, Sivadol, Kareng ghar etc. Also panidihing bird sanctury, the adobe of more then 250 species of birds.

Hajo

Hajo is an ancient pilgrimage centre for their religious Hindusim, Islam and Buddhism. Also there are other places

like Jatinga, Sonitpur, Haflong, Tinisukia, Dibrugarh etc. This all places hold a unique peculiority.

Challenges to the developmet of Tourism in Assam

*Absence of a well formulated Tourism policy :- Assam has a policy on tourism prepared Nov 1987. But these steps did not bring forth any concrete redult. Still the state has not any proper tourism policy.

*Restricted Area permit : The RAP to the North-East region was enforced in 1955, under which, a foreigner intending to visit North-East including Assam had to undergo a long arduous procedure of obtaining penmission form the Home ministry. The ghost of RAP still continuous to createfalse apprechenssion in the mind of the foreign tourists.

*Insurgency :

The problem of insungency has become the stumbling block in every development strategy of the state and hampred all the development work.

* Lack of Basic Infrastructure : To promote tourism and attract tourists dissemination of information, infrastructural facilities and reliable communication network, availability of water sports equipment etc. one needed.

* Lack of willingness :-

Lack of willingness of authorities form vorious department and authorities.

Promotional Measure and the future :

Over the years, both the central and state govt of Assam had identified and executed several large, medium & minor tourism projects for infrastructure building as well as schemes for marketing and promotion of Assam Tourism. These include infrastructure projects like-

(a) Development of tourism circuits tourism complex
(b) Upgrading and expansion of tourist facilities
(c) Development of Pilgrim Centres
(d) Water Sports
(e) Also appointed a bolloywood celebrity face as brand ambassadan for Assam tourism to promote in other state and country
(f) New tourism policy, affective from Jan 2018 for next five years.
for next five years.

These has been significant progress in most of the project during the last few years. Which have had a major impect on promotion of tourism in the state of Assam Once all the infrastucture project are completed, these will go a long way in promoting Assam Tourism Neverthless, for sustainable growth of tourism in Assam, large investment for infrastructure development is called for.

This can be possible if all the stakholder, including Govt of Assam and the private sector comes forwarded for investment considering the potential & groth of Assam Tourism.❐❐

(Source From Goggle)

# Gross Enrolment Ratio and India

✍Partha Protim Hati Boruah
B.A. 3rd sem.

In a developing country like India, Education is a way which inceneases the propensity for better employment opportunities. not only education makes a smart, informed population, but it boosts economic growth and increases the GOP of a country. It allows people to live a healthy and quality lifestule with a high standand of living.

United Nations Educational, Scientific and cultural organisation has given the definition of Gross Enrolment, Ratio as the number of syudents enrolled in a given level of education, regandless of age, expnessed as a percentage of the official school age population corresponding to the same level of education. For the tentiary level, the population used is the 5 year age group starting from the official secondary school graduction age. It has calculated by divide the number of students enrolled in a given level of education regardless of age by the population of the age group which officially corresponds to the given level of education, and multiply the result by 100.

A high GER generally indicales a high degree of participation, whe then the pupils belong to the official age group on not. A GER value approaching on excecding 100% indieates that a ourtny is, in principle, but it doesnot indicate the propontion already ennolled. The achievement of a GER of 100% is therefore a necessary but not sufficient condition for errolling all eligible children in school. When the GER excceds 90% for a particular level of education, the aggregate number of places for students is approaching the number requined for universal aeccss of the official age group.

The main purpose of GER is to show the general level of participation in a given level of education. It indicates the capacity of the education system to enrol students of a particular age group. It can also be a complementary indication to Net Enorolment Rate (NER) by indicating the extent of over aged and under aged enrolment. In fact, there are some limtations of GER also. GER can exceed 100% due to the inclusion of over aged and under aged students because of early n late entrants, and grade repctition. In this case a rigonous interpretation to assess extent of repetition, late entrants, etc.

The Government of India announced New Educational Policy 2020 on July 29, 2020. This apprehensive education policy proposes ground breaking changes in the fundamental framework of education at various levels in the country, and replaces the year 1986. The new policy targets a 100% Gross Enrollment Ration in school education in next 10 years (by the year 2030) as the council GER is 27%. The policy also aims at increasing the higher education GER to 50% by 2035. As per the All INdia Sunrey on Higher Education Report (2018-19), the GER in the country is 26.3 percent, 3which ealculated for the 18-23 age group. For men it is 23.3%, for women 26.4%, for Scheduled casts 23% and Scheduled tribles 17.2%, However, the growth is very slow as it was 24.3% in 2014-15 and in creased to 20.3% in 2018-19 marking a growth of 2% duning the free year peniod. The GER is highest in Tamil Nadu and lowest in Bihar.❒❒

## মুখামুখি



# অলিম্পিক, অৰ্জুন, ধ্যানচাঁদ খেলৰত্ন বঁটা প্ৰাপ্ত লাভলীনা বুঢ়াগোহাঁই

❑পোন প্ৰথমে আপোনাক ফৰকাটিং মহাবিদ্যালয়ৰ প্ৰতিজন সদস্য হৈ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন যাচিছোঁ। প্ৰথম অসমীয়া অলিম্পিক বিজেতা হিচাপে যে ১২৫ বছৰীয়া ইতিহাস সলনি কৰি পেলালে, আপোনাৰ অনুভৱ কেনেকুৱা?

**উত্তৰ ঃ** বহুতেই বেছি ভাল লাগিছিল যিহেতু মই এনেদৰে একো ভবা নাছিলো প্ৰথম হ'ম, দ্বিতীয় হ'ম মোৰ মাত্ৰ এটাই লক্ষ্য আছিল অলিম্পিক খেলা, বিজয়ী হোৱা তাৰ পিছত কি হ'ব মই একো ভবা নাছিলো, এতিয়া অসমবাসী ৰাইজৰ ইমান মৰম ইমান আদৰ পাই খুবেই বেছি ভাল অনুভৱ হৈছে। অসমৰ হৈ মই নাম উজ্জ্বলাব পাৰিছো এইটো যথেষ্ট ভাল অনুভৱ মোৰ কাৰণে, ইয়াৰ পৰা মই আৰু বেছি উৎসাহ পাঁও, অসমৰ ৰাইজে মোক ইমান বেছি মৰম দিছে এই মৰম আদৰবোৰ কেনেদৰে ধৰি ৰাখিব পাৰোঁ আৰু আগলৈয়ো এনেদৰে মৰম পাই থাকিব পাৰোঁ।

❑অলিম্পকত অংশ গ্ৰহণৰ পৰ্য্যায়লৈ নিজক যোগ্য কৰি তোলাৰ পৰিকল্পনা একেবাৰে সৰুৰ পৰাই আছেনে? এই ক্ষেত্ৰত আপোনাক কোনে প্ৰথমে উৎসাহ যোগাইছিল?

**উত্তৰ ঃ** সৰুৰ পৰা বুলি ক'বলৈ গ'লে মই যেতিয়াৰ পৰা বক্সিং আৰম্ভ কৰিছিলোঁ। তেতিয়াৰ পৰাই মই ২০১২ চনৰ পৰা বিক্সং আৰম্ভ কৰিছিলোঁ। মোৰ দেউতাৰ সপোন আছিল অলিম্পিকত যোৱা, তেওঁৰে মোক কৈছিল অলিম্পকৰ বিষয়ে তাৰ পিছৰে পৰা মোৰ লক্ষ্য আছিল অলিম্পক যোৱা, মই তাৰ বাবে নিয়মীয়াকৈ অলিম্পিকৰ বাবে প্ৰশিক্ষণ কৰিছিলোঁ।

❑আপোনাৰ এই সাফল্যতাৰ আঁৰত কিমান বছৰৰ আঁৰৰ সাধনা লুকাই আছে? কিমান সময় অনুশীলন কৰিছিল প্ৰতিদিনে আমাৰ পাঠকে নিশ্চয় জানিব বিচাৰিব?

**উত্তৰ ঃ** ২০১২ ৰ পৰা প্ৰায় ৯ বছৰে হ'ব হ'ল তেতিয়াৰ পৰাই মই অলপো বিৰতি নোলোৱাকৈ এতিয়ালৈকে প্ৰশিক্ষণ লৈ আছোঁ, অলিম্পিকৰ পাছতেই মই মাত্ৰ একমাহ প্ৰশিক্ষণ লোৱা নাই, মই প্ৰতিদিনে চাৰি ঘণ্টাকৈ প্ৰশিক্ষণ কৰি আহিছোঁ; মাত্ৰ দেওবাৰটো মোৰ বিৰতি বাৰ।

❑অলিম্পিকত অংশগ্ৰহণৰ বাবে নিৰ্বাচিত হওঁতে সেইদিনা আপোনাৰ ঘৰখনত বা আপোনাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল?

**উত্তৰ ঃ** মই নিৰ্বাচিত হোৱাৰ পিছত ইমান বেছি একো প্ৰতিক্ৰিয়া দেখুৱা নাছিলো কাৰণ নিৰ্বাচিত হোৱাৰ পিছতো মই জানিছিলোঁ মোৰ আৰু খেল বাকী ৰৈ গৈছে। যেতিয়া মই ৰুমত গৈ ঘৰলৈ

ফোন কৰিছিলোঁ থাইলেগুত থকাৰ বাবে ঘৰৰ লগত সংযোগ ৰখাত মোৰ অলপ অসুবিধা হৈছিল, ঘৰৰ মানুহবোৰে যেতিয়া কান্দিছল, তেতিয়া মোৰ চকুপানী ওলাইছিল।

❐অসমখনৰে কথা কওঁ! প্ৰায় ৩ কোটি মানুহৰ ৰাজ্যখনত পাৰদৰ্শিতাৰ যথেষ্ট সংখ্যক সম্ভাৱনা আছে তাৰোপৰি প্ৰেক্ষিতত মাত্ৰ একেবাৰে সামান্য অংশৰ প্ৰতিযোগী বা খেললুৱৈয়েহে সুবিধা লাভ কৰাৰ আঁৰৰ কাৰণ আপুনি কি বুলি ভাবে?

**উত্তৰ ঃ** মই ভাবোঁ যে অসমৰ বিভিন্ন কোণৰ পৰা বহুতো ল'ৰা-ছোৱালী ওলাই আহিছে যদিও ইমান সুবিধা নাই আমাৰ অসমত আৰু এটা কথা হয় সুবিধা দিয়াৰ পাছতো সুবিধা ল'ব জনা বা প্ৰশিক্ষণ দিব জনা মানুহ নাই অসমত প্ৰশিক্ষকৰ সংখ্যা যথেষ্ট কম, যদিহে প্ৰসিক্ষকৰ সংখ্যা বঢ়োৱা হয় বা তেনেকুৱা ধৰণৰ শিক্ষাৰ যোগান ধৰা হয় সৰু সৰু গাঁওবোৰত একোজনকৈ প্ৰশিক্ষকক পঠোৱা হয় তেনেহ'লে আগ্ৰহীসকল ওলাই আহিব পাৰিব। মই ভাবোঁ এনেধৰণে কৰিলে এই সমস্যাৰ সমাধান উলাব।

❐যিদিনা এখন ৰাজ্যৰ, এখন দেশৰ প্ৰতিনিধি হিচাপে "টকিঅ" অলিম্পিকৰ প্ৰথমখন খেলত অংশগ্ৰহণ কৰিছিল, তাৰ আগ মুহূৰ্তত আপোনাৰ কেনে অনুভৱ হৈছিল? ভয় বা শংকা অলপ হ'লেও লাগিছিল নে?

**উত্তৰ ঃ** নাই নাই ভয় শংকা একো নাছিল, মই কৈছোঁৰে যে সৰুৰে পৰা মোৰ এটাই লক্ষ্য আছিল অলিম্পিকত যোৱা, অলিম্পিকত গৈ মই ভাবিছিলো আজি মই ভয় কৰিলে নহ'ব আজি মোৰ দিন, এই দিনটো মই ঘূৰাই নাপাওঁ আজিয়েই প্ৰমাণ কৰি দেখুৱাব লাগিব।

❐আপোনাৰ কেৰিয়াৰৰ এইয়া একেবাৰে প্ৰথম অৱস্থাতে ইমান বিৰাট ডাঙৰ সাফল্য লাভ কৰিছে। এতিয়াও সম্পূৰ্ণ কেৰিয়াৰ বাকী আছে। ইয়াৰ বাবে পৰিকল্পনা বা প্ৰস্তুতি কি ধৰণৰ? আমাক অলপ জনাব নেকি?

**উত্তৰ ঃ** মোৰ সপোন অলিম্পিকৰ সোণৰ পদত সপোন এতিয়াও পূৰণ হোৱা নাই আৰু এতিয়া মোৰ লক্ষ্য এটাই ২০২৪ চনৰ অলিম্পিকত সোণৰ পদক অনাৰ মোৰ আৰু দুটামান সপোন আছে অসমৰ ল'ৰা-ছোৱালীবোৰক কেনেদৰে আগবঢ়াই নিব পাৰোঁ তাৰ বাবে আৰু তেওঁলোকক যাতে অলিম্পিকলৈ সাজু কৰি তুলিব পাৰোঁ।

❐আপোনালৈ সমগ্ৰ দেশবাশীয়ে ২০২২ ৰ অলিম্পিকত আশাৰে বাট চাই ৰ'ব। দেশবাসীৰ বাবে কিবা ক'ব খুজিব নে?

**উত্তৰ ঃ** মই কৈছোঁৰে যে মোৰ সপোন পূৰ হোৱা নাই আৰু সকলোৰে আশাতো কৰিছেই আশাতকৈ ওপৰত মোৰ সপোন পূৰণ কৰাতোৰেই মোৰ লক্ষ্য। কষ্ট কৰিব লাগিব কিয়নো সোণৰ পদকতো সহজতে নাপাই মই প্ৰথমৰ পৰা আকৌ আৰম্ভ কৰিব লাগিব।

❐আপোনাৰ এই সাফল্যত প্ৰেৰণা পাই বিভিন্ন অঞ্চলৰ পৰা একোজনী নতুন লাভলীনাৰ সৃষ্টি হ'ব।তেওঁলোকৰ বাবে কি ক'ব খুজিব?

**উত্তৰ ঃ** তেওঁলোকক মই এটাই ক'ব বিচাৰিম নিজৰ লক্ষ্য নিধাৰিত কৰিব লাগিব আৰু সেই লক্ষ্যতে অটল হ'ব লাগিব, লক্ষ্য পূৰণ কৰিব পাওঁতে বিভিন্ন ধৰণৰ সমস্যা আহিব সেই সমস্যা দেখি ভাগি পৰিব নালাগিব ধৈৰ্য্য ধৰিব লাগিব কাৰণ কোনো বস্তুৰে সহজতে পোৱা নাযায়। চেষ্টা কৰি যাওঁক সকলোৰে নিশ্চিয় সফল হ'ব।❐❐

# বিশ্বৰ অলৌকিক ব্ৰহ্মকমল

✍ড° অমৰেন্দ্ৰ নাথ দত্ত
অৱসৰপ্ৰাপ্ত অধ্যাপক
দেৰৰাজ ৰয় মহাবিদ্যালয়

**আগকথা ঃ** **হি**ন্দু ধৰ্মৰ পৌৰাণিক আখ্যানৰ চিত্ৰত ভগৱান বিষ্ণুকে ধৰি ঈশ্বৰ আৰু প্ৰায় দেৱদেৱীয়ে পদুম ফুলৰ আসনত বহি বা ঠিয় হৈ অথবা হাতত লৈ থকাৰ বিভিন্ন ভংগীমা পৰিলক্ষিত হয়। ভগৱান বিষ্ণুৰ নাভিৰ পৰা ওলোৱা এই পদুম ফুলত বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা ব্ৰহ্মাৰ সৃষ্টি হৈছিল। জলজ উদ্ভিদ পদুম ফুলৰ আৱাস স্থল বিল, পুখুৰী, জলাহ আদি আদ্ৰভূমি। জীৱবিজ্ঞানত ইয়াৰ নাম *Nelumbo nucifera Gaertn*। মানৱ জাতিৰ ইতিহাসত পদুম ফুল পৱিত্ৰতা, উৰ্বৰতা, সুখ-সমৃদ্ধি, প্ৰাচুৰ্য আৰু ঐশ্বৰিক গুণৰ প্ৰতীক। ভগৱান বিষ্ণুক কমল নয়না বা কমল লোচন বুলি কয় চকু যোৰ পদুম ফুলৰ দৰে ধুনীয়া হোৱাত। পদুম ফুলৰ পৰাই ব্ৰহ্মাৰ উৎপত্তি হৈ আৱিৰ্ভাৱ হৈছিল কাৰণে পদুম ফুল সৃষ্টিৰ প্ৰতীক হিচাপে ধৰা যায়। গৌতম বুদ্ধই পদুম ফুলৰ আসনতে বহি ধ্যান মগ্ন হৈ দিব্যজ্ঞান লাভ কৰিছিল। পদুম ফুলৰ পাহি ঘোৰ খোৱা নহয় বাবে আত্মাৰ প্ৰসাৰণ হোৱা বুজাই। চীনা সকলৰ মতে পদুম গছ বোকাত গজে আৰু বিকাশ হয় যদিও গছ আৰু ফুলত কোনো চেকা নাথাকে কাৰণে পৱিত্ৰতাৰ প্ৰতীক বুলি ভাবে। চীন আৰু জাপানত ধৰ্মীয় আৰু সামাজিক অনুস্থানত পদুম ফুল ব্যৱহাৰ কৰাত অগ্ৰাধিকাৰ দিয়ে। ইজিপ্তৰ প্ৰাচীৰৰ চিত্ৰকলাত ৰংবোলোৱা সজীৱ পদুম গছ-ফুলৰ চিত্ৰ অতি আদৰৰ। কীৰ্তনত উল্লেখিত গজেন্দ্ৰ-উপাখ্যানত ক্ষীৰ সাগৰৰ মাজত ত্ৰিকুট পৰ্বতৰ সৰোবৰত গজেন্দ্ৰই নিৰ্ম্মল জল পান কৰি জলকেলি কৰি থাকোতে গ্ৰাহে কৰা প্ৰাণ সংশয়ৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ গজেন্দ্ৰই শুঁড়েৰে সৰোবৰৰ পদুম ফুল এপাহ মেৰিয়াই লৈ শুঁড় ওপৰলৈ তুলি হৰিক তুতি কৰে আৰু ভগৱান শ্ৰীকৃষ্ণ সন্তোষ্ট হৈ গৰুড় পক্ষীত আহি গজেন্দ্ৰক গ্ৰাহৰ আক্ৰমণৰ পৰা ৰক্ষা কৰে।

শুণ্ডে মেহ্লাই পদ্মগোট ওপৰক তুলি।
গজেন্দ্ৰ শৰণ লৈল ত্ৰাহি হৰি বুলি।।

*কীৰ্তন- গজেন্দ্ৰ-উপাখ্যান*

হাৰিয়ানা, কৰ্ণাটক আৰু কাশ্মীৰৰ ৰাজ্যিক ফুল পদুম। ভাৰতবৰ্ষ আৰু ভিয়েটনামৰ ৰাষ্ট্ৰীয় ফুল পদুম। ইজিপ্তৰ ৰাষ্ট্ৰীয় ফুল ইজিপ্তত থকা পদুম। ভাৰতবৰ্ষৰ ৰাজনীতিত ৰাষ্ট্ৰখনক সেৱা কৰাৰ অন্যতম দল ভাৰতীয় জনতা দলৰ চিহ্ন পদুম ফুল।

কেকটাছ গোত্ৰৰ ফুল ব্ৰহ্মকমল পৱিত্ৰ পদুম ফুলৰ লগত সাদৃশ্য থকাৰ কাৰণে ব্ৰহ্মকমল নামেৰে বিশ্বত খ্যাত। এই উদ্ভিদৰ বৈজ্ঞানিক নাম *Epiphyllum oxypetalum (DC) Hawthorn*, ইংৰাজীত এই উদ্ভিদৰ নাম - *Night Queen, Queen of the Night, Princes of the Night, Lady of the Night, Night Blooming Cereus, Orchid Cactus, Vanilla Cactus, Dutchman's Pipe Cactus, Bethlehem* ইত্যাদি।

ব্ৰহ্মকমল ফুলক হিমালয় পৰ্বতমালাৰ ফুলৰ ৰজা বুলিও কোৱা হয়। কানাড়াত ব্ৰহ্মকমলৰ থলুৱা নাম ইৰালোডেভাৰ, নিশা পদ্ম, মালয়ালামত নিশাগন্ধী, মাৰাঠীত নিশাৰাণী, তামিল আৰু টেলেগুত ব্ৰহ্মকমল, পাঞ্জাৱত ৰাত কি চাচ্ছি, মিজুত বেথলেহেমপাৰ, শ্ৰীলংকাত কাডোপুল, আফ্ৰিকাত নাগব্লম, জাৰ্মানি সকলে কোনিগিন ডাৰ নাচ্‌ট, ভেনিজুৱেলাত ফ্লৰ ডি বেইলি, চীন দেশত টেনহুৱা, ইন্দোনেছিয়াত বিজয় কুসুমা, ভেনিজুৱেলাত ফ্লৰ ডি বেইলি, ভিয়েটনামিজ সকলে ডা গুইন, মালয়ছিয়াত বাংগাবাকৱালি, ফ্ৰান্স আৰু স্পেইনত ৰেইনা ডি লা নচে। হিমালয় পৰ্বতৰ উচ্চতা (৩০০০-৪৫০০ মিঃ) ত পোৱা এবিধ ব্ৰহ্মকমল আছে যাৰ বৈজ্ঞানিক নাম Saussurea obvallata আৰু গোত্ৰ Asteraceae.

**প্ৰাপ্তিস্থান ঃ** ধৰণীখনত ব্ৰহ্মকমল উদ্ভিদ ভাৰতবৰ্ষ, শ্ৰীলংকা, উত্তৰ, মধ্য আৰু দক্ষিণ আমেৰিকা, টেক্সাছ, মেক্সিকো, কালিফৰ্ণিয়া, ফ্লৰিদা, কিউবা, ব্ৰাজিল, আফ্ৰিকা, ভেনিজুৱেলা, ইজিপ্ত, জেৰুজালেম, বেথলেহেম, ইউনাইটেড আৰব এমিৰেট্‌ছ, গেলেপগে দ্বীপ, ইৰাণ, ইৰাক, জৰ্দান, কোৱেট, এলজেৰিয়া, এছিয়া, চীন, জাপান, জাৰ্মেনি, ফ্ৰান্স, স্পেইন, মালয়ছিয়া আদি ঠাই ব্ৰহ্মকমলৰ আৱাসস্থল। ৰাছিয়াৰ ছেইন্ট পেটাৰবাৰ্গ উদ্ভিদ উদ্যান, জাভাৰ বাগিছা আৰু অষ্ট্ৰেলিয়াৰ জীৱন্ত যাদুঘৰত ব্ৰহ্মকমল সযত্নৰে পালন কৰি ৰাখিছে।

**ব্ৰহ্মকমলৰ বৰ্গীকৰণ ঃ** ধৰিত্ৰীখন অগণন উদ্ভিদ আৰু প্ৰাণীৰ বাসভূমি। বৰ্গীকৰণ পদ্ধতিত উদ্ভিদ বা প্ৰাণীক এনেভাৱে ভাগ কৰা হয় যাতে থিতাতে উদ্ভিদ জোপা বা প্ৰাণীটোৰ উৎপত্তি, গঠন, শৰীৰ বিজ্ঞান আৰু পাৰস্পৰিক সম্পৰ্ক সুস্পষ্টভাৱে ধাৰণা কৰিব পাৰি। ইংৰাজ উদ্ভিদ বিজ্ঞানী জৰ্জ বেনথাম আৰু জোচেফ দলটন হুকাৰে প্ৰকাশ কৰা বৰ্গীকৰণ অনুসৰি ব্ৰহ্মকমল উদ্ভিদৰ উদ্ভিদ জগতত স্থান হ'ল -

ৰাজ্য ------ উদ্ভিদ জগত
উপৰাজ্য ------ সপুস্পক
শ্ৰেণী ------ দ্বিবীজপত্ৰী
উপশ্ৰেণী ------ পলিপিটেলাছ (দল বা পাহিৰ সংখ্যা বেছি আৰু বিযুক্ত)
বৰ্গ------ কেৰিয়ফাইলেল্‌ছ (ৰসাল উদ্ভিদ)
গোত্ৰ ------ কেকটেছিয়া (মৰুজ উদ্ভিদৰ লক্ষণ)
গন------ এপিফাইলাম (কাণ্ড বহল আৰু পাতৰ দৰে)
প্ৰজাতি ------ অক্সিপিটেলাম (নিশাই ফুল ফুলি মৰহে, পাহিবিলাক জোঙা)

এপিফাইলাম গনৰ অন্তৰ্গত প্ৰায় পোন্ধৰটা প্ৰজাতি পোৱা যায়।

**ব্ৰহ্মকমল উদ্ভিদৰ বিশেষত্ব ঃ** এ, পি, ডি, কেণ্ডলে ১৮২৮ চনত ব্ৰহ্মকমল উদ্ভিদক আৱিস্কাৰ কৰিছিল। এইবিধ কেকটাছ এক সপুষ্পক বহুবৰ্ষী জোপোহা উদ্ভিদ। আমাৰ ধৰণীখনত সপুষ্পক উদ্ভিদ জগতৰ সৰ্ববৃহৎ গোষ্ঠী। ইয়াৰ গোত্ৰৰ সংখ্যা ৩০০০, গণৰ সংখ্যা ৪০০০ আৰু প্ৰজাতিৰ সংখ্যা প্ৰায় দুই লাখ। কেকটাছ গোত্ৰত ১৩১ টা বৰ্গ আৰু প্ৰায় ১৮৬৬ টা প্ৰজাতি (ষ্টিভেনছ্, ২০১৯) আৰু গণ এপিফাইলামত পোন্ধৰটা প্ৰজাতি অন্তৰ্ভুক্ত (ব্ৰেড আৰু এৰিয়া, ২০১১)। এই প্ৰজাতি বিলাক উত্তৰ, দক্ষিণ আৰু মধ্য আমেৰিকাত পায়। ব্ৰহ্মকমল উদ্ভিদ দেখাত পাতৰ পৰা পাত ওলোৱা যেন লাগিলেও প্ৰকৃততে কাণ্ডৰ শাখা-প্ৰশাখাহে। গছজোপাত পাত নাথাকে। পাতৰ আকৃতিৰ কাণ্ডবোৰ পৰ্দাৰ দৰে ওলমি থকা। কাণ্ডবোৰ নিমজ, সেউজীয়া, চেপেটা, ডাঠ আৰু ৰসাল। চেপেটা কাণ্ডবোৰ ডাঠ আৰু বহলে প্ৰায় এঘাৰ ছেঃ মিঃ। কাণ্ডবিলাকৰ মাজত গোটা সিৰা থাকে। কেকটাছ গোত্ৰৰ যদিও ব্ৰহ্মকমলৰ দেহত কাঁইট নাথাকে। পত্ৰৰন্ধ্ৰ বিলাক কাণ্ডৰ দেহত সোমাই থাকে। পাত নথকাৰ কাৰণে পত্ৰৰন্ধ্ৰৰ সংখ্যা কমি যোৱাত বাষ্পীভৱন প্ৰক্ৰিয়া ৰোধ কৰি দেহত পানী সঞ্চয় কৰি ৰাখে। চেপেটা কাণ্ডবিলাকৰ কাষটো টৌৰ দৰে আৰু দন্তিল। প্ৰধান কাণ্ডৰ গুৰিৰ ফালে ঘূৰণীয়া আৰু গোটা। সেউজীয়া কাণ্ডবোৰে পাতৰ দৰে সালোক-সংশ্লেষণ পদ্ধতিৰ দ্বাৰা আহাৰ সৃষ্টি কৰে। প্ৰধান কাণ্ডৰ উচ্চতা আঠ ফুট মানলৈকে হয়। এই প্ৰজাতি কেকটাছৰ দ্বিগুণীয়া ক্ৰ'ম'জমৰ সংখ্যা ২২ ডাল (Tel.Zur et al, 2011)। পৰাশ্ৰয়ী ব্ৰহ্মকমল

মেক্সিক’ আৰু দক্ষিণ আমেৰিকাৰ বৰ্ষাৰণ্যত পোৱা যায়। অন্য গছত আশ্ৰয় লয় নিজক মাত্ৰ ধৰি ৰাখিবৰ কাৰণে। কিন্তু পৰজীৱি নহয়। মই লৰালি কালৰ পৰা এই উদ্ভিদ প্ৰজাতিক গ্ৰাম্যাঞ্চলৰ মানুহৰ পিৰালিৰ কাষত ৰোপন কৰা দেখিছো আৰু নিজে ৰুই প্ৰতিপালন কৰি আহিছো। এই উদ্ভিদ জোপা মাটিৰ বা প্লাষ্টিকৰ টাবত ৰুই পালন কৰা কোনো কোনোৰ ঘৰত দেখা পাওঁ।

**ফুলৰ বৈশিষ্ট্য ঃ** সপুষ্পক উদ্ভিদৰ সকলোতকৈ আকৰ্ষণীয় অংগ হ’ল ফুল বা পুষ্প। আচলতে ফুল হ’ল ৰূপান্তৰিত কাণ্ড আৰু প্ৰজনন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰা ইয়াৰ প্ৰধান কাম। প্ৰজনন ক্ৰিয়াৰ মাধ্যমত ফুলৰ পৰা ফল আৰু বীজৰ উৎপত্তি হয়। পুষ্পাক্ষত সজ্জিত হৈ থকা চক্ৰ বিলাক যেনে সহপত্ৰ, বৃত্তি বা বেতু, দলমণ্ডল, পুংস্তৱক, স্ত্ৰীস্তৱক আদি অংগসমূহে প্ৰজননৰ বেলিকা ভিন ভিন কাম সম্পাদন কৰে।

ব্ৰহ্মকমল এক বৈশিষ্ট্যপূৰ্ণ ফুল। চেপেটা কাণ্ডৰ কাষৰ ভি (V) আকৃতিৰ কোনৰ পৰা জেঠৰ পৰা শাওন মাহলৈকে মুকুলৰ উদয় হয়। জোখ-মাখ বিলাক ফুট, ইঞ্চি, ছেণ্টিমিটাৰ (ছে.মি.) আৰু মিলিমিটাৰ (মি.মি.) ত দেখুওৱা হৈছে। পুষ্প মুকুলবিলাক গদা আকৃতিৰ আৰু মুগা ৰঙৰ। এসপ্তাহত দীঘলে প্ৰায় পঁছিচ মি.মি. হয়। মুকুলটো বৃদ্ধি আৰু বিকাশ হৈ পূৰ্ণ প্ৰস্ফুটিত হ’বলৈ একৈশ - বাইশ দিন সময় লাগে। মুকুলৰ সহপত্ৰিকা, শৃঙ্খলাবদ্ধভাৱে থাকি দলমণ্ডল, পুংস্তৱক আৰু স্ত্ৰীস্তৱক অংগ সমূহক শীত, তাপ, বৰষুণৰ পৰা ৰক্ষা পাবলৈ প্ৰায় পঞ্চাচটা সহপত্ৰিকাই কলিটোক আৱৰি ৰাখে। পুৰঠ মুকুলৰ স্ফীত অংশৰ পৰিধিৰ জোখ প্ৰায় চৈধ্য ছে.মি. আৰু প্ৰস্ফুটিত ফুল পাহ দীঘলে ৩২ ছে.মি.। ঠেক সহপত্ৰিকা বিলাকৰ প্ৰস্থ প্ৰায় তিনি মি.মি., দীঘলে ১-৯ ছে.মি. আৰু তলৰ ফালে মাখন ৰঙৰ। ফুল ফুলাৰ সময়ত প্ৰথমে সহপত্ৰিকা আৰু দলমণ্ডলৰ বহিঃচক্ৰৰ পাহিবিলাক মেল খায়। দলমণ্ডলৰ পাহিবোৰ পৰস্পৰ পৃথক। শিঙা আকৃতিৰ ফুল পাহত ২৬ টা বলম আকৃতিৰ পাহি অৱিলেপন ভাৱে চক্ৰাকাৰত সজ্জিত হৈ থাকে। বহিঃচক্ৰৰ পাহি বিলাক সকলো পাহিতকৈ দীঘল। পাতল পাহি বিলাক মমৰ দৰে পদাৰ্থৰে নিমজকৈ পালিচ কৰা আৰু চিকচিকিয়া বগা। পাহি বিলাকৰ প্ৰস্থ প্ৰায় আঢ়ৈ ছে.মি. আৰু দীঘলে সাত ছে.মি. পুংস্তৱকত পুংকেশৰৰ সংখ্যা প্ৰায় ১৬০ আৰু মুক্ত অংশৰ দীঘ প্ৰায় সাত ছে.মি.। পাতল হালধীয়া পৰাগধানী বিলাক চাৰি মি.মি. দীঘল আৰু এক মি.মি. বহল। পুংকেশৰৰ নিম্ন অংশ পাহিৰ লগত সংলগ্ন। তিনি মি.মি. ব্যাসৰ স্ত্ৰীস্তৱক শুভ্ৰ লাহি নলী এডালৰ দৰে আৰু দীঘলে প্ৰায় একত্ৰিছ ছে.মি.। গৰ্ভাশিয় দীঘলীয়া। গৰ্ভমূণ্ড পোন্ধৰতা শাখাত টৌৰ দৰে বিভক্ত আৰু দেখাত তৰাৰ দৰে। মুকুলটো ফুলিবলৈ আৰম্ভ কৰাৰ পৰা পূৰ্ণ প্ৰস্ফুটিত হ’বলৈ প্ৰায় তিনি ঘণ্টা সময় লাগে। ফুলত সামান্য পৰিমানে অন্য ৰং মিশ্ৰিত হোৱা কাৰণে ফুলৰ সৌন্দৰ্য বৃদ্ধি পায়। পূৰ্ণ প্ৰস্ফুটিত ফুল পাহৰ ব্যাস প্ৰায় আঠ ইঞ্চি। গছ জোপাৰ বৈশিষ্ট্য এয়ে যে বছেৰেকৰ মূৰত জেঠ, আহাৰ আৰু শাওন মাহত নিশা প্ৰায় সাত বজাত পূৰঠ মুকুল ফুলিবলৈ আৰম্ভ কৰি দহমান বজাত পূৰ্ণ প্ৰস্ফুটিত হৈ চাৰি ঘণ্টা মান সময় থাকি প্ৰায় দুটা বজাত জঁই পৰিবলৈ আৰম্ভ কৰি প্ৰত্যুষতে মৰহি ওলমি পৰে। গভীৰ নিশা জোনৰ পোহৰত অকলশৰীয়াকৈ তৰাৰ টৌৰ দৰে নিৰ্গত হোৱা ৰশ্মীৰ অপৰূপ শুভ্ৰ আৰু তীব্ৰ সুগন্ধৰ কোমল মহিমামণ্ডিত ফুল পাহত ঐশ্বৰিক শক্তি তথা আত্মা নিহিত হৈ থকা যেন লাগে। ফুলৰ তীব্ৰ সুবাস প্ৰায় চল্লিছ ফুট মানলৈকে বিয়পি পৰে আৰু সকলোৰে মন প্ৰফুল্লিত কৰে। ফুলৰ সুবাস *Benzyl Salicylate* আৰু *Methyl linoleate* ৰ নিচিনা।

শ্ৰীলংকাত ব্ৰহ্মকমলক কাডোপুল অৰ্থাৎ স্বৰ্গৰ ফুল বুলি ভাৱে আৰু বিশ্বাস কৰে যে ব্ৰহ্মকমল ফুলি থাকোতে ঈশ্বৰক প্ৰাৰ্থনা কৰিলে মনোবাঞ্ছা পূৰণ হয়। আমেৰিকাৰ কোনো লোকৰ বাগিছাত ব্ৰহ্মকমল ফুল ফুলাৰ নিশা বন্ধু বান্ধৱক নিমন্ত্ৰণ কৰি সমবেত হয় আৰু ফুল পাহত সুৰা ঢালি ইয়াৰ অনন্য সৌন্দৰ্য উপভোগ কৰে। দক্ষিণ পূব এছিয়াৰ লোকে ফুল ফুলি থকা গছজোপা ব্ৰহ্মাই বসতি কৰা বুলি বিশ্বাস কৰে আৰু ফুলি থাকোতে প্ৰাৰ্থনা কৰিলে মনৰ কামনা পূৰণ হয় বুলি ভাৱে। জাপানৰ বাসিন্দাই এই ফুলক ‘গেক্কা বিজিন’ অৰ্থাৎ জোনৰ তলৰ সৌন্দৰ্য বুলি আখ্যা দিয়ে। এই ফুল বছেৰেকৰ মূৰত নিশা ক্ষন্তেক সময়ৰ বাবে উজ্জ্বল পোহৰ নিৰ্গত কৰাত চীন দেশৰ মানুহে ইয়াক ‘জলক কাঁহি’ আখ্যা দিয়ে আৰু গুণানুকীৰ্তন কৰি সন্তোষ প্ৰকাশ কৰে। মনোবাঞ্ছা পূৰণ হ’বলৈ ছিকিমৰ বাসিন্দাই বৌদ্ধ মন্দিৰত এই ফুল অৰ্পণ কৰে। নগা সমাজৰ লোকে বিশ্বাস কৰে যে ব্ৰহ্মকমল ফুল ফুলিলে স্বৰ্গগামী সকলে পৱিত্ৰ পৰ্বত শ্ৰীপদলৈ আহি বৌদ্ধ মন্দিৰত এই ফুল উচ্ছৰ্গা কৰে। হিন্দু ধৰ্মৰ মতে এই ফুল উপহাৰ হিচাপে দিব পাৰি কিন্তু বেচা-কিনা কৰা অনুচিত। ঘৰত এই ফুল ফুলিলে সৌভাগ্যবান বুলি ভৰা হয়

আৰু গছজোপাই সমৃদ্ধি আনে বুলি বিশ্বাস। ব্ৰহ্মকমল ফুলক খৃষ্ট ধৰ্মৰ লোকে বেথলেহেম বোলে। যীশু খৃষ্টৰ জন্মৰ লগত বেথলেহেম ফুল জড়িত। যীশুখৃষ্টৰ পৱিত্ৰ জন্মস্থান বেথলেহেম। খৃষ্টীয়ান সমাজত বেথলেহেম ফুলক স্বৰ্গীয় আৰু পৱিত্ৰতাৰ প্ৰতীক বুলি ভাবে। যীশুখৃষ্ট জন্মৰ বেলিকা আকাশত দেখা উজ্জ্বল তৰাৰ ঢৌৰ দৰে নিৰ্গত হোৱা ৰশ্মিৰ প্ৰতীক প্ৰস্ফুটিত ব্ৰহ্মকমল ফুলৰ মধ্যস্থানত দেখা পায়। গভীৰ নিশাৰ আন্ধাৰত জোনৰ পোহৰত তৰাৰ দৰে জিলিকি থকা পূৰ্ণ প্ৰস্ফুটিত শুভ্ৰ, তীব্ৰ সুগন্ধৰ ফুল পাহত এঞ্জেল আহি ফুলপাহৰ ভিতৰত স্থিতি লয় আৰু প্ৰস্ফুটিত ফুল পাহৰ ভিতৰত ঘোলনীৰ আকৃতিৰ পুংস্তৱক আৰু পাহি বিলাকে আৰৰি সুশোভিত কৰা বিচনাখন যীশুখৃষ্ট জন্মৰ প্ৰতীক দেখা পায় আৰু যীশুখৃষ্ট জন্ম হোৱাৰ কথা এঞ্জেলে ঘোষণা কৰি ক্ষন্তেক সময়ৰ পাছতে অন্তৰ্ধান হয়। প্ৰস্ফুটিত ফুলপাহ অলপ সময়ৰ পাছতে জঁই পৰে আৰু যীশুখৃষ্ট জন্মৰ ৰূপ ৰহস্য অদৃশ্য হৈ পৰে।

**বনৌষধি গুণ ঃ** উদ্ভিদে মানৰ জাতিকে আৰম্ভ কৰি প্ৰাণীজগতৰ নিম্ন স্তৰৰ পৰা উচ্চ স্তৰৰ সকলো প্ৰাণীকে পৰম উপকাৰ সাধি আহিছে। ব্ৰহ্মকমল উদ্ভিদ প্ৰজাতিত ৰোগ নাশক, ৰোগ প্ৰতিৰোধক শক্তি আৰু পুষ্টিকৰ উপাদান নিৰ্হিত হৈ আছে। যৌন সংক্ৰমিত ৰোগ অথবা মূত্ৰ জনন তন্ত্ৰ বীজাণুৰ দ্বাৰা সংক্ৰমিত হ'লে ব্ৰহ্মকমল কাণ্ডৰ ৰস গ্ৰহণ কৰিলে ৰোগ নিৰাময় হয়। তিবেটৰ বাসিন্দাই মূত্ৰজনন তন্ত্ৰত কোনো বিকাৰ ঘটিলে ইয়াৰ কাণ্ডৰ ৰস ব্যৱহাৰ কৰি ৰোগ প্ৰতিৰোধ কৰে। এই উদ্ভিদৰ কাণ্ডত কিছুমান সক্ৰিয় উপাদান আছে যি বেকটেৰিয়া আৰু ভেকুৰৰ বৃদ্ধি ৰোধ কৰিব পাৰে। জ্বৰ, কাঁহ হ'লে ইয়াৰ কাণ্ড আৰু কন্দ সেৱন কৰিলে ৰোগৰ উপসম ঘটে। হাত,ভৰি, মুখত পানী জলা হ'লে ব্ৰহ্মকমলৰ ৰস প্ৰয়োগে সুফলতা প্ৰদান কৰে। চৰ্ম ৰঙা পৰা, খজুৱতি, ওখহা, কাটিলে, আঘাট পালে বা ফোঁৰা হ'লে কাণ্ডৰ ৰস ব্যৱহাৰ কৰিলে যন্ত্ৰনা দূৰ হয়। ভিয়েটনামবাসীয়ে ফুল পাহ মৰহি যোৱাৰ পাছত চুৰুহা বনাই যৌন শক্তি বৃদ্ধিৰ টনিক হিচাপে ব্যৱহাৰ কৰে। হৃদৰোগত ইয়াৰ কাণ্ডৰ ৰস সেৱন কৰিলে সুফল পোৱা যায়। এই উদ্ভিদৰ ৰস গ্ৰহণ কৰিলে অসংক্ৰাম্য বা ইমিউন তন্ত্ৰ সবল হয়। মধুমেহ ৰোগত এই উদ্ভিদৰ কাণ্ড সেৱন কৰিলে ৰোগৰ সাম কাটে। শিশুৰ চৰ্মৰ সতেজতা আনিবলৈ ব্ৰহ্মকমলৰ কাণ্ড আৰু কন্দ মলম হিচাপে ব্যৱহাৰ কৰা হয়। বয়সস্থলোকৰ ছালৰ বাৰ্দ্ধকতা বাধা দিয়ে আৰু কলেষ্টেৰল কমাবৰ কাৰণে এই উদ্ভিদৰ ৰস সেৱন কৰিলে সুফল পোৱা যায়। কোনো মহিলাৰ মাহেকীয়া ঋতুৰ সময়ত উদৰৰ বিষ হোৱা ক্ষেত্ৰত ব্ৰহ্মকমলৰ ৰস সেৱন কৰিলে বিষৰ উপসম ঘটে। আমেৰিকাবাসীৰ কোনোৰ বাতবিষ ৰোগ হ'লে এই উদ্ভিদৰ ৰস সেৱন কৰি উপকৃত হয়। মধ্য প্ৰাচ্য দেশ পশ্চিম এছিয়া, উত্তৰ পূৰ্ব আফ্ৰিকা, আমেৰিকা, ইউনাইটেড আৰব এমিৰেট্‌ছ, ইজিপ্ত, ইৰাণ, ইৰাক, জৰ্দাণ, কুৱেট, এলজেৰিয়া, পেলেষ্টাইন, কুৱেট, চৌডি আৰব, ডুবাই আদি দেশৰ আশী শতাংশ লোকে পৰম্পৰাগতভাৱে বিভিন্ন ৰোগৰ চিকিৎসাত ব্ৰহ্মকমল উদ্ভিদ ব্যৱহাৰ কৰে।

**প্ৰজনন ঃ** স্বাভাৱিকতে ব্ৰহ্মকমলৰ ফল ধৰি বীজৰ পৰা বংশ বিস্তাৰ হোৱা দেখা নাযায়। ব্ৰহ্মকমল ফুল স্ব-বন্ধ্যা। এই ফুল উভয়লিংগীয় যদিও একেপাহ ফুলৰ গৰ্ভশিয়ত স্বপৰাগযোগ ঘটি গৰ্ভাধান সম্পাদন নহয়। বাহ্যিক প্ৰতিবন্ধকতাৰ বাবে এই ফুলত স্বপৰাগযোগ নঘটে। সেয়েহে ইতৰ পৰাগযোগ অপৰিহাৰ্য। ইতৰ পৰাগযোগ দুজোপা বেলেগ গছৰ ফুলৰ মাজত সম্ভৱ। মেক্সিকো আৰু মধ্য আমেৰিকাত এই ফুল বছৰৰ আটাইকেইটা মাহতে ফুলে (Bravo আৰু Arian, 2011)। ফলৰ আকৃতি ডালিমৰ কলিটোৰ দৰে। বীজ বিলাক আকাৰত সৰু আৰু ক'লা ৰঙৰ। বিশ্বত এই প্ৰজাতি উদ্ভিদৰ সংখ্যা কম। চুইজাৰলেণ্ডত অৱস্থিত প্ৰকৃতি আৰু প্ৰাকৃতিক সম্পদ সংৰক্ষণকাৰী আন্তৰ্জাতিক সংস্থাৰ জৰীপ অনুসৰি ৰসাল কেকটাছ বিলাকৰ স্থিতি সংকটজনক।

এইবিধ উদ্ভিদৰ অংগজ প্ৰজনন সহজে হয়। ব্ৰহ্মকমলৰ গছৰ পাঁচ ইঞ্চি মানৰ কাণ্ড এটুকুৰা কাটি সৰু পাত্ৰ এটাত দুই ইঞ্চি মান পানীত তিয়াই ৰাখিলে প্ৰায় তিনি সপ্তাহৰ পাছত তাৰ পৰা অস্থানিক শিপা ওলায়। শিপা ওলোৱা কাণ্ডৰ টুকুৰাটো এটা টাবত মাটি ভৰাই সৰুকৈ খল এটা খানি তাত শিপা ওলোৱা অংশটো পুতি ৰাখিলে কাণ্ডৰ কাষৰ পৰা প্ৰজনন কণ্ডিকা ওলাই ক্ৰমে বৃদ্ধি হৈ এবছৰৰ ভিতৰত ফুল ফুলে। পাঁচ ইঞ্চি দীঘল কাণ্ড এটুকুৰা কাটি পোনপটিয়াকৈ মাটিত বা এফুটমান ওখ টাৱত ৰুলেও বৃদ্ধি হয়। বছৰটোৰ সকলো সময়তে অংগজ প্ৰজনন কৰিব পৰা যায়। পৰোক্ষ সূৰ্য্যৰ ৰশ্মি ব্ৰহ্মকমল উদ্ভিদ প্ৰজাতিৰ কাৰণে অনুকূল পৰিৱেশ। শিল-বালি মিশ্ৰিত বৰষুণৰ পানী জমা হৈ নথকা সাৰুৱা মাটিত অথবা মাটি বা প্লাষ্টিকৰ আহল-বহল

তাবত ইয়াৰ বৃদ্ধি সবল হয়। পুৱাৰ ভাগত দুই তিনি ঘণ্টা মাথো সূৰ্য্যৰ ৰশ্মি পৰা ঠাইত মাটিত বা টাবত ৰুলে বৃদ্ধি সবল হৈ উঠে আৰু এবছৰৰ ভিতৰতে আলৌকিক ব্ৰহ্মকমলৰ ৰূপ ৰহস্য উপভোগ কৰাৰ সৌভাগ্য আছে।

প্ৰকৃতিৰ অপৰূপ সৃষ্টিৰ
আদি অন্ত নাই।
প্ৰভুৰ মহিমা ভাবিলে সঁচাই
হিয়া শাঁত পৰি যায়।।❐❐

**সহায় লোৱা পুথি, প্ৰবন্ধসূচী ঃ**


* Anderson, E. F. 2001. The Cactus family, Timber Press, Portland, Oregon, USA.
* Epiphyllum oxypetalum. International Journal of Pharmaceutical Sciences Vol.Suppl.5, 421-425.
* George Bentham and Joseph Delton Hooker. Genera Plantarium. L Reeve & Co., London.
* Indo American Journal of Pharmaceutical Sciences (accessed 2020 March 6, 4 (10), 2017.DOI; 10.5281/ Zeno do 1036005.
* R.S. Upendra, Pratima Khandewal, 2021. International Journal of Pharmacy and Phamaceutical Sciences. Vol. 4, Suppl.5
* Shakti, M. Gupta, 1971. Plant Myths and Tradition in India, Netherland Brill Publishers.
* Internet.



**প্ৰবন্ধটিৰ লেখক ঃ**
ড° অমৰেন্দ্ৰ নাথ দত্ত
অৱসৰপ্ৰাপ্ত অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ,
দেৱৰাজ ৰয় মহাবিদ্যালয়, গোলাঘাট
জ্যেষ্ঠ প্ৰৱক্তা, ৰিলায়েন্স কণিষ্ঠ মহাবিদ্যালয়, গোলাঘাট

**ঠিকনা ঃ** পুৰণা আমোলাপট্টি, ৱাৰ্ড নং ১২
মুক্তা দুৱৰা পথ,
ডাক / জিলা / থানা ঃ গোলাঘাট,
পিন - ৭৮৫৬২১, অসম।
ফোন নং ঃ ৯১০১৬০৬৫৮৪
Email. : dr.amardutta@gmail.com



ব্ৰহ্মকমল


মুকুলৰ উদয় ------- প্ৰথম দিন


একৈছ দিনত এটা পুৰঠ মুকুল


মুকুলটো প্ৰস্ফুটিত হোৱাৰ আৰম্ভনি নিশা প্ৰায় সাত বজাত


পূৰ্ণ প্ৰস্ফুটিত ব্ৰহ্মকমল নিশা দহ বজা


বিচ্ছেদিত ব্ৰহ্মকমলত পুংস্তৱক আৰু স্ত্ৰীস্তৱক



# চুটিগল্প ঃ অস্তিত্ব ঃ এটি বিষাদ গাঁথা

✍তৰুণ শইকীয়া
সহযোগী অধ্যাপক

**জ**নপ্ৰাণীহীন এখন চহৰ.. বহল ৰাজপথটোত চলা নাই এখনো যানবাহন। ৰাজপথটোৰ কাষৰ ফুটপাথৰ সিপাৰেই দোকান-পোহাৰবোৰ। দোকান-পোহাৰবোৰতো নাই কোনো জনসমাগম। আনকি চেলচমেন, মেনেজাৰ আদিও নাই। চৰাই-চিৰিকতি নাইবা কোনো যান্ত্ৰিক শব্দও কেনিও নাই... চৌপাশে বিৰাজ কৰিছে এক অদ্ভুত মৃত্যুশীতল নিস্তব্ধতা। ৰেৱতীয়ে অফিচৰ পৰা এলায়েই চিনাকি চহৰখনৰ অচিনাকি পৰিবেশৰ মাজেৰে ঘৰলৈ খৰখোজ দিলে। এই আচহুৱা পৰিৱেশৰ কাৰণ নিৰ্ণয় কৰিবলৈ চেষ্টা কৰি গৈ থাকোতেই ৰেৱতী সন্মুখীন হ'ল আন এক আচহুৱা পৰিস্থিতিৰ।

ফুটপাথৰ কাষতে থকা ফাৰ্ণিচাৰৰ এটা বিশাল শ্ব-ৰূম। শ্ব-ৰূমৰ বিশাল আইনাখনৰ সিপাৰে এটা প্ৰকাণ্ড একুৰিয়ামৰ দৰে কাচৰ বাকচত কোনোবা এজন মানুহ বন্দী হৈ আছে। মানুহজনে আপ্ৰাণ চেষ্টা চলাইছে বাকচটোৰ পৰা ওলাবলৈ...ৰেৱতীয়ে আচৰিত হৈ গ্লাছখনৰ কাষ চাপি জুমি চাওঁতেই হতবাক হৈ পৰিল। সেইটোচোন ৰাম.. সিও ৰেৱতীক দেখা পাইছিল আৰু আকাৰে ইংগিতেৰে তাক মুকলি কৰিবলৈ কাতৰ আহ্বান জনালে। ৰেৱতীৰ হৃদয়খনে হাঁহাকাৰ কৰি উঠিল। একপ্ৰকাৰ দৌৰি গৈ দুৱাৰখনৰ ওচৰ পাওঁতেই বাকচটো হথাতে কোনোবাই চোচৰাই টানি নিলে আৰু লাহে লাহে এন্ধাৰত অদৃশ্য হৈ পৰিল। ৰেৱতীয়ে আপ্ৰাণ চেষ্টা কৰিও মুখেৰে এযাৰো মাত উলিয়াব নোৱাৰিলে...

...ডাইনিংৰূমত ঘড়-ঘড়কৈ চকী এখন টানি লোৱাৰ শব্দত টোপনি ভাগি গ'ল ৰেৱতী চৌধুৰীৰ... ধেৎতেৰিকা কিবোৰ যে সপোন দেখে তেওঁ... গধূলিৰে পৰা কিমান সময় শুলে বাৰু তেওঁ? ওচৰৰ শিৱমন্দিৰটোৰ পৰা সান্ধ্যআৰতিৰ ধ্বনি ভাঁহি আহিছিল। এই সময়তে ৰাম... তেওঁৰ একমাত্ৰ পুত্ৰ ৰামানুজ ওভটে। আজি ৰাম আহি ঘৰ সোমোৱা গমেই নাপালে তেওঁ। এটা প্ৰাইভেট কোম্পানীত চাকৰি কৰে ৰামে। ওভটোতে সদায়েই দেৰি। আহিয়েই সি তৎ নাইকীয়া কৰিব মাকক...

"মা সোনকালে খাবলৈ দিয়া মোক...এই যে কেন্টিনৰ খোৱাবোৰ... মোৰ যে পেটত হজমেই নহয়..."

ৰেৱতীয়ে সদায়েই তাৰ পচন্দৰ আলু পৰঠা, পিজ্জা আদি বনাই থবলগীয়া হয় তালৈ। আজিও পৰঠা আৰু মটৰ-পনীৰ ৰান্ধি থৈছে তালৈ। ৰেৱতীয়ে ততাতৈয়াকৈ বিচনাখনৰ পৰা নামি শ্লিপাৰযোৰ ভৰিত সোমোৱাই কিট্চেনসংলগ্ন ডাইনিংৰুমলৈ খোজ ল'লে। নাই ডাইনিংৰুমত সি নাই। ৰামৰ ৰুমৰ ফালে চালে তেওঁ... দুৱাৰখন কাণিদুৱৰীকৈ মেলি থোৱা আছে। ৰুমৰ ভিতৰত ক্ষীণ পোহৰৰ আভাস। খুউব কম ভলিউমত মিউজিক চিষ্টেমত গান বাজি থকা যেন লাগিল তেওঁৰ। ৰেৱতীয়ে অনুমান কৰিলে ৰামে নিশ্চয় শ্বাৱাৰ লৈছে, তাৰ ৰুম সংলগ্ন বাথৰুমত।

ৰেৱতীয়ে পাহৰিয়েই গৈছিল... ল'ৰাটো ইমান চাফ-চিকুণ যে ক'ৰবাৰ পৰা আহি ঘৰ সোমালেই প্ৰথমেই গা ধুই লোৱাটো তাৰ পুৰণি অভ্যাস।

ক'ৰবাত তেওঁৰ মোবাইলটো বাজিছে। ৰেৱতীয়ে অনুমান কৰিবলৈ চেষ্টা কৰিলে, ক'ত বাজিছে... অ'হ ড্ৰইংৰুমত...অফিচৰ পৰা আহি ঘৰ সোমায়েই চোফাখনত বেগটো দলিয়াই, ফেনখন চলাই চোফাখনতে আধাঘন্টামান ভাগৰ মাৰিছিল ৰেৱতীয়ে। বেগটো চোফাখনৰ পৰা আনিবলৈ থাকিয়েই গ'ল। লৰালৰিকৈ বেগটোৰ পৰা মোবাইলটো উলিয়াই ক'লটো ৰিচিভ কৰিলে তেওঁ...

"হেল্ল।"

"হেল্ল মেম।" সিফাল ৰ পৰা হৰিশৰ মাতটো ভাঁহি আহিল। এল.আই.চিৰ এজেন্ট হয় সি।

"কোৱা হৰিশ"

"মেম, মই এতিয়া আপোনাৰ ওচৰলৈ এপাক যাম বুলি ভাবিছিলো। কিন্তু পিছত ভাবিলো... আপুনি চাগে এতিয়া টায়াৰ্ড। সেয়ে কালিলৈ মৰ্ণিঙতে এপাক যাওঁ বুলি ভাবিছোঁ, যদিহে আপোনাৰ অসুবিধা নহয়।" বিনয়েৰে কোৱা হৰিশৰ কথা পেলাব নোৱাৰিলে ৰেৱতীয়ে...

"ঠিক আছে আহিবা" ক্ষন্তেক চিন্তা কৰি তেওঁ ক'লে "চাৰে আঠ বজাত পোৱাকে আহিবা।"

"থেংক য়ু মেম।"

ৰেৱতীয়ে ফোনটো কাটি দি ৰুমৰ ফালে আগবাঢ়িল। বাথৰুমত হাত-মুখ ধুই প্ৰয়াত স্বামী গিৰীশ চৌধুৰীৰ ফটোখনৰ সন্মুখত ধূপ এডাল জ্বলাই সেৱা এটা কৰিলে। ফটোখনৰ কাষতে দহবছৰ আগতে গোৱালৈ যাওঁতে তোলা ফেমিলী ফটোখন। ৰামে তেতিয়া মেট্ৰিক দি উঠিছিলহে। ফটোখন হাতত লৈ আলফুলে চাদৰৰ আচলেৰে মুচি পুনৰ আগৰ স্থানত থৈ দিলে। গোৱাৰ পৰা অহাৰ এমাহৰ পাছতে মাত্ৰ দুদিনৰ জ্বৰতে ৰাম আৰু তাইক অকলশৰীয়া কৰি অচিন ঠাইলৈ আঁতৰি গৈছিল মৰমীয়াল মানুহজন। ফেমিলী ফটোখনৰ কাষতে বন্ধাই থোৱা ৰামৰ লাইফ চাইজ ফটোখন ফ্ৰেমৰ মাজত নাই... ৰেৱতীয়ে ৰামৰ কোঠাৰ দুৱাৰখনৰ ফালে খোজ দিওঁতেই কলিংবেলটো বাজি উঠিল। দুৱাৰখন খুলি দিওঁতেই কাষৰ ফ্লেটৰ বন্দনা সোমাই আহিল। ৰেৱতীৰ মনটো ভাল লাগি গ'ল।

"আহা আহা। বৰ ভাল কৰিলা আহি। ময়েই মাতিম বুলি ভাবিছিলো তোমাক।" ৰেৱতীয়ে ক'লে।

"নাই অ' বাইদেউ মইহে আহিম আহিম বুলিও আহিব পৰা নাই।"

"তাকেহে আহিবা বুলিলেও সময়ৰ যি ধৰাবন্ধা, সময় বুলিবলৈ এইকণহে, ৰাতিপুৱাচোন শুই উঠি লৰাঢপৰা কৰি অফিচলৈ যাওঁতেই সময়কণ পাৰহে যায়।"

"বাইদেউ আপোনাক এটা কথা মই আৰু আমাৰ এওঁ মানে মোৰ হাব্বিয়ে ক'ব খুজিছিলো.. প্লিজ আপুনি যাতে ভুল নুবুজে... যদিও... আছলতে মানে কেনেকৈ কওঁ.. বুজিয়ে পোৱা নাই...।"

"বন্দনা... একো নাই.. কোৱা। নিঃসংকোচে কোৱা...মই বেয়া নাপাওঁ... আচলতে জীৱনত মই ইমানেই আঘাত পাইছোঁ.. বা আঘাত সহ্য কৰিছো যে নতুনকৈ মোক আঘাত কৰিবলৈ একোৱেই নাই..."

"ভুল নুবুজিব বাইদেউ... আছলতে আপুনি অফিচলৈ যোৱাৰ পাছত... যদিও আপুনি লক্ কৰি যায়...বিশ্বাস কৰক আপোনাৰ চুবুৰীয়া হিচাপে কৈছো... আপোনাৰ ফ্লেটত মিউজিক চিষ্টেম বাজে... গিজাৰ অন হয়... কথাবোৰ ঠিক চুবুৰীয়া হিচাপে মই আৰু মোৰ হাব্বিৰ মাজতেই আছে যদিও আনসকলেও লাহে লাহে জানিছে... মোক কালি কলিতানীয়ে সুধিছিল..."

"ধেৎ কি কথা কৈছা এইবোৰ?"

"নহয় বাইদেউ, আপুনি ভুল নুবুজিব। আমি খুউব মনোযোগেৰে পৰীক্ষা কৰিহে আপোনাক কৈছো। হয়তো আমাৰো ভ্ৰম হ'ব পাৰে। কিন্তু কালি কলিতানীয়েও যেতিয়া..."

"আহা বন্দনা আহা।".. ৰেৱতীয়ে হাতত ধৰি বন্দনাক

টানি আনিলে।” চোৱাহি মোৰ এই তিনিটা বেডৰুমৰ ফ্লেটত কি ৰহস্য আছে চাই লোৱাহি...”

ৰেৱতীয়ে বন্দনাক তিনিওটা বেডৰুম আৰু সংলগ্ন বাথৰুম তন্নতন্নকৈ দেওৱাৰ পাছত দুয়োগৰাকী টেবুলৰ চকীত বহিল। ডাইনিং টেবুলৰ কাষৰ ৱালখনত বন্ধাই থোৱা তিনিখন ছবি লাইটৰ পোহৰত জিলিকি উঠিল... গোৱাত উঠা ফেমিলী ফটোখন, গিৰীশ চৌধুৰীৰ ফটোখন আৰু ৰামৰ চাইজৰ ফটোখন... ব্ল জীনচ্ আৰু মেৰুণ কালাৰৰ টি-চাৰ্ট পৰিহিত ৰামৰ হাঁহি থকা ধুনীয়া ছবিখন...

“ছবি বাইদেউ বেয়া নাপাব আকৌ আপুনি... আমাক ভুলো নুবুজিব...”

“নাই নাই ইট্‌চ অকে... চাহ একাপ একাপ খাওঁ দুয়ো। ইয়াতে বহা।”

চাহ খাই বন্দনা যোৱাৰ বহুসময় পাছলৈকে ডাইনিং টেবুলৰ চকীখনতে থমথমকৈ বহি থাকিল ৰেৱতীয়ে। হঠাতে তেওঁৰ মনত পৰিল ৰামেচোন এতিয়ালৈকে পৰঠা আৰু মটৰ পনীৰ খোৱাই নাই। ইচ্ বেচেৰাটো চাগে গান শুনি শুনি টোপনিয়েই গ'লগৈ। মানুহৰ আগত ওলাবলৈ কিয় যে টান পায় আজিৰ জেনেৰেচনৰ ল'ৰাছোৱালীবিলাকে... হামি এটা মাৰি ৰামক মাতিবলৈ তাৰ ৰুমৰ ফালে খোজ ল'লে ৰেৱতীয়ে...

...ৰাতিপুৱাৰ সময়খিনি ৰেৱতীৰ বাবে আটাইতকৈ ব্যস্ততাপূৰ্ণ। গা ধুই চাহকাপ খাই উঠিয়েই ব্ৰেকফাষ্ট বনোৱা, নিজলৈ টিফিন সাজু কৰা...ইত্যাদি এশ এবুৰি কাম। ৰেৱতী অফিচলৈ ওলাই যায় নটাত... ৰাম যায় দহটাত। তালৈ ব্ৰেকফাষ্ট সজাই থৈ গ'লেই হ'ল। সি গা পা ধুই খাই অফিচলৈ ওলাই যায়। লাঞ্চ অফিচৰ কেন্টিনতে কৰে সি... ব্ৰেকফাষ্ট শেষ কৰি ডিচকেইখন ধুবলৈ নিব খুজোঁতেই কলিংবেল বাজি উঠিল। খৰধৰকৈ ৰেৱতীয়ে দুৱাৰ খুলিলেগৈ..

“গুড মৰ্ণিং মেম্” হৰিশ সোমাই আহিল।

“গুড মৰ্ণিং... বহা হৰিশ।” ৰেৱতীয়ে ক'লে।

“মেম মই বেচি সময় নলওঁ আপোনাৰ... ডকুমেন্ট চব ৰেডি কৰি আনিছোঁ। আপুনি মাত্ৰ চাইন কেইটা কৰি দিলেই হ'ব।”

হৰিশেততাতৈয়াকৈ কলা চামৰাৰ বেগটোৰ পৰা ফৰ্মকেইখন উলিয়াই ক'ত ক'ত চহী কৰিব লাগিব দেখুৱাই দিয়াৰ লগে লগে ৰেৱতীয়ে চহী কৰি গ'ল।

ৰেৱতীৰ বেংক পাছবুকৰ দুখিলামান পৃষ্ঠাৰ ফটো মোবাইলত লৈ হৰিশ যাবলৈ ওলাল।

“তিনি-চাৰিদিনৰ ভিতৰতে আপোনাৰ একাউন্টত পইচা সোমাই যাব মেম।”

হৰিশ গ'লগৈ। হুমুনিয়াহ এটা কাঢ়ি, দুৱাৰখন মাৰি ততাতৈয়াকৈ নিজৰ কোঠাৰ ফালে খোজ ল'লে ৰেৱতীয়ে। অফিচলৈ ওলাবৰ সময় হৈছে। কিন্তু নিজৰ কোঠাটোত সোমায়েই তেওঁৰ মনটো এক নুবুজা বিষাদেৰে ভৰি পৰিল। বুকুখন গধুৰ হৈ যোৱা যেন অনুভৱ কৰিলে। যোৱা দুমাহৰ পৰা বুকুৰ মাজত সোমোৱাই ৰখা যন্ত্ৰণাখিনি কান্দোনৰূপে প্ৰথমে উচুপনি হৈ আৰু তাৰ পাছত আৰু তাৰ পাছত পাৰভঙা প্লাৱন হৈ তেওঁৰ বুকুৰ পৰা ওলাই আহিল। বিচনাখনত বাগৰি হাওঁ হাওঁকৈ কান্দিবলৈ ধৰিলে ৰেৱতী চৌধুৰীয়ে। অফিচ যোৱা নহ'ল আৰু তেওঁৰ।

...আজি দুমাহৰ আগতে বন্ধু-বান্ধৱৰ লগত পিকনিক গৈ সাঁতুৰিব নজনা লৰাটোৰ নাৱৰ পৰা পানীত পৰি মৃত্যু হৈছিল। এটা মৃতদেহ হৈ ঘূৰি অহা ৰামৰ অন্তিম সংস্কাৰৰ পৰা প্ৰেতকৰ্মলৈকে সকলোখিনি বুকুত এটা গধুৰ শিল বান্ধি যন্ত্ৰবৎ কৰি গৈছিল ৰেৱতীয়ে। ৰেৱতীৰ মাতৃহৃদয়ে কেতিয়াও স্বীকাৰ কৰি ল'ব পৰা নাছিল যে ৰাম তেওঁৰ পৰা আঁতৰি গৈছে। তেওঁ অনুভৱ কৰি আহিছিল ৰাম জীয়াই আছে... ৰাম জীয়াই আছে তেওঁৰ সত্বাত... তেওঁৰ চেতনাত...মন আৰু মগজুত। সেয়ে তেওঁৰ আশেপাশে মনৰ চেতন আৰু অৱচেতন জগতৰ সীমান্তত অহৰহ অনুভৱ কৰিছিল ৰামৰ অদৃশ্য অস্তিত্ব।

কিন্তু আজি ৰামৰ এল.আই.চিৰ পলিচীকেইখনৰ নমিনী হিচাপে পাবলগীয়া পইচাৰ বাবে ফৰ্মকেইখনত চহী কৰি দিয়াৰ লগে লগে ৰেৱতীয়ে অনুভৱ কৰিলে যে তেওঁৰ চেতনাৰ পৰা ৰামৰ অস্তিত্ব ক্ৰমান্বয়ে নাইকীয়া হ'বলৈ আৰম্ভ কৰিছে। কাৰণ ফৰ্মকেইখনত চহী কৰাৰ লগে লগে তেওঁৰ চেতনাই যেন ৰাম আঁতৰি যোৱাৰ কথা স্বীকাৰ কৰি পেলালে। এক প্ৰচণ্ড একাকীত্ববোধৰ অনুভৱ আৰু পুত্ৰক হেৰুওৱাৰ বেদনাই ৰেৱতীক কেউফালৰ পৰা চেপি খুন্দি আনিলে... বুকুৰ যন্ত্ৰণাবোৰ আগ্নেয়গিৰিৰ দৰে উদ্গীৰণ হৈ লাভাৰূপী চকুপানী হৈ বৈ আহিল তেওঁৰ হৃদয়ৰ পৰা....❐❐



# মৌমন ঃ এটা জীয়া কাহিনী

✍হিমাদ্ৰী বৰা

**এ**খন সমাজৰ এঘৰ নিম্ন মধ্যবিত্তৰ ছোৱালী হৈ জন্ম হোৱা ভাল নে বেয়া সেইটো গম পোৱা নাযায় যেতিয়ালৈকে জীৱন নাট খেলখন আৰম্ভ নহয়। মৌমন এজনী সাধাৰণ ছোৱালী। সাধাৰণ জীৱন এটা কটাব বিচাৰে তাই। তাই অতি সহজ সৰল সেইবাবে তাই সকলোৰে প্ৰিয়। তাই যি হাঁহি সেই হাঁহিত যেন সকলোৱে প্ৰাণ পাই। মৃদু মাতৰ পৰশ পোৱা মৌজনী যেন সঁচাকৈ ইমান ধুনীয়া। তাইৰ কেকুৰা চুলি ডাঙৰ চকু। সুন্দৰ ধুনীয়া মুখখন সঁচাই অপৰূপ। সৰুৰে পৰা তাই খেল ধেমালী সেইবোৰৰ প্ৰতি বেছি আগ্ৰহী। পঢ়াৰ প্ৰতি ইমান ধাউতি নাই। সেইবাবে তাই মাকৰ পৰা বহুত মাৰ আৰু গালি খায়। মৌমন ককাক আইতাৰাৰ বহুত মৰমৰ হয়। ককাক আইতাকৰ মৰমত ডাঙৰ হোৱা এজনী ছোৱালী। মাক আৰু দেউতাকতকৈ বেছি ভাল পায় ককাক আইতাকক। সদায় আইতাকৰ নিচুকণি গীত আৰু সাধুকথা শুনি শুনি টোপনি যায়। কিমান যে মৰমৰ তাই। সদায় আইতাকৰ নিচুকনি গীত আৰু সাধুকথা শুনাৰ পাছত এজাক দুপালপিতা বৰষুণ আহে আৰু সেই বৰষুণৰ আমেজ লৈ তাই মতলীয়া হৈ পৰে।

লাহে লাহে তাই ডাঙৰ হ'ল। এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ যেনে তেনে পাছ কৰিবলৈ ল'লে। মাকৰ চিন্তা হয় তাইক লৈ। কাৰণ তাই স্কুলৰ পৰা অহাৰ পাছত ভাত পানী খাই লগৰবোৰৰ লগত খেলিবলৈ যায় আৰু সন্ধিয়া আহি ভৰি হাত ধুই অলপমান কিতাপ পঢ়ি ককাক আৰু আইতাকৰ লগত ভাত খাই সোনকালে শুই যায়। মাকৰ সেইকাৰণে বেছি চিন্তা হয় যে তাই এনেকৈ থাকিলে পঢ়াত একেবাৰে বেয়া হৈ যাব। তাইক কিবা এটা কৰি আইতাকৰ লগত শুবলৈ লোৱাটো এৰুৱাব লাগিব বুলি মাকে ভাবিলে। তাই ভাললগা সকলো কাম কৰিলে কিন্তু মাক বাৰে বাৰে বিফল হ'ল। তাই ভাললগা বস্তু আনি দিয়ে মৰম কৰে। বুজাইও বহুত কথা। তাই বুজি পায়। হ'লেও তাই আইতাকৰ মৰমৰ পৰা আঁতৰি আহিব নোখোজে। আইতাকে দিয়া মৰমৰ নিচিনা মৰম আজিলৈকে তাইক কোনেও দিব পৰা নাই।

মাকৰ বহু কষ্টৰ ফলত তাই যেনে তেনে মাধ্যমিক বিদ্যালয় পাছ কৰি উচ্চ মাধ্যমিক স্কুললৈ যাবৰ হ'ল। ৫ কিঃ মিঃ মান আঁতৰত থকা এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নামভৰ্তী কৰিবৰ কাৰণে ৫০ নম্বৰৰ এটা প্ৰৱেশ পৰীক্ষা দিব লগা হয়। তাই সেইটো পৰীক্ষা দিবৰ বাবে সাজু হ'ল। তাইৰ যিহেতু এজনী বায়েক আৰু এজনী ভনীয়েক আছে আৰু সেই সময়ত তাই প্ৰৱেশ পৰীক্ষা দিয়া বিদ্যালয়খনতে মৌমন বায়েক নৱম মান শ্ৰেণীত অধ্যয়নৰত হৈ আছিল। মৌমনে একো ভয় নকৰাকৈ নিচিন্ত মনে পৰীক্ষা দিলে। যিহেতু একেদিনাই পৰীক্ষাৰ ৰিজাল্ট দিয়ে সেয়ে তাই গোটেই দিনটো বায়েকৰ লগত বিদ্যালয়তে থাকিল। যথাসময়ত বিদ্যালয় চকীদাৰজনে এখন বৰ্ড লৈ উলাই আহিল অফিচৰ সন্মুখলৈ। ল'ৰা ছোৱালীৰ ভিৰ কোনে পাছ কৰিছে কোনে ফেইল কৰিছে চাবলৈ আৰু মৌমন আৰু বায়েকেও তাইৰ ৰোল নম্বৰটো আছেনে নাই বুলি চালে। তাইৰ আগৰ আৰু পাছৰ নম্বৰকেইটা আছে কিন্তু তাইৰটো নাই। বাৰে বাৰে চাইছে নাই দেখা নাই। বায়েকে নেদেখা দেখি কান্দি কান্দি তাইক গালি পাৰিবলৈ আৰম্ভ কৰিলে। বায়েকে তাইৰ লগৰীবোৰৰ আগত লাজ পাইছে যে তাইৰ ভনীয়েকে ফেইল কৰিলে ইমান গাধা বুলি।

স্কুলৰ পৰা ঘৰলৈ আহি বায়েকে সকলোখিনি কথা ঘৰৰ মানুহক ক'লে। মৌমন যে ফেইল কৰিলে বুলি আৰু তাই লাজ পাই ভাত পানী নোখোৱাকৈ অকল কান্দি কান্দি শুই থাকিলে। পাছত ঘৰৰ মানুহৰ বুজনিত তাই বুজি পাই ওচৰৰে এখন ৰাৰৈ বিদ্যালয়ত নামভৰ্ত্তি কৰিলে আৰু তাই দৃঢ় প্ৰতিজ্ঞা কৰিলে যে আগন্তুক মেট্ৰিক পৰীক্ষাত তাই ভালদৰে উত্তীৰ্ণ হৈ সকলোকে দেখুৱাব যে তাই গাধা নাছিল। তাই সেইমতে ভালদৰে পঢ়া শুনা কৰে আৰু সকলোৰে মৰমৰ হৈ পৰিল। সকলোৱে মৌ মৌ বুলি মাতে আৰু তাই খুব ভাল লাগে তেনেকৈ মাতিলে। তাই পঢ়াৰ লগতে সকলোফালে আগৰণুৱা হৈ পৰিল। খেল ধেমালীৰ লগতে কবিতা লিখি ভাল পায় তাই। তেনেকৈ বহুত কষ্ট কৰি সকলো শ্ৰেণীতে ভাল ফলাফল লৈ উত্তীৰ্ণ হ'ল। তাৰ পাছতে আহিল জীৱনৰ প্ৰথমটো গুৰুত্বপূৰ্ণ পৰীক্ষাটো আৰু যিটো লৈ তাইৰ বহুত আপোন। সকলো বিষয় গুৰুত্ব সহকাৰে লৈ পঢ়িবলৈ আৰম্ভ কৰিলে আৰু সেইমতে সময়ত পৰীক্ষাত বহিল মৌমন। ভাল লাগিল তাই গাটো বুলি মানুহে হাঁহিছিল আৰু এতিয়া তাই পৰীক্ষা দিবলৈ ভয় নালাগিছিল। অৱশেষত বহুদিন বিৰতিৰ পাছত পৰীক্ষাৰ ৰিজাল্ট দিলে আৰু সেই ৰিজাল্টে দেখুৱাই দিলে মৌমন কি হয়। চাৰিটা বিষয়ত লেটাৰ সহ ষ্টাৰ মাৰ্ক পাইছে। সকলোৱে মনবোৰ উলাহেৰে ভৰি পৰিল। মাক দেউতাক ককাক আইতাক সকলোৱে মনবোৰ উৎফুল্লিত হৈ পৰিল। সুখী হ'ল তাইক লৈ। তাই দেখাই দিলে সকলোকে যে মানুহ হাৰি হাৰি জিকিব পাৰে, তাৰ বাবে লাগিব কঠোৰ পৰিশ্ৰম, একাগ্ৰতা আৰু অনুশীলন। সকলোৱে স্ফূৰ্তিত সীমা হেৰাই গৈছে। শুভেচ্ছাবাণীৰে মৌমনৰ মন উপচাই পেলালে আৰু ভৱিষ্যতে এজন প্ৰশাসনিক বিষয়া হোৱাৰ সপোন পুহি জুখিছে আৰু সেই সপোন পূৰ কৰিবলৈ তাই অধিক অধ্যয়ন কৰিব বুলি সকলোৱে আগত প্ৰকাশ কৰিলে।❒❒



# সন্ধিয়া

মনিষা বৰা

সন্ধিয়াৰ আন্ধাৰে দিৰপাই গাঁওখনক আৱৰি ধৰিছে। গাঁওখনৰ ৰাইজৰ বাবে বিমলাও যেন তেওঁলোকৰ জীৱনৰ অন্ধকাৰ।

বিমলাৰ ঘৰখন আজিৰ পৰা ত্ৰিশ বছৰ আগলৈকে প্ৰায় সুখৰেই আছিল। ল'ৰা সন্তানটিৰ জন্মৰ পিছতেই গিৰীয়েক ঢুকাল আৰু তাৰ ছয়মাহৰ পিছত একমাত্ৰ ল'ৰাটোৰো মৃত্যু হৈছিল। ইয়াৰ পাছতে আৰম্ভ গ'ল বিমলাৰ অকলশৰীয়া জীৱন। এতিয়া, গাঁৱৰ মানুহৰ বিমলাৰ প্ৰতি ভাল ভাব নাই। মানুহে কয় বুঢ়ীৰ চকুহালত কিবা অমংগলৰ ছাঁ আছে। যিহতে চকু পৰে সেইফালেই হানি-বিঘিনি ঘটে। চকুত লগা ল'ৰা-ছোৱালীকো যদি বুঢ়ীয়ে কিবা এটা কয়, সিঁহতৰ শ্ৰীবৃদ্ধি নোহোৱা হৈ পৰে। বিমলা বুঢ়ীৰ নামৰ পিছত এনে ধৰণৰ কাহিনীবোৰ যোগ হৈয়ে থাকে।

কোনো মানুহৰ ঘৰলৈ তাই যাব নোৱাৰে, অথচ তাইৰ ঘৰ সকলো মানুহৰ বাবে মুকলি। গাঁৱৰ কাৰোবাৰ পেটৰ অসুখ হ'লে মানিমুনি, মাটিকাঁদুৰি বিচাৰি, কচুশাক, যকৃতৰ অসুখত হেলচী শাক বিচাৰি বিমলাৰ ঘৰৰ বাৰী তহিলং কৰিছে, তথাপিও বিমলাই কোনো আপত্তি নকৰে। কিন্তু, সেই একেজনী মানুহেই গাঁওখনৰ বাবে অমংগলীয়া। বিস্ময়কৰ!

কেতিয়া, কেনেকৈ— এই অমংগলীয়া মানুহজনী আহি বিমলাৰ গাত লম্ভিলহি তাইৰ মনত নাই। কিন্তু, গিৰীয়েক ঢুকুওৱাৰ পাছৰে পৰাই তাইৰ ওপৰত এই অপবাদ জাপি দিয়া হ'ল। এতিয়া, দু-আষাৰ মনৰ কথা পাতিবলৈকো কোনো নাই। সকলো পিনেই বাট বন্ধ। পুৱা-গধূলি বাৰীখনতে কটায় বিমলাই। গছ-গছনিবোৰৰ লগতে কথা পাতে। এনেদৰেই গৈ থাকে দিন। এদিন পৃথিৱী সলনি হৈ গ'ল। কাষৰ মানুহবোৰ গুচি গ'ল নেদেখাজনৰ কাষলৈ। সৰুতেই অনাথ হোৱা বিমলাই সপোণতো ভবা নাছিল যে তাইৰ গোটেই জীৱনটোৱেই নিসংগ হৈ কটাব লাগিব। নিজকে জীৱশ্ৰেষ্ঠ বুলি গৰ্ব কৰা মানুহ নামৰ জীৱটোৱে যে পশুতকৈও হীন পৃথিৱীত জীয়াই আছে, সেই কথা মৰ্মে মৰ্মে উপলব্ধি কৰে বিমলাই।

খীন-মীন, চুটি-চাপৰ দুৰ্বল মানুহজনীৰ মুখত ফুটি উঠিছে যন্ত্ৰণাময় জীৱনৰ কৰুণ ছবি। মানুহৰ অনাদৰ, অৱহেলা, উপেক্ষাই বিমলাৰ মুখত একৰকমৰ ছাপ পেলাইছে। সেই মুখৰ ফালে চালে চকু ভৰি উঠে। লাহে লাহে বুঢ়ী হৈ অহা বিমলা এতিয়া অসহায়। ঈশ্বৰেই একমাত্ৰ সহায়।

এনেদৰেই সদায় সন্ধিয়া আহি দিৰপাই গাঁওখনক অন্ধকাৰ কৰি তুলে আকৌ ৰাতিপুৱাৰ পোহৰে পোহৰাই তুলে গাঁওখনৰ চৌপাশ। বিমলাৰ জীৱনৰ অন্ধকাৰৰো এদিন ৰাতিপুৱাব। বিমলাৰ সেই কৰুণ চকুযুৰিয়েও ৰাতিপুৱাৰ পোহৰত পাখি মেলাৰ সন্ধানত অপেক্ষা কৰি ৰ'ল...।❐❐



# দৰিদ্ৰতা

✍আদিত্য দত্ত

চ'ত মাহৰ প্ৰথম গৰম। শীতৰ সেমেকা বতাহ আঁতৰাৰ লগে লগে প্ৰখৰ ৰ'দজাকে ধৰালৈ গৰম ভাপ কঢ়িয়াই আনিছে। দিনটো গৰম গৰমকৈয়ে পাৰ হ'ল। ৰাতি ভাতকেইটা খাই বিচনাত পৰাৰ লগে লগে বিনোদক গৰমে বাৰুকৈয়ে আমনি কৰিলে। ছাতিফুটি কৰি বিচনাত বাগৰ দি থাকোতে তাৰ বহু ৰাতিলৈকে টোপনি অহা নাই। ক'ৰণা মহামাৰীয়ে সৃষ্টি কৰা লকডাউনৰ বাবেই নেকি কেউফালে গাঁওখন নীৰৱ-নিস্তব্ধ। দূৰণিত কুকুৰ কেইটামানৰ ভূক-ভূকনিৰ বাহিৰে কেউপিনে নিমাওমাও।

বিচনাত ছাতি ফূটি কৰি থাকোতে পুৰতি নিশা তাৰ চিলিমলকৈ টোপনি আহিল। হঠাৎ কাৰোবাৰ কাতৰ কৰুণ বিননিয়ে তাৰ টোপনি ভাঙি দিলে। বিচনাৰ পৰা উঠি হাতত টৰ্চটো লৈ সি পদূলি মুখ পালেগৈ। সি অনুমান কৰিলে যে সেই বিননি নিশ্চয় সিহঁতৰ ঘৰৰ পৰা অলপ আঁতৰৰ বৰষাহঁতৰ ঘৰৰ পৰাই আহিছে। অলপো পলম নকৰি বৰষা হঁতৰ ঘৰৰ ফালে খৰেৰে খোজ দিলে। বিনোদে যাওঁতে বৰষাৰ দৰিদ্ৰতাৰ সৈতে যুঁজা সংগ্ৰামী জীৱনটোৰ কথা ভাৱি গ'ল। তাইটো কোনো গুণেই কম নাছিল, আছিল পঢ়া-শুনা, খেলা-ধূলা সকলোৰে আগৰণুৱা এটা মন।

কিন্তু সিঁহতৰ তিনিজনীয়া পৰিয়ালটোক দৰিদ্ৰ নামৰ ৰাক্ষসটোৱে এনেদৰে গিলি পেলাইছে যে তাৰ সৈতে যুঁজোতে তাইৰ নিজৰ কথা ভাৱিবলৈ আহৰি নোহোৱা হৈছে। একমাত্ৰ উপাৰ্জন কৰোতা দেউতাকৰো বুকুৰ বিষ (হৃদৰোগ) আৰম্ভ হোৱাৰ লগে লগে তাই পঢ়াৰ আশা বাদ দি ৰুগীয়া মাক-দেউতাকৰ চোৱা-চিতা কৰা, ঘৰ চলোৱাৰ দায়িত্ব ল'ব লগা হ'ল। প্ৰথম বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈওঁ তাই মনৰ সকলো আশা-আকাংক্ষা ধূলিৰ লগত মিলাই দিব লগা হ'ল। মাক-দেউতাকৰ চিকিৎসা আৰু ঘৰ চলোৱাৰ বাবে লগা অধিক খা-খৰচৰ বাবে তাই বোৱা- কটা, বাৰীৰ শাক-পাচলি বিক্ৰীকে ধৰি খেতি-বাতিৰ দিনত আনৰ ঘৰত হাজিৰা কৰিব লগা হ'ল। তাই কোনোদিন পিছ নোহোকা ছোৱালীজনীৰ কৰুণ বিননিয়ে বিনোদৰ মনটো ভাৰাক্ৰান্ত কৰি তুলিলে।

কেঁকুৰিটো পাৰ হৈ বৰষাহঁতৰ জপনাখন খুলি একেদৌৰে সি বাৰান্দা পালেগৈ । বাঁহৰ দৰ্জাখন ঠেলি ভিতৰলৈ সোমাই গৈ দেখে বিচনাত নিথৰ হৈ পৰি থকা দেউতাকক সাৱতি তাই পাৰে মানে হিয়া ধাকুৰি কান্দি আছে। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে দেউতাকৰ কিবা এটা হৈছে। সি বৰষাক দেউতাকৰ গাৰ পৰা এৰোৱাই বহুৱাবলৈ চেষ্টা কৰিলে। সি কি সুধিব কি মেলিব ভাবোতেই তাই হিয়া ধাকুৰি কান্দি-কান্দি ক'লে—

দেউতাক আৰু ইহ সংসাৰত নাই। তাইৰ সকলো আশা শেষ কৰি দেউতাকক নিয়তিয়ে কাঢ়ি লৈ গ'ল। তাই কান্দি কান্দিয়েই কৈ গ'ল যে এসপ্তাহ ধৰি দেউতাৰ গা বেয়া। হৃদৰোগটোৱে আমনি দি আছিল। লকডাউনৰ বাবে উপাৰ্জনৰ পথ বন্ধ। গাঁৱৰ পৰা নগৰলৈ গৈ দৰৱ পাতি আনিবলৈ কোনো উপায় নাই। হাতত যি কেইটকা আছিল একমাহ তেল-নিমখ, মাকৰ দৰৱতে খৰচ হ'ল। বেমাৰী মাকজনীক দৰৱ নহ'লে নহয়েই। মই বুজনি দিয়াৰ ভাষা বিচাৰি পোৱা নাই।

পৰিয়ালটো চলাব লগীয়া হ'ল। পঢ়া-শুনা, খেলা-ধূলী সকলোতে আগবঢ়া হৈওঁ তাই মনৰ আশা মনতে পুহি পঢ়া সামৰিব লগা হ'ল। তাইৰ কাষত বহি মই ভাবি ৰ'লো যে ইয়াৰ বাবে দায়ী কোন? দৰিদ্ৰতা নে নিয়ঁতি? বৰষা আজি বাস্তৱৰ লগত হাৰি গ'ল নেকি?❐❐



# কেতেকী

✍ **ৰিমলী চুতীয়া**

**এ**হাল কিশোৰ-কিশোৰী। সৰিয়হ ফুলৰ মাজে মাজে পখিলা খেদি খেদি দৌৰি ফুৰিছে। এবাৰত ল'ৰাটোৱে ছোৱালীজনীৰ চুলিকোচাত ধৰি টানি দিলে আৰু আলিয়ে আলিয়ে আঁতৰলৈ দৌৰিলে। তায়ো পিছ ল'লে। কিন্তু মেখেলা-চাদৰ পিন্ধি তাই তাক ধৰিব কেনেকৈ? তাক ধৰিব নোৱাৰি আনদিনাৰ দৰেই মুখ ফুলাই আলিটোতে বহি পৰিল তাই। সি আঁতৰলৈ গৈ ঘূৰি চাই দেখে তাই তাক খেদি অহা নাই। সি পোনৰ তাইৰ ওচৰলৈ গৈ সুধিলে, "কি হ'ল কেতেকী? কেনেবাকৈ পৰিলি নিকি?

"মই আৰু তোৰ লগত নেখেলোঁ বসন্ত।" তালৈ নোচোৱাকৈয়ে ক'লে তাই।

"কিন্তু কিয়?"

"তই সদায় মোৰ চুলিকোচা টানি দিয়। মই মূৰত ইমান দুখ পাওঁ।"

"হ'ব দে। আজিৰ পৰা নাটানো। এয়া চা মই কাণত ধৰিলোঁ।"

বসন্তলৈ চাই কেতেকীয়ে খিলখিলাই হাঁহি উঠিল।

দুয়োটা চুবুৰীয়া নৰেন আৰু ৰত্নেশ্বৰৰ পুত্ৰ-কন্যা। বসন্ত কেতেকীতকৈ পাঁচ বছৰ ডাঙৰ। কিন্তু তথাপিও কেতেকীয়ে তাক দাদা নোবোলে। কিবা লাজ লাগে হেনো।

সিহঁতৰ গাঁওখনৰ নাম তামোলপুৰ। এখন সৰ্বাঙ্গ সুন্দৰ গাঁও। গাঁওখনৰ কাষেৰে পাৰ হৈ গৈছে এখন নদী, পাছফালে আছে ডাঙৰ পথাৰ, ঘৰে-ঘৰে তামোল-পাণৰ বাৰী, মাছেৰে পৰিপূৰ্ণ পুখুৰী, প্ৰয়োজনীয় শাক-পাচলি ইত্যাদি। মানুহবোৰে নদীত মাছ ধৰি, পথাৰত খেতি-বাতি কৰি কাৰো ওচৰত হাত নপতাকৈ জীৱন নিৰ্বাহ কৰি আছে। কাৰো মনত উচ্চ-নীচ, ভেদ-ভাৱ নাই।

বহাগৰ এটি দিনত ৰমা খুড়ীয়ে ভন্টি এজনী আনিলে। খবৰ পায়েই বসন্ত দৌৰি গ'ল।

"বাঃ ইমান ধুনীয়া ভন্টি আনিলা খুড়ি। মা দিয়াচোন অলপমান লৈ চাওঁ।"

"নালাগে ভন্টিয়ে দুখ পাব।" বুকুখন যেন ভগি-চিগি চুৰমাৰ হৈ যাব বসন্তৰ।

"ইস ...! বৰ একেবাৰে মই যেনিবা ভন্টিক দুখহে পোৱাম।"

"বসন্ত...। ভন্টিৰ নামটো এতিয়া কি দিবি?" ৰমা খুড়িয়ে সুধিলে।

অলপ সময় কিবা এটা ভাবি সি ক'লে, "আমাৰ পদুলিত যে আছে সেই ধুনীয়া গোন্ধোৱা ফুলজোপা। নামটো কি আছিল হ'লে?"

"অ'...। কেতেকী ফুল।"

তেতিয়াৰে পৰা তাইৰ নাম কেতেকী। বসন্তই দিয়া নাম। লাহে লাহে কেতেকী ডাঙৰ হৈ আহিল, বসন্তই খেলিবলৈ লগ এটা পালে। ইটোৱে আনটোক নেদেখাকৈ থাকিব নোৱাৰা হ'ল। য'তেই যায়, যিহকে খায় বসন্তই কেতেকীক লৈ ফুৰে।

বৰিষাৰ এটা দিন। গোটেই দিন চিপ্‌চিপিয়া বৰষুণ। কোনো ক'তো ওলাই যাব পৰা নাই। বসন্ত আৰু কেতেকী আজি ঘৰতে বন্দী। মন গ'লেও ওলাই যাব পৰা নাই। বসন্তই এবাৰ কেতেকীহঁতৰ ঘৰলৈ যাবলৈ লৈছিল। কিন্তু মাকে ধমক দি ক'লে, "বোলো সদায় লগ পায়েই থাক, এদিন লগ নাপালে একো নহয় নহয় ভনিয়েৰক। এতিয়া বাহিৰলৈ গৈ বেমাৰ উলিয়াই ল। মই হ'লে বেমাৰ হ'লে চাব নোৱাৰো।" কেতেকীৰো একেই অৱস্থা।

সেইদিনা গ'ল, তাৰ পাছ দিনাও গ'ল, তাৰো পাছদিনা গ'ল। বৰষুণ কমাই নাই, ক্ৰমশ বাঢ়িছেহে। বসন্ত-কেতেকীৰ মন বেয়া। কিমান দিন যে একেলগে খেলা নাই। তাৰ পাছতো প্ৰায় এক সপ্তাহ বৰষুণ নদীৰ পানী লাহে লাহে বাঢ়ি আহিছে। নদীখনৰ আগৰ সেই শান্ত ৰূপটোৰ ঠাইত এতিয়া এটা খঙাল ৰূপ পৰিলক্ষিত হৈছে। মথাউৰিটোও দুদিন মানতে ছিঙিব। সেই উমান পাই বহুত মানুহ সেই ঠাই এৰি আন ঠাইলৈ গুচি গ'ল। তাৰ ভিতৰত বসন্ত আৰু কেতেকীৰ পৰিয়ালো অন্যতম। শেষ বাৰলৈ বসন্তই কেতেকীক, কেতেকীয়ে বসন্তক দেখা নাপালে।

কেইদিনমান পাছতে মথাউৰি ছিঙিল। গাঁওখন নৈৰ লগত বিলীন হৈ গ'ল। গাঁৱৰ একো চিন -চাবেই নোহোৱা হ'ল। মানুহেৰে পৰিপূৰ্ণ গাঁওখন একেবাৰে শেষ হৈ গ'ল।

বহু বছৰৰ পাছত বসন্ত ঘূৰি আহিল। নৈখনৰ বুকুৰ মাজলৈ চাই সি অনুমান কৰিলে, প্ৰায় সোঁ মাজতে আছিল সিঁহতৰ তামোলপুৰ গাঁও।

"চকুত চকুলোঁ লৈ নিথৰ হৈ নদীৰ বুকুত কি চাইছা বন্ধু?" নিহাৰৰ মাতত হুচ্ ঘূৰি আহিল বসন্তৰ।

"নাই বন্ধু... একো নাই। ভাবিছোঁ এইবাৰ বহাগত কেতেকীপাহ বা ফুলে নে নাই। ব'ল যাওঁ।"❐❐



# অভাগিনী

✍প্ৰণিতা গগৈ

দিন শনিবাৰ। মণিকা সেইদিনা স্কুললৈ যোৱা নাছিল। মণিকাৰ দেউতাক কামলৈ যাবলৈ ওলাইছিল। মণিকা অতি কণমাণি হৈ থাকোঁতে কোনো ঘৰুৱা বিবাদৰ বাবে তাইক মাক-দেউতাকে আইতাকৰ ঘৰত এৰি থৈ যায়। তাইৰ বয়স ৯ বছৰ। পাৰিবাৰিক সমস্যাৰ কাৰণে মণিকাৰ দেউতাকহে অকল তাইক লগ কৰিবলৈ আহে। মণিকাৰ জীৱনৰ এক ৰহস্যময় অধ্যায়ৰ দুৱাৰ মুকলি হ'ল সেইদিনা। মণিকা সেইদিনা স্কুললৈ নোযোৱা দেখি দেউতাকে তাইক ক'লে, "মণি, ব'ল! তাইয়ো ফুৰিবলৈ যাবলৈ পাই অত্যন্ত সুখী। ঘৰত পিন্ধি থকা ফ্ৰকটো পিন্ধিয়েই দেউতাকৰ লগত তাই চাইকেলত উঠিল। আইতাকে পিছফালৰ পুখুৰীত কাপোৰ ধুই আছিল। তাইৰ আইতাক অতি সহজ, সৰল তিৰোতা। আইতাকে মণিকাক এখন্তেক নেদেখি থাকিব নোৱাৰে। সেইদিনা আইতাকে গমেই নাপালে যে তাই দেউতাকৰ লগত গৈছে।

সিহঁত গৈ পালেগৈ কাম কৰা ঠাইখনলৈ। এটা বৰ দহ বহল পুখুৰীৰ সদৃশ গাঁত। দেউতাকৰ লগত মণিকা এডাল বৰ দীঘল জখলাৰে সৈতে নামি গ'ল। তাত একেলগে কাম কৰা দেউতাকৰ

বন্ধু এজনে কেইটামান মৰ্টনো দিলে। দুপৰীয়া ২ মান বজাত মণিকাই তাত থাকি আমনি পোৱাত দেউতাকক বাৰে বাৰে কৈছিল, "দেউতা, ঘৰলৈ যাওঁ ব'লা।" তাই বৰকৈ আমনি কৰাত দেউতাক আৰু এজন বন্ধুৰ সৈতে এখন বাইকত তিনিও বহিল। চাইকেলখন কাম কৰা ঠাইতে থৈ গ'ল। বাইকখনৰ গতিয়ে তাইৰ মনত বাৰে বাৰে হেন্দোলনি তুলিছিল আইতাৰ ঘৰ এইফালে হয় জানো! অলপ দেৰি পাছত বাইকখন টাউনৰ এখন দোকানৰ সন্মুখত ৰখালেগৈ। মণিকাৰ ভোক লগাৰ গম পাই দেউতাকে তাইক কেইটামান ঠাৰি লগা আপেল মৰ্টন আৰু কিবা-কিবি বস্তু কিনি দিলে। তাৰ পাছত আকৌ তিনিও বাইকত উঠিল। তাইৰ দিনটো খেলি কৰি বৰ টোপনি ধৰিছিল। তাই বাইকতেই কেতিয়া টোপনি গ'ল ধৰিবই নোৱাৰিলে। দুপৰীয়াৰ বেলিটো ডুবু ডুবু অৱস্থা। তেনেকুৱাতেই দেউতাকে তাইক মাত দি জগালে, "মণি, ঐ মণি। উঠ আকৌ। ঘৰ পামগৈয়ে এতিয়া।" মণিকাই চকুৰ চামনি মচি অতি উৎসুকতাৰে চাৰিওফালে চাবলৈ ধৰিলে। কিন্তু তাই সদায় দেখি থকা ঠাইখন দেখাৰ সলনি দেখিলে এখন অচিন ঠাই। চাৰিওপিনে ধাননি পথাৰ। পথাৰৰ মাজে মাজে এটি-দুটি। নিপুতল খেৰৰ ঘৰ। তাইৰ মনত নানান প্ৰশ্নৰ বাহ। তাই দেউতাকক সুধিলে, "দেউতা, আমি ক'লৈ আহিছো। আইতাৰ ঘৰলৈ ইমান দূৰ নে? ইমান ডাঙৰ পাহাৰ ক'ৰপৰা ওলাইছে? আইতাৰ ঘৰ ক'ত?" ইত্যাদি। উত্তৰত দেউতাক মাথোঁ নিমাত। নিয়তিয়ে আঁতৰাই আনিছে মণিকাক আইতাকৰ ওচৰৰ পৰা। তাই গমেই পোৱা নাছিল। অলপ দেৰি পাছত বাইকখন এখন বাঁহনীৰে ভৰা দীঘল ৰাস্তাইদি গৈ এখন চোতালমুখ পালেগৈ। তাই সদায় দেখি থকা আইতাকৰ চিনাকী মুখখনৰ সলনি দেখিলে কিছু অচিনাকী মানুহ। তাইৰ সন্মুখত এহাল বুঢ়া-বুঢ়ী, এটি কণমাণি ল'ৰা আৰু এগৰাকী চুটি-চাপৰ কলী তিৰোতা। ৰহস্য ফাদিল। সৰুৰে পৰা ককাক-আইতাক আৰু দেউতাকৰ মৰমত ডাঙৰ হোৱা মাকৰ মৰমৰ পৰা বঞ্চিত মণিকাই ভবাই নাছিল তাইৰ যে এক সম্পূৰ্ণ পৰিয়াল আছে। তাইতো ভাবিছিল তাইৰ মাক নাই বুলি। কিন্তু এয়া ভুল। আচলতে, সেই কলী, চুটি-চাপৰ তিৰোতাগৰাকী আন কোনো নহয়, তাইৰ নিজৰেই মাক আৰু কণমানি ল'ৰাটি তাইৰ ভায়েক। তাই উচুপি কান্দিবলৈ ধৰিলে। তাই আইতাকৰ ওচৰলৈ যাবলৈ বিচাৰিলে কিন্তু যাব বা কেনেকৈ। এফালে সুখৰ খিলখিলনি আৰু এফালে দুখৰ উচুপনি। শেষত, মণিকাই তাইৰ হাতত থকা মৰ্টনখিনি ভায়েকক দিলে। চোতালত থকা জাঙৰ-ওখ এটি মেজিৰ ওপৰত দুয়ো উঠি চুচৰিবলৈ ধৰিলে। এখন অচিন ঘৰৰ সৈতে তাই নিজকে খাপ-খুৱাব লাগিব আৰু পাহৰিব লাগিব তাইৰ বুকুৰ আপোন আইতাকক। যি কি নহওক, মণিকাই আগৰ দৰে আইতাকৰ লগত থাকিব নাপালেও পাহৰিব নোৱাৰিব আইতাকৰ লগত কটোৱা ন বছৰ দিন। মণিকাক মনে মনে দেউতাকে চুৰ কৰি অনাৰ পাছত আইতাকহঁতৰ লগত সম্পৰ্ক বিচ্ছেদ হ'ল। যাবলৈ খুজিও থমকি ৰয় তাই।

মাকক দেখাৰ লগে লগে তাইৰ মনত থকা সপোনবোৰে নতুন পোখা মেলিলে। তাইৰ সকলোৰে দুখ দূৰ কৰাৰ সংকল্প ল'লে। লগতে গাঁৱলীয়া সমাজত ছোৱালীক লৈ অথবা কন্যা সন্তানক লৈ হৈ থকা সমস্যাসমূহ দূৰ কৰাৰো প্ৰচেষ্টা চলাব।❒❒




# অসমীয়া গ্ৰাম্য সমাজ

✍হিমাশ্ৰী বৰা

ৰিমলী বহুত দিনৰ মূৰত গাঁৱৰ ঘৰলৈ আহিছে। তাইৰ মনত বহুত ফূৰ্তি। ককাক আইতাকেও তাইক দেখি আনন্দিত হৈ পৰিছে। মাক দেউতাক দুয়োৰে চহৰত চাকৰি বাবে দুদিনমান থাকিয়েই তাইক ককাক আইতাকৰ ওচৰত থৈ যায়। সেই সময়ত তাইৰ বয়স আছিল ৮ বছৰ।

তাই গাঁৱৰ পৰিৱেশত থাকি খুব ভাল পাইছিল। ওচৰৰ পথাৰখনলৈ সমনীয়াৰ লগত আবেলি খেলিবলৈ ওলাই গৈছিল; ককাৰ ওচৰত পুৰণিকলীয়া বিহু গীত ও শিকিছিল। এদিন ককাকে তাইক খেতি দেখুৱাবলৈ বুলি বিলৰ পাৰলৈ লৈ গ'ল। তালৈ গৈ তাই দেখিলে যে কিছুমান মানুহে আলু খান্দিছে, কিছুমানে শাক বুটলিছেহি আৰু কেইজনমান মানুহে গাড়ী এখনত বস্তাই বস্তাই আলু, ৰঙালাউ উঠাই থকা দেখা পালে। সেই দেখি তাই ককাক ক সুধিলে, "ককা, সৌ গাড়ীখনত যে, বস্তাত আলু আৰু ৰঙালাউ ভৰাই নিছে, সেয়া ক'লৈ নিব?" তেতিয়া ককাকে তাইৰ মূৰত হাত ফুৰাই কয়, "মাজনী, সেয়া খেতিৰ আলু-ৰঙালাউ চহৰলৈ নিয়ে। চহৰত গৈ বিকিলেহে তাৰ মানুহে খাবলৈ পাব।" তেতিয়া তাই সৰলভাৱে ক'লে, "অ'... ককা, ইয়াৰ পৰা শাক-পাচলি কৃষকে নিলেহে আমি তাত খাবলৈ পাও মানে।" তেতিয়া ককাকে হাঁহি মাৰি কয়, "অ' মাজনী, চহৰত তোমালোকে কিনি খোৱা শাক-পাচলিবোৰ গাঁৱৰ পৰাই যায়।" এনেদৰে কথা পাতি পাতিয়েই দুয়ো ঘৰমুৱা হয়।

মাক-দেউতাকৰ লগত সদায় মাছ-মাংসৰে ভাত খোৱা ৰিমলীয়ে সেইদিনা ৰাতি বনশাক, মানিমুনি চাটনি, কচু পিটিকাৰে আইতাকৰ লগত প্ৰথমবাৰ তৃপ্তিৰে ভাতসাজ খায়। আৰু আইতাকৰ সাধু শুনি শুনিয়েই ৰিমলীয়ে দিনটোৰ ভাগৰ সামৰি নিদ্ৰাদেৱীৰ কোলা লয়।❐❐



# আত্মসংশোধন

✍প্ৰিয়াংকী দত্ত
দ্বাদশ শ্ৰেণী

**প**শ্চিম আকাশত বেলি ডুবো ডুবো হ'ল। ৰতনী আৰু ৰমেশ হৈছে এহাল দম্পতি যিয়ে দিন হাজিৰা কৰি দুবেলা দুসাজ খাই জীয়াই আছে। এখন গাঁৱৰ এটি সাধাৰণ পৰিয়ালৰ অধিকাৰী ৰতনী আৰু ৰমেশ। আবেলি হ'লেই সিঁহতৰ দুয়োটা মনতে ঘৰৰ আৰ্থিক অৱস্থা কথা ভাবি বিষাদেৰে ভৰি পৰে।

সিঁহত দুয়োটাই যেন ইটোৰ সিটোৰ সাহস। এটা অবিহনে যেন আনটো আধৰুৱা। কিছুদিন পাছত সিঁহতৰ সুখ-দুখ ঘাত-প্ৰতিঘাটেৰে ভৰা জীৱনটোলৈ আশাৰ ৰেঙণি হিচাপে এটি দেৱকন্যাৰ জন্ম হ'ল। সিহঁতৰ পৰিয়ালটোত বৰ্তমান সদস্য তিনিজন। সিঁহতহালে আশাৰ ৰেঙণি স্বৰূপ কন্যাজনীৰ নাম থলে 'ৰিছা'।

সিঁহতহালে দিন-হাজিৰা কৰি কণমানিজনীক ডাঙৰ দীঘল কৰিলে। এটা ফালৰ পৰা চাব গ'লে তাই পঢ়া-শুনাক লৈ চিন্তাকৰাৰ প্ৰয়োজন মাক-বাপেকৰ নাছিল। কাৰণ তাই মেধাৱী ছাত্ৰ আছিল সেয়েহে তাইক শিক্ষক-শিক্ষয়িত্ৰী, গাঁৱৰ ৰাইজ সকলোৱে সহায়-সহযোগিতা কৰিছিল। চাওঁতে চাওঁতে সময়ৰ সোঁতত তাই ডাঙৰ হ'ল। বৰ্তমান তাই এতিয়া গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰী। সেইদিনা ঘৰত হুলস্থূলীয়া পৰিৱেশ কাৰণ 'ৰিছা' আজি বিশ্ববিদ্যালয়লৈ যাব।

'দেউতা, মই যাওঁ। তহঁতি চিন্তা নকৰিবি, নিজৰ যতন নিজে ল'ম। তঁহতি নিজৰ যতন ল'বি। মই গাঁওবুঢ়া বৰদেউতা ফোনলৈ ফোন কৰি মই খবৰ জনাই থাকিম।' এইবুলি কৈ ৰিছা গুৱাহাটী অভিমুখে বছত উঠি ৰাওনা হ'ল। ৰতনী আৰু ৰমেশে চকুৰে মনিব নোৱাৰালৈকে তাইকে চাইয়ে থাকিল।

ৰিছা বিশ্ববিদ্যালয়ত যথা সময়ত উপস্থিত হ'ল। ৰিছাই নগৰীয়া যান্ত্ৰিকতাৰ মাজত নিজকে আচহুৱা যেন অনুভৱ কৰিলে। তাইৰ সাজ-পাৰ, থকাৰ ধৰণ-কৰণ আদি দেখি  লগৰীয়া বিলাকে ফুচ-ফুচাবলৈ খৰিলে 'চা, চা' সেইজনী গাঁৱৰ পৰা আহিছে, দেখাতে ভূত গাঁৱলীয়া নিচিনা লাগিছে।' তাইৰ নিৰৱ হৈ সকলো শুনিও নুশুনাও ভাও ধৰিলে। তাইৰ সকলো কাম কৰি হোৱাৰ পিছত হোষ্টেললৈ বুলি খোজ ল'লে। তাই থকা ৰুমটোত তাইতকে ডাঙৰ আৰু দুজনী ছোৱালী আছিল আৰু ৰিছাক মাতিলে 'ঐ' তোৰ এই গাঁৱলীয়া স্বভাৱবোৰ এৰ'। মাৰ-বাপেৰে লগত কিমান দিছে পইচা, কাইলে আমাৰ লগত ওলাবি বজাৰলৈ আমি পিন্ধাৰ দৰে কাপোৰ কিনি আনিবি পিন্ধিবলৈ আৰু ৰাতি আমাৰ লগত পাৰ্টি বোৰলৈ ওলাবি। তেতিয়াহে ইয়াত মিলিজুলি থাকিব পাৰিবি।' এনেকে ৰিছাক কৈ

গ'ল, যদিও ৰিছাই বিৰক্তি অনুভৱ কৰিলে তথাপিটো তাই প্ৰকাশ নকৰি নীৰৱে শুনি গ'ল।

আনফালে ৰতনী আৰু ৰমেশে কাম কৰি ৰিছাৰ খৰছ ওলোৱাত ব্যস্ত হৈ পৰিল। সিহঁতে মনতে দুখ পাইছে যদিও কাকো প্ৰকাশ নকৰে কাৰণ গাঁওবুঢ়াৰ ফোনটোলৈ জীয়েকে ফোন কৰে কিন্তু মাক-বাপেকৰ খবৰ ল'বলৈ নহয় পইচা পঠিওৱাৰ হিচাপ দিবলৈ। মনত দুখ লাগে যদিও সিঁহত হালে দুখ প্ৰকাশ নকৰে, মনটোক সান্ত্বনা দি কয় 'পঢ়াৰ ব্যস্ততাত তাই চাগে সময়ে পোৱা নাই।'

সময় গৈ থাকিল। বৰ্তমান ৰিছা দ্বিতীয় ষন্মাষিকৰ ছাত্ৰী। আগৰ দৰে ৰিছা সহজ-সৰল হৈ থকা নাই। তাই ক্লাছবোৰো ভালদৰে নকৰে। ৰাতি ৰাতি পাৰ্টি কৰে। হোষ্টেলৰ ভয়ত পিছফালেদি আহি হোষ্টেলত প্ৰৱেশ কৰে।' আজিকালি তাইহে ৰুমমেট' কেইজনীক প্ৰশ্ন কৰে আজি ৰাতি প্ৰিয়াৰ বাৰ্থদে পাৰ্টিলৈ যাবি নাই।

তাই এই পৰিৱৰ্তনে তাইৰ জীৱনটোলৈ ভাবুকি আনিলে। তাই যান্ত্ৰিকতাৰ পৃথিৱীখনত ইমান যান্ত্ৰিক হৈ পৰিল যে তাই মন-মগজুও যান্ত্ৰিক হৈ পৰিল। দিনকদিনে তাইৰ পঢ়াৰ প্ৰতি ধাউতি নাইকিয়া হৈ গ'ল। তাইৰ বৰ্তমান এজন প্ৰেমিকও আছে যাৰ লগত তাই ঘনিষ্ঠ সম্পৰ্ক গঢ় লৈ উঠিছে।

আনফালে ৰতনী আৰু ৰমেশেও জীয়েক আহিব বুলি সদায় বাট চাই ৰয়। এদিন হঠাৎ ৰিছা ঘৰলৈ আহিল। ৰতনী আৰু ৰমেশ যেন তাইক দেখি আচম্বিত হৈ গ'ন্দ্ৰ তাইৰ সাজপোছাক দেখি।

ৰতনীয়ে ক'লে, 'মা, তই আজি ভালপোৱা বাবে মই মানিমুনি আৰু মাগুৰ মাছৰ তৰ্কাৰী বনাইছো।'

ৰিছাই ক'লেঃ মই সেইবোৰ নাখাওঁ। ঘৰত বেলেগ একো নাই নেকি ? এইবুলি কৈ তাই উচাট মাৰি উঠি গ'ল।

পাছদিনা ৰাতিপুৱাই তাই গুৱাহাটীলৈ বুলি গুছি আহিল। ৰতনী আৰু ৰমেশ যেন তাইৰ ব্যৱহাৰ, চাল-চলনত শিল পৰা কপৌটোৰ দৰে থৰ লাগি ৰ'ল।

কিছুদিন পাছত তাই গাটো বেয়া হ'ব ধৰিলে। তাই গাটো বেয়া বুলি কাকো প্ৰকাশ নকৰিলে। ৰিছাই প্ৰেমিকজনৰ লগত ডাক্তৰ ওচৰলৈ গ'ল।

'Good morning Sir' ৰিছাই ক'লে।

Morning.... বুলি সৰুকৈ ডাক্তৰ জনে ক'লে।

ৰিছাক ডাক্তৰজনে ভালদৰে চোৱাৰ পিছত ক'লে যেঃ তুমি প্ৰেগনেন্ট। ৰিছা নিমাত হৈ পৰিল তাই এনেকুৱা হ'ল যেন তাই মূৰত সৰগখন যে ভাগি পৰিল।

ডাক্তৰৰ চেম্বাৰৰ পৰা ওলাই অহা পাছত ৰিছাৰ প্ৰেমিকজনে ক'লে যে ঃ 'তুমি এই সন্তানক গৰ্ভতে মাৰি পেলোৱা। এতিয়াই মই পিতৃত্বৰ দায়িত্ব বহন কৰিব নোৱাৰোঁ।' এইবুলি কৈ সি আঁতৰি গ'ল। ৰিছাই ফোনৰ জৰিয়তে তাক ক'লে যে ঃ সিহঁত দুটাৰ প্ৰেমৰ পৰিচয় হিচাপে তাই সন্তানটোক জন্ম দিব।' কিন্তু তাই প্ৰেমিকজনে এই কথা মানি নল'লে আৰু তাইৰ ফোনটো কাটি দিলে।

হয়তো সেইদিনাই আছিল সিঁহতৰ শেষ কথা পতা। তাৰ পিছত ৰিছাই বহুত চেষ্টা কৰিছে যদিও তাক লগ নাপালে। তাৰ ফোনও নলগা হ'ল।

অৱশেষত ৰিছাই উপায় নাপাই গাঁৱলৈ বুলি গুছি আহিল।

যেতিয়া ৰিছাই মাক-বাপেকক সকলো কথা বিৱৰি ক'লে ঃ ৰতনী আৰু ৰমেশৰ চকুলো নিগৰি আহিল।

ৰমেশে ক'লে ঃ হাজিৰা কৰি খাইছিলো যদিও আত্মসন্মান আছিল, সকলোৱে আমাক সন্মান কৰিছিল। আজি তই সেই সন্মানত দাগ লগালি।'

শেষত ৰতনী আৰু ৰমেশে গাঁৱৰ বয়োজ্যেষ্ঠসকল গোট খোৱাই সকলো কথা বিৱৰি ক'লে। ৰাইজে সিদ্ধান্ত ল'লে 'সিহঁতক একবছৰলৈ এঘৰীয়া কৰি ৰাখিব বুলি'। ৰতনী আৰু ৰমেশে সেই সিদ্ধান্তক প্ৰতিবাদ নকৰাকৈ মূৰ পাতি ল'লে।

ৰিছাই নিথৰ হৈ ক'ব আৰম্ভ কৰিলে 'ৰাইজ, মোক ক্ষমা কৰি দিয়ক। চহৰৰ লাস-বিলাসীতাত মই নিজক পাহৰি পেলালো। পাহৰি গ'লো মা-দেউতাৰ কষ্টৰ কথা। পাহৰি গৈছিলো মই, মা-দেউতাৰ কষ্টৰ কথা। মই নিজকে ধন্য মানিছোঁ, যে মই এনে এহাল পিতৃ-মাতৃৰ সন্তান যি নিজৰ সন্তানৰ দুখবোৰ দেখিও নীৰৱে সহ্য কৰি মোৰ ভুলৰ সমাধান কৰিছে।' ৰাইজ মোক ক্ষমা কৰক।' এনেদৰে কৈ শোকশোকাই কান্দিবলৈ ধৰিলে।

ৰাইজেও কথা দিলে এবছৰৰ পাছত ৰাইজে আকৌ সিহঁতক আকোঁৱালি ল'ব। সুখ-দুখ, ঘাত-প্ৰতিঘাটৰ মাজেৰে সময়বোৰ পাৰ হৈ গ'ল।

বৰ্তমান ৰিছা এজনী কন্যা সন্তানৰ মাতৃ। ওচৰৰে প্ৰাথমিক বিদ্যালয়খনত শিক্ষকতা কৰে। সিঁহতৰ ঘৰখনৰ অভাৱবোৰো লাহে লাহে দূৰ হ'ল। তাই নিজৰ মনৰ মাজতে সংকল্পবদ্ধ হ'ল যাতে ঃ "তাই মাক-দেউতাকৰ সপোনবোৰ দিঠকত পৰিণত কৰিব আৰু নিজৰ সন্তানটিক পিতৃৰ অভাৱ অনুভৱ কৰিবলৈ নিদি সু-জ্ঞানেৰে জীৱনটো উদ্‌যাপন কৰিবলৈ এতিয়াৰ পৰাই শিকাই তুলিব।'❐❐



# এটি উজাগৰী নিশাৰ বুকুত অতীত আৰু ভৱিষ্যত

✍ডিম্পী বৰা

"পঢ়া শুনাৰ ধাণ্ডা নাই' লাহ-বিলাহ মাৰি কলেজলৈ অহা-যোৱা কৰিবি। খাবি, শুবি, বেলি দুপৰত উঠি ভাত এগাল খাই কলেজলৈ ভুৰুংকৈ উৰা মাৰিবি। বদমাছ ছোৱালী। একো কৰিব নোৱাৰ তই। লগৰবোৰে পাছ কৰি ওলাই যাব তই বহি থাকিবি। মাৰে জনী হাৰামি..." মদ খাই ৰাতি বাৰ বজাত সকলোৰে শুনাকৈ চিঞৰি চিঞৰি গালি পাৰি থকা দেউতাকৰ পাছত কথাখিনি শুনাৰ তাইৰ আৰু ধৈৰ্য্য নাই। আকৌ যেন পুৰণা দিনবোৰৰ পুনৰাবৃত্তি ঘটিছে।

উফ্! কেতিয়া যে সলনি হ'ব এইখন জীৱন নাটৰ কাহিনী। সদায় সদায় আৰু এনেকৈ নোৱাৰি বুলি তাই উচুপি উঠিল। কান্দি কান্দি বহি থাকোতে কেনেকৈ যে তাই কল্পনা আৰু অতীতৰ জগতখনৰ লগত বিলীন হৈ গ'ল।

মেট্ৰিকলৈ দুদিন বাকী আছিল মাত্ৰ দেউতাকে সেইদিনাও তাইক আজিৰ দৰেই গালি পাৰি আছিল। "ফালিবি তই। ব'ম ফুটাবি...।" কিন্তু তাই সঁচাকৈয়ে গাঁওখনৰ ভিতৰতে খুব ভালকৈ নোৱাৰিলেও চুবুৰিটো আৰু তাইৰ দেউতাকৰ মনত কিন্তু ব'ম ফুটাইছিল। একো কৰিব নোৱাৰ, ফেইল কৰিবি বুলি অনবৰতে তাইক কৰ্কথনা কৰি থকা দেউতাকক তাই প্ৰমাণ কৰি দিছিল তাই যে নিশ্চয় কিবা এটা কৰিব পাৰিব। তাই মেট্ৰিকত ৭৮ শতাংশ আৰু তিনিটা বিষয়ত লেটাৰসহ উত্তীৰ্ণ হৈছিল। ঘৰখনত আনন্দৰ জোঁৱাৰ উঠিছিল আৰু তাইৰ দুচকুত নামিছিল বাৰিষাৰ বান। তাই যে বহুত কষ্ট কৰিছিল। কষ্ট কৰাৰ মতে বেছ ভাল ফল নাপালেও তাই সন্তুষ্ট হৈছিল। মদ খাই আহি ৰাতি ঘৰৰ পৰা খেদি উলিয়াই পঠিওৱা দেউতাকটোৰে যে তাইক এদিনো প্ৰেৰণাই দি নাপালে। তাই বৰ কষ্ট পাই যেতিয়া দেউতাকে তাইক জীৱনত একো কৰিব নোৱৰ বুলি কয়।

"অই তই কি ভাবি আছ বহি বহি" এইবুলি উচুপি উচুপি তাইক মাকে হেঁচুকি দিয়াত তাই উচপ খাই উঠিছিল। মাকে কৈয়ে আছিল "বাপেৰে দা লৈ দেও দিছে, ঘৰৰ পৰা ওলাই যাব লাগে বোলে। যাওঁ ব'ল নহ'লে কি কৰিব ঠিক নাই। শুনিছ'নে-" তাই মাকৰ সতে সেই দুভাগ ৰাতি ওলাই গ'ল। আজি আকৌ ৰাতিটো উজাগৰে পাৰ কৰিব লাগিব।

তাই মনতে ভাবিলে। ভাল দিন আহিব। তাই আকৌ ভালদৰে পাছ কৰিব। মেট্ৰিকতকৈও ভালকৈ। আকৌ তাই দেউতাকৰ সেই পঁয়া লগা ঠেক মনটোত ব'ম ফুটাব। দিনবোৰ সলনি কৰিব। কিন্তু দিনবোৰ সলনি হ'লেও জানো দেউতাক সলনি হ'ব? সলনি হ'বনে দেউতাকৰ তাইক কৰ্কথনাৰ সুৰত কোৱা কথাবোৰ প্ৰেৰণা লৈ। তাইটো সদায় সেই কৰ্কথনা বোৰকে প্ৰেৰণা বুলি লৈ আগুৱাইছে।❐❐



# উপলব্ধি

লিছা বৰা

"অ' আমাৰ অসমৰ
প্ৰথম আখৰ
অসমৰ অকণি আমি
অসমতে ঘৰ..."

পৰিয়ে কবিতাটো পঢ়ি থাকোঁতে বায়েক ৰাণীয়ে ক'লে— "অ'ই অকল তইয়ে পঢ়িবি নি, আমাকো পঢ়িবলৈ দে"। এনেতে মাকে সিহঁতক চাহ খাবলৈ দি ভালকৈ পঢ়িবলৈ ক'লে। চাহ খাই তিনিও বাই-ভনী ক্ৰমে ৰাণী, ৰিয়া, পৰীয়ে পুনৰ পঢ়িবলৈ ধৰিলে। ঠিক সেই সময়তে দেউতাক বজাৰৰ পৰা আহিল আৰু সিহঁত তিনিওজনীক পঢ়ি থকা দেখি খঙতে ক'লে তহঁতি ঘৰৰ কাম কৰিব লাগে নে পঢ়িব লাগে। দেউতাকৰ কথা শুনি ৰাণীয়ে ক'লে—দেউতা আমাৰ পৰীক্ষা হৈছে অলপ আমাক পঢ়িবলৈ দিয়া। কিন্তু দেউতাকে সিহঁতৰ কথা কাণসাৰ নকৰি ক'লে তহঁতি পঢ়ি কি কৰিবি, তাৰ সলনি ঘৰৰ কাম কৰ। তহঁতি যদি ল'ৰা হলি হেতেন তহঁতক নাখায় পঢ়ালো হেতেন। ৰিয়াই ক'লে—আমি ছোৱালী হ'লো বুলি পঢ়াৰ অধিকাৰ নাই নি আমাৰ। এইদৰে বাপেক-জীয়েকৰ মাজত সদায় তৰ্কাতৰ্কি লাগি থাকে আৰু

শেষত বাপেকে জীয়েকহতঁক মাৰিবলৈ খেদি ফুৰে। এইদৰেই দিনপাৰ হৈ গৈ আছে ৰাণীহঁতৰ ঘৰখনত। ৰাণীৰ দেউতাক এজন ঠেক মনোভাৱৰ গাঁৱলীয়া মানুহ, যি তেওঁলোকৰ গাঁৱত অতীজৰ পৰা প্ৰচলিত নিয়ম পালন কৰি আহিছে যে ছোৱালীক পঢ়াব নালাগে। ছোৱালীক পঢ়িবলৈ দিলে একো লাভ নহয়। তেওঁৰ মতে ল'ৰাক হে পঢ়াব লাগে। ছোৱালীক ঘৰৰ কাম বন কৰিবলৈ দিব লাগে। তেওঁৰ তিনিজনী ছোৱালী তেওঁৰ বাবে যেন এক বুজাস্বৰূপ। ওচৰ-চুবুৰীয়া গাঁৱৰ মানুহবোৰে যেতিয়া তেওঁৰ আগত নিজৰ ল'ৰাৰ কথা কৈ গৰ্ব কৰে, লগতে ছোৱালী যে কোনো কামৰ নহয়, তোৰ ছোৱালীক পঢ়িবলৈ দি কি পাবি বুলি কয়, তেতিয়া দেউতাক খঙত অগ্নিশৰ্মা হৈ ঘৰলৈ আহি সিহঁতক বিভিন্ন ধৰণে অত্যাচাৰ কৰে। এদিন পৰীয়ে পঢ়ি আছিল। বাপেকে তাইক পঢ়ি থকা দেখি খঙতে তোক নপঢ়িবলৈ কৈছিলো নাই বুলি তাইক মাৰিবলৈ বুলি খেদি গ'ল। ঘৰৰ ভিতৰৰ পৰা কান্দোনৰ মাত ভাহি আহিল কিছুসময়ৰ পাছত। ৰাণীয়ে বাহিৰৰ পৰা সকলো শুনি আছিল। তাইৰ সহ্যৰ সীমা হৈ গৈছিল, কিমান আৰু এনেদৰে সদায় সদায় দেউতাকৰ অত্যাচাৰ সহ্য কৰি থাকিব। সেইদিনা তাই ইমানেই অসহ্য লাগিছিল যে তাই ঘৰৰ পৰা ওলাই যাবলৈ বাধ্য হৈছিল। ঘৰৰ পৰা ওলাই গৈ তাই কিমান দূৰ গ'ল গমকে নাপালে। লাহে লাহে আন্ধাৰ হ'বলৈ ধৰিলে, তাইৰ ভয় লাগিল কাৰণ তাই এতিয়া ক'ত যাব, কি কৰিব। এইবোৰ ভাবি থাকোতেই হঠাৎ এখন গাড়ীৰ মাত আৰু লাইটৰ পোহৰত তাই পিছলৈ ঘূৰি চালে। আৰু দেখিলে এজন মানুহ নামি আহিছে গাড়ীখনৰ পৰা। মানুহজন আহি তাই ওচৰ পালেহি আৰু তাই এনেদৰে ৰাতি অকলে ঘূৰি ফুৰা কথা সুধিলে। ৰাণীয়ে সকলো কথা বিৱৰি ক'লে। তাইৰ কথা শুনাৰ পাছত মানুহজনে তাইক লগত লৈ যোৱাৰ কথা ক'লে। প্ৰথমে তাই অলপ সংকোচ কৰিছিল যদিও পিছত তাই মান্তি হ'ল কাৰণ তাইৰ ওচৰত বেলেগ উপায় একো নাছিল। ৰাণীক সেই মানুহজনে নিজৰ ঘৰলৈ লৈ গ'ল।

আনফালে ৰাণী ঘৰলৈ উভতি নহাত মাক বৰ চিন্তাত পৰিল। মাকে ওচৰে-পাজৰে সকলোতে তাইক বিচাৰিলে কিন্তু নাপালে। দেউতাকক বিচাৰি যাবলৈ কোৱাত দেউতাকে ভালেই হৈছে ওলাই গৈছে মোৰ অলপ শান্তি হৈছে বুলি ক'লে আৰু মাকক বিচাৰি নাযাবলৈ ধমকি দিলে। ৰাণী ঘৰৰ পৰা ওলাই যোৱাৰ পিছৰে পৰা ৰিয়া আৰু পৰীক দেউতাকে আগতকৈয়ে বেছি অত্যাচাৰ কৰিবলৈ ধৰিলে। এনেদৰে কিছুদিনৰ পাছত দেউতাকে সিঁহত দুজনীৰ বোজা আঁতৰাবৰ কাৰণে সিহঁতক কম বয়সতে বিয়া দিয়ে। পৰীক এজন বয়সস্থ, মানুহৰ লগত বিয়া দিয়ে যাৰ প্ৰথম পত্নীৰ মৃত্যু হৈছিল।

দিন বাগৰি গৈ থাকিল। ৰাণী ঘৰৰ পৰা ওলাই যোৱা প্ৰায় ২০ বছৰে হ'ল— কিন্তু মাকে ৰাণী'ৰ কোনো খবৰ নাপালে। ইফালে ৰাণীক সেই মানুহজনে নিজৰ ছোৱালীৰ দৰেই সকলো সা-সুবিধাৰ লগতে বৰ আদৰ যত্নৰে ৰাখিলে। তাইৰ পঢ়া-শুনাৰ সকলো সুবিধা কৰি দিয়ে। তাই মনোযোগেৰে পঢ়া শুনা কৰি এদিন জীৱনৰ লক্ষ্যত উপনীত হয়। তাই নিজকে পৰিচয় দিবলৈ সক্ষম হয়। ৰাণী সিহঁতৰ জিলাৰ উপায়ুক্ত পদত নিযুক্তি লাভ কৰে। যিজনী ছোৱালীক একো কৰিব নোৱাৰে বুলি দেউতাকে অত্যাচাৰ কৰিছিল, সেইজনী ছোৱালীৰ অধীনত এখন জিলা পৰিচলিত হ'ব। ছোৱালীয়েও যে সকলো দেখুৱাব পাৰে তাক তাই প্ৰমাণ কৰি দেখুৱাই ঘৰলৈ মাক-দেউতাকৰ ওচৰলৈ আহে। ইমান দিনৰ পাছত ছোৱালীজনীক ঘৰলৈ অহা দেখি আৰু তাইৰ পৰিচয় শুনি মাকৰ দুধাৰি চকুলো বৈ আহে আৰু ৰাণীক সাৱতি ধৰে। দেউতাকেও নিজৰ ভূল উপলব্ধি কৰে আৰু তাইক ক্ষমা খোজে। ল'ৰা আৰু ছোৱালীৰ মাজত যে কোনো পাৰ্থক্য নাই সেই কথা তেখেতে ভালদৰে বুজি পায়। আৰু ৰাণীক সাৱতি ধৰি ভিতৰলৈ লৈ যায় আৰু কয়। "আমাৰ গাঁৱৰ মানুহবোৰৰ চিন্তাধাৰাবোৰ সলনি কৰিব লাগিব। তোৰ দৰে যাতে আন এজনী ৰাণী ঘৰৰ পৰা ওলাই যাব লগীয়া নহয়।"❐❐



# অভ্যস্ত জীৱনৰ আশাৰ ৰেঙনি

✍টানজিম আখটাৰ
প্ৰথম যান্মাষিক

“ওফ্ ! মোৰ Black colour Pen তো ক'ত গ'ল ? কোনটোৱে লোকোৱালী ক' ? মাৰ দিম এতিয়া তহঁতক।” হোষ্টেলৰ Top flore ৰ Room No-12 ত থকা ল'ৰাটোৱে চিঞৰি চিঞৰি ক'লে। হয় সিয়ে দেভ চৌধুৰী। দেৱৰাজ ৰয় মহাবিদ্যালয় অৰ্থাৎ ডি. আৰ. কলেজৰ দ্বাদশ শ্ৰেণীৰ ছাত্ৰ। কলেজখনৰ ভিতৰত শান্ত আৰু লাজকুৰীয়া স্বভাৱৰ ল'ৰাটো সিয়ে। দেওবাৰ হ'লেই তাৰ সেই Black pen টো প্ৰায়ে হেৰাই।

“ক'লা আকাশ, ক'লা মেঘ আৱৰিছে মোৰ মন।” দেভে দুখ মনেৰে ৰুমৰ পৰা গান গাই গাই ওলাই আহিল। কিয়ে হ'ব তাৰ সামান্য Black pen টো হেৰুৱাওতেই ইমান দুখ।

“দুখ বহুত দুখ তাৰ পাছতে আহে আমাৰ ভাই, ক'লা কলমটো হেৰাব পালেহে বেতায়ে দুখী আত্মায়ে বনি গ'ল, “ৰাজীৱে কৈ উঠিল।

হয়। কলমটো তাৰ লগৰ কেইটায়ে লুকুৱাই থৈছে। কিন্তু কিয়? মনলৈ কেতিয়াবা বহুত প্ৰশ্নৰ উদয় হয়। কি আছে বাৰু সেই কলমটোত।

দেভ, ৰাজীৱ, অনুৰাগ, প্ৰাসংগিক D.R. College ৰ Famous Boy Gang টো। চাৰিটা পঢ়াতো বহুত ভাল। সৰু কালৰ পৰাই একেলগে থাকে। "Yeh dosti Hum Nahi Torenge" বুলি লাইবেৰী ৰুমত সোমাই তাহাঁতৰ সদায়ে উৎপাত। মনত পৰে তাৰ সেই দিনবোৰলৈ। দুবছৰৰ আগৰ কিছুমান কথা তাৰ মনলৈ আহিছে আজি।

ফাগুণৰ মৃদু বতাহ জাকে উভতাই নিয়ে ২০১৯ চনৰ সেই দিনটোলৈ। খুব সম্ভৱ জুন মাহ নতুনকৈ গোলাঘাটলৈ আহিছে সিঁহতি। কলেজীয়া জীৱনৰ আৰম্ভণিৰ আগদিনা দেওবাৰ। দেওবাৰ দিন পাই চাৰিওটা হোষ্টেলৰ পৰা ওলাই আহি ভ্ৰমণ কাৰ্যসূচী হাতত লৈছিল। যমুনা পাৰ্কৰ সন্মুখত চানা খাই খাই চাৰিওটা ৰৈ থাকোতে সন্মুখেদি দুজনী ছোৱালী পাৰ হৈ গ'ল।

— "Tum pass aye yu muskurayee, Tumne najane kya sapna dikhaye" প্ৰাসংগিকে চিঞৰি গাই উঠিল। এক প্ৰকাৰে সিহঁতক জুকাবলৈ ধৰিলে। ছোৱালী জুকুৰাত সি এনেও Expert।

— "নাজানো কিয় মেঘনা। মোৰ ইমান ব'মি ব'মি লাগিছে বৈ এই খিনিৰ পৰা ন'হলে এতিয়াই ভক কে্ ওলাই যাব।" হাঁহি হাঁহি শ্ৰদ্ধায়ে তাহাঁতৰ ফালে চাই ক'বলৈ ধৰিলে।

"ভাই Back to Back reply, এই ছোৱালীজনী কম নহয় ইমান বেয়াকে ক'লে।" প্ৰাসংগিক ৰঙা আপেলটোৰ দৰে হৈ উঠি কথাষাৰ লাজ লাজকে কৈ উঠিল।

সন্ধ্যা হ'ল। চাৰিওটাৰে মনত নতুন আশা ক'লেজ যাব। এটা নৱ জীৱনে যেন পাখি মেলিব। সেইদিনা সিঁহতি শুনকালে শুই থাকিল। যিহেতু ৰাতিপুৱা ক'লেজ যাব লাগিব শুনকালে উঠিব লাগিব।

অনুৰাগৰ Alarm clock টো বাজি উঠিল। হঠাৎ তাৰ টোপনি বৰদৈ চিলা মাকৰ ঘৰলৈ উৰা মাৰি যোৱাৰ দৰে উৰি গ'ল।

" ঐ উঠ তঁহতি ৰাতিপুৱা হ'ল ক'লেজ যাব লাগিব, উঠ শুনকালে"। অনুৰাগে চিঞৰিবলৈ ধৰিলে।

অনুৰাগৰ মাতত তিনিওটা সাৰ পাই লৰালৰিকৈ গা ধুই ক'লেজ যাবলৈ ready হ'ল।

"Wild stone, পাৰফিউমটো আন যা ভালকে মাৰি ল'ও, কলেজত কৃষ্ণ হৈ বহুত গোপীনীক নচোৱাম।" হাঁহি হাঁহি প্ৰাসংগিকে কৈ উঠিল।

চাৰিওটা ক'লেজ আহি উপস্থিত হ'ল। কাকো চিনি নাপাই আজি তাহাঁতৰ প্ৰথমটো অৰিয়েনটেছ্ন ক্লাছ। ৰাজীৱে ইফালে সিফালে ছাই থাকোতে ক্লাছ ৰুমটোৰ ভিতৰত হঠাৎ সি কাৰোবাক দেখিলে।

"তেৰা অৰ কিয়া সৌগা। প্ৰাসংগিক, ছোৱালী Part ৰ last bench খন ভালদৰে ছা ছোন", ৰাজীৱে হাঁহি হাঁহি কৈ উঠিল।

"অ' মাই গড, তুৰু লাভ" অনুৰাগৰ মনত এক উৎকণ্ঠাৰ জন্ম হ'ল।

প্ৰাসংগিকে চাই দেখিলে। সেইজনী সি চোন কালি যমুনা পাৰ্কৰ সন্মুখত জুকুৰা ছোৱালী জনী কি হ'ব তাৰ বাৰু এতিয়া। বাটেৰে যোৱা সেই ছোৱালীজনী যে তাৰ লগৰ হৈ যাব ভবায়ে নাছিল। সি বহুত লাজ অনুভৱ কৰিবলৈ ধৰিলে।

Miss Bomi, আমাৰ লগৰে ওলালে বে্। প্ৰাসংগিক তই মৰিলি আৰু।" দেভৰ মুখেৰে লাজ লাজ কৈ কথাষাৰ ভাহি উঠিল।

প্ৰাসংগিকে এতিয়া তাৰ মুখখন তাইৰ পৰা ক'ত লুকুৱাব। ক'ত পলাব সি তাইৰ পৰা। তাৰ এনেকুৱা কিছুমান চিন্তাই মনত আৱৰি ধৰিছে। থাকোতে সি তাইক দেখিলে তাই তাৰ সন্মুখতে ৰৈ নাচিছে। যিহেতু অৰিয়েনটেছ্ন ক্লাছ কিবা এটাটো কৰিব লাগিবই।

"প্ৰাসংগিক দুৰৰা। এতিয়া তুমি আহা তোমাৰ বিষয়ে আমাক অলপ কোৱা।" ইংৰাজী বিভাগৰ ছাৰ জনে তাক মাতি পঠালে।

কি কৰিব বাৰু সি এতিয়া। ক'ত পলাব। সি লুকাবও নোৱাৰা হ'ল তাইৰ পৰা। লাজত যেন গোটেইটো ৰঙা পৰি গ'ল।

প্ৰাসংগিকে তাৰ পৰিচয় দাঙি ধৰিলে। আৰু তাৰ শুৱলা কণ্ঠৰে গুণ গুনাব ধৰিলে "চকু মেলি চাওতেই দেখিলো যে তোমাকে চকুৰে চকুৰে চিনি পালো হঠাৎে।"

হঠাৎে তল মোৰ কৰি last bench ত শুই থকা শ্ৰদ্ধাই তাৰ মুখলৈ ছালে। তাই অবাগ। সেইটোৱেই সি চোন তাইৰ বিশ্বাসে হোৱা নাই। বাটত লগপোৱা সেই জোকোৱা ল'ৰাটো যে ইমান ভাল সুন্দৰ আৰু শুৱলা কণ্ঠস্বৰৰ গৰাকী হ'ব পাৰে।

"ল'ৰাটো বেছ্ Handsome, smart, tall তাৰ Voice ওফ্,

মেট্ৰিকতো ষ্টাৰ মাৰ্ক।" মেঘনাই লাজ লাজ কৈ শ্ৰদ্ধাৰ ফালে ছাই কৈ উঠিল।

পিছে ইযে এই গানটো গালে কাৰ কাৰণে গালে। তাইৰ কাৰণে নেকি? হয় সি তাইৰ কাৰণেই গাইছে। হৰিণী তাইৰ নীল নয়নে তাক মুগ্ধ কৰিলে। তাইৰ নূপূৰৰ মাতত সি প্ৰথম দিনাই মুগ্ধ হৈ গ'ল। "শ্ৰদ্ধা বৰুৱা" যেন তাৰ লাহে লাহে হৃদয়ত প্ৰৱেশ কৰিছে।

শ্ৰদ্ধাৰ ঘৰ গোলাঘাটতে কলেজ তিনিআলিৰ ওচৰত। মাক বাপেকৰ এজনীয়ে ছোৱালী। পঢ়া-শুনা, ৰূপে গুনে সকলো দিশৰ পৰাই তাইৰ মোহিব পৰা গুণ আছে। তাইয়ো প্ৰাসংগিকৰ দৰে উৎপতীয়া। কিন্তু খঙটো তাইৰ সদায় নাকৰ আগত থাকে।

প্ৰাসংগিকে ক'লেজত প্ৰায়ে তাইক মাতিবলৈ চেষ্টা কৰে কিন্তু নোৱাৰে। তাৰ বহুত ভয় লাগে কিজানি তাই গালি পাৰি দিয়ে। সি প্ৰায়ে ক্লাছৰ প্ৰথম বেঞ্চখনত বাহি ভগা আইনাৰ টুকুৰাত তাইৰ মুখৰ প্ৰতিবিম্বটো পেলাই লৈ ছাই লাজ লাজ কৈ মিচিকিয়াই থাকে। আৰু লগৰ কেইটাটো আছেই জুকাবলে তাক।

"Pehla Nasha Pehla Khumar" মেঘনাই যেতিয়াই শ্ৰদ্ধাৰ গাৰ কাষেদি প্ৰাসংগিক পাৰ হৈ যাই তেতিয়াই গানটো গাই উঠে। কিন্তু কিয়? শ্ৰদ্ধায়ো আৰু কিজানি প্ৰাসংগিকক ভাল পাই পেলাইছে। কিন্তু তাইৰ তাক মাতিবলৈ সংকুচ কিমান যে বেয়াকে কৈছিল তাক।

"এনেকৈয়ে চাৰিটা মাহ গ'ল প্ৰাসংগিক কিবা এটা ক'ৰ আৰু কৈদে তাইক যা।" অনুৰাগে কৈ উঠিল।

কিন্তু তাৰ ক'বলৈ সাহস নাই এদিনো নমতা ছোৱালীজনীক Direct Propose কেনেকৈ বাৰু কৰিব সি। গালি পাৰিলে তাৰ কি হ'ব। এনেবোৰ ভাবে তাক আৱৰি থাকে।

"প্ৰাসংগিক মোৰ ওচৰত এটা Best Idea আছে। আমাৰ দেৱক পঠিয়াই দিও ইয়ে link লগাব পাৰিব এনেও এটো ঠাণ্ডা মানুহ।" ৰাজীৱে কৈ উঠিল।

প্ৰাসংগিক জীৱন্ত ৰূপ দিবলৈ কাহিনীক এইবাৰ যেন দেভে পিয়নৰ চাকৰিহে পালে। বিজ্ঞান বিভাগৰ চাৰিওটা প্ৰাণী যেন বৰ্তমান আইনষ্টাইনৰ সূত্ৰতকৈ বেছি চাতান ভগতৰ লাভ ষ্ট'ৰিৰ প্ৰতিহে আকৃষ্ট।

দেভে লাজ লাজকৈ শ্ৰদ্ধাক পিছদিনা মাতিলে Hii মই দেভ চৌধুৰী। Can we be friends?

শ্ৰদ্ধায়ো ভালে পালে কাৰণ দেভ আছিল প্ৰাসংগিক বন্ধু। তাইয়ো তাৰ ফালে বন্ধুত্বৰ হাত আগবঢ়ালে।

আজি প্ৰাসংগিকে এটা সিদ্ধান্ত ল'লে যে সি শ্ৰদ্ধালে Facebook ত friend request পঠিয়াব। আৰু মেছেজ কৰিব। কথা মতেই কাম সি request তো পঠালে হয় মনত এক ভয় তাই যদি accept নকৰে। এনেতে 36m ৰ পিছত সি দেখিছে তাই তাৰ request accept কৰিলে। সেই মূহূৰ্তত যেন তাৰ এনেকুৱা লাগিছিল শ্ৰদ্ধায়ে যেন তাৰ প্ৰেমৰ প্ৰস্তাৱহে গ্ৰহণ কৰিলে। সঁচাকৈয়ে বাটত লগ পোৱা সেই ধেমালীতে জোকোৱা ছোৱালীজনী যেন তাৰ চকুৰ মণি হৈ পৰিল। লাহে লাহে Facebook ত দুয়োটাৰে মেছেজ আৰম্ভ হ'ল। দুয়োটায়ে দুয়োটাৰ লগত বহুত কথা পাতে। কিন্তু পিছদিনা ক'লেজত প্ৰাসংগিকে শ্ৰদ্ধাক দেখিলেও লাজতে মাতিবকে নোৱাৰে।

বৰ্তমান শ্ৰদ্ধাৰ এক ঘনিষ্ঠ বন্ধু হৈ পৰিছে দেভ। দেভে শ্ৰদ্ধাক তাৰ সকলো কথাই কয় লগতে তাৰ বন্ধু প্ৰাসংগিকৰ কথাও প্ৰসংশা বাণী গাই ত'তে নাপাই।

শ্ৰদ্ধাক সি মনৰ কথা কোৱাৰ সিদ্ধান্ত ল'লে। প্ৰাসংগিকে পাৰিব তাইক মনৰ কথা ব্যক্ত কৰিবলৈ। কিয় নোৱাৰিব সি। হাতত এপাহ ৰঙা গোলাপ লৈ সি অৱশেষত তাইক ক'বলৈ গ'ল তাৰ মনৰ কথাষাৰ।

"শ্ৰদ্ধা তুমি মোৰ Life Partner হ'ব পাৰিবানে?" এক থুকাথুকি মাতেৰে প্ৰাসংগিকে তাইক ক'লে।

সেই মূহূৰ্তত তাই নীৰৱ হৈ পৰিল মাথো এটা লাজকুৰীয়া হাঁহিৰে। আঁতৰি গুচি গ'ল।

এসপ্তাহ মানৰ পাছত প্ৰাসংগিকে তাৰ উত্তৰটো পালে "Yes"। তাক আৰু এতিয়া একো নালাগে সি যেন স্বৰ্গ হে জয় কৰিলে।

প্ৰতিটো Class তে সি আইনাত তাইৰ প্ৰতিবিম্বটো পেলাই মিছিকাই তাইলৈ ছাই হাঁহি থাকে। আৰু তাইয়ো সেই ভগা আইনাৰ টুকুৰাটোলৈ ছোৱালী Part ৰ Last Bench ৰ পৰা ছাই ছাই হাঁহি থাকে। ওফ্ কিযে তাই কন্টেক্ট। প্ৰতিটো অফ্ Classতেই কাগজ লিখা লিখি কৰি দুয়োটায়ে ইটোৱে সিটোক জুকাই থাকে। যিদিনাখন শ্ৰদ্ধা কলেজ নাহে সি মন মাৰি লাইবেৰী ওচৰৰ ৰোমটোত অকলে অকলে চুকৰ বেঞ্চখনত বহি থাকে।

দেভো লাহে লাহে শ্ৰদ্ধাৰ ঘনিষ্ঠ হৈ পৰিছে। শ্ৰদ্ধাৰ মতে দেভ তাইৰ এটা ভাল বন্ধু। যি তাইক বহুত সহায় কৰে। সকলো

ক্ষেত্ৰতে বিশেষকৈ প্ৰাসংগিক ক্ষেত্ৰত। দেভক তাই প্ৰাসংগিকৰ আৰু তাইৰ মাজৰ কাজিয়া, সুখ-দুখ সকলো কথাই আলোচনা কৰে। দেভ লাজকুৰীয়া আৰু ঠাণ্ডা স্বভাৱৰ কাৰণে তাই তাক জোকাই বৰ ভাল পাই। শ্ৰদ্ধাৰ হাঁহি, শ্ৰদ্ধাৰ কথা বতৰাবোৰে ক'ৰবাত যেন তাক আকৃষ্ট কৰিছে। কি হৈছে বাৰু দেভৰ। সেইটো সিয়ো নাজানে। সি মাথো শ্ৰেণীটোৰ ছোৱালীবোৰৰ ভিতৰত শ্ৰদ্ধাকে মাতে। তাইৰ লগতে কথা পাতি ভাল পায়। আজিকালি সি প্ৰাসংগিকৰ লগতো তাই থকা দেখিলে অলপ সংকুচবোধ কৰে। তাৰ বুকুত বজ্ৰপাত পৰাদি পৰে যেতিয়া সি প্ৰাসংগিক আৰু শ্ৰদ্ধাৰ হাতে হাত ধৰি শ্ৰদ্ধাৰ কান্ধত প্ৰাসংগিকৰ মূৰতো পেলাই কথা পাতি থকা দুয়োটাকে অকলশৰে দেখো শ্ৰদ্ধা প্ৰায়ে প্ৰাসংগিকৰ লগত থাকে। দেভে তাইক একো ক'ব নোৱাৰে। সি কাহানিও তাইক মনৰ কথা ব্যক্ত কৰিব নোৱাৰে কেতিয়াও খুলি ক'ব নোৱাৰে যে সি তাইক ভাল পাই। কেতিয়াবা তাৰ এনেকুৱা লাগে যেন সি তাইক সকলো কথা খুলি কৈ দিব। প্ৰাসংগিকৰ চিঠিৰ বাৰ্তা কঢ়িয়াইয়ে সি তাইৰ প্ৰেমত পৰিল নেকি?

শ্ৰদ্ধাৰ সেই ক'লা কলমটো যিটো তাই "Best friend" হিচাপে দেভক দিছিল। সেই কলমটোৱে এতিয়া তাৰ সকলো। সি ৰাজীৱ, প্ৰাসংগিক আৰু অনুৰাগ কাকোকে সেই ক'লা কলমটো চুবলৈও নিদিয়ে।

"ক'লা আকাশ, ক'লা মেঘ, ভাই তুমি কোনখন ভাৱনা সাগৰত ডুবি গ'লা।" প্ৰাসংগিকে খিৰিকি ওচৰত বৈ থকা দেভলে চাই ক'লে।

"নাই অ'। একো নাই যোৱাটো বছৰৰ কথা কিছুমান ঘপকে মনত পৰি গ'ল আজি।" দেভে উত্তৰ দিলে। সি যেন হঠাৎ উচুপ খাই উঠিল তাৰ মাতষাৰত।

দেভৰ উত্তৰত যেন ৰাজীৱ, অনুৰাগ আৰু প্ৰাসংগিক অসন্তুষ্ট।

"ক'লা কলমটো লুকুৱাইয়ো লাভ নাই অ'। ই যোৱা বছৰ বুলিয়ে কৈ থাকে কিন্তু কলমটোৰ আচল ৰহস্যটো কেতিয়াও নকয়।" অনুৰাগে কৈ উঠিল।....❐❐





# মোৰ যে মা নাই

**✍ পূৰবী শইকীয়া**
প্ৰথম বৰ্ষ

এজনী ছোৱালী ৰাস্তাৰে গৈ আছে। অচিনাকী গাঁওখনত তাই ক'লৈ যাব। ছোৱালীজনীয়ে ভাবিলে মইতু পগলা নহয় বাটে বাটে ফুৰিবলে, কিয় তাই এইদৰে দুখত দিন কটাব লগা হৈছে। তাইৰ নাম মৈয়েত্ৰী গগৈ। মাত্ৰ ১০ বছৰ। মাত্ৰ ৫ মাহ হওঁতেই নিজৰ মাকক হেৰুৱাইছিল। মাহীমাক মিনায়ে তাইক অলপো দেখিব নোৱাৰিছিল। বাপেক নথকা সুবিধা লৈ তাইক বহুত বেয়া ব্যৱহাৰ কৰিছিল। বাধ্যত পৰি দেউতাকে দ্বিতীয় বিবাহ কৰিছিল। মৈয়েত্ৰীক ডাঙৰ-দীঘল কৰাৰ দায়িত্ব মাহীমাকৰ আছিল। মাহীমকে পেটে পেটে মৈয়েত্ৰীক বহুত হিংসা কৰিছিল। মৈয়েত্ৰীৰ দেউতাক এজন ব্যৱসায়ী। ব্যৱসায় কামত বহুত দূৰ যাব লগা হয়। যেতিয়াই বাপেক বেপাৰলে যায় তেতিয়াই মাহীমাক মিনায়ে তাইক নানান দুখ দিছিল। আজি তাইৰ প্ৰায় ১০ বছৰীয়া হ'ল। সৰুৰ পৰা তাই মাহীমাকৰ পৰা এদিনো ভাল ব্যৱহাৰ নাপালে। সেইদৰে দিনৰ পিছত দিন গ'ল। এদিন হঠাতে বাপেক বেপাৰলে যাব লগা হ'ল। মাহিমাকে ভাবিলে এনেকুৱা সোণালী সুযোগ আৰু হয়তু নাপাম। এইজনীক বিয়া দি অলপো সুখ নহ'ব নিজৰটো একো সন্তান নায়ে, এইজনীক পুহি কি লাভ। এইক বিয়া দি যিমান বস্তু ওলাই যাব তাহানি সেইখিনি মোৰ ভন্টিক দিব পাৰিম। সেইদিনা শনিবাৰ আছিল তাই লগৰ এজনী ঘৰলৈ গৈছিল তাৰ পৰা আহি হাত-ভৰি ধুই ভাত খাব ল'লে তেতিয়া মাহীমাক মিনায়ে মাত লগালে। "অই তই ভাত খাব নোৱাৰ পাকঘৰৰ বেৰখন মুচিব লাগিব।" মৈয়েত্ৰীয়ে একো নক'লে মাথো তাইৰ অন্তৰখনে কান্দি উঠিল। তাই ভাবিলে, যদি মোৰ মা থাকিল হয় তেতিয়া মোৰ এনে অৱস্থা কেতিয়াই নহ'ল হয়। আজি মোৰ মা নাই, সেইবাবে এনে দুখত ভূগিছে। তাইৰ এইবোৰ কথা মনত পৰিলে মাথো উচুপে। কিয় মই মোৰ মাৰ মৰম নাপালো কিয়? এইবোৰ চিন্তাই তাইৰ মনত নানান দুখ দিয়ে। এনেতে মাহীমাক মিনায়ে মাত লগালে তাই কি চিন্তা কৰিছ মাৰলে মনত পৰিছে হ'বলা। কাম নকৰিলে কি তোক মই বহি খুৱাম। মাৰৰ মুৰটো খাই হেঁপাহ পলুৱা নাই, মোৰ মুৰটো খালেহে তোৰ হেঁপাহ পলাব। আৰু মোৰ আগত কান্দি নাথাকিবি। যদিহে মুচিব নোৱাৰ এতিয়াই ওলাই যা মোৰ ঘৰৰ পৰা। এনেকে কৈ দুইচৰ মাৰি জপনা বাহিৰ কৰি দিলে। মৈয়েত্ৰী গৈ গৈ গাঁৱৰ তিনিআলিটো পালেগৈ। তাত বৈ থাকোতে বাছ এখন আহিল। তাতে উঠি গৈ চহৰ পালেগৈ। তাত তাই একো চিনি নাপায়। হঠাৎ তাই উচক খাই উঠিল। মানুহ এগৰাকীয়ে সুধিলে, "কোন তুমি? ক'লৈ আহিছা, তোমাৰ নাম কি? তাই তেতিয়া ক'লে, মোৰ নাম মৈয়েত্ৰী গগৈ। মই ক'লৈ যাম নাজানো মাথো আহিছো বুলি কৈ তাই চিঞৰি কান্দি উঠিল। যেতিয়া মানুহগৰাকীয়ে ক'লে 'তুমি মোক সকলো কথা বিৱৰি কোৱাছোন। তেতিয়া তাই সকলো কৈ দিলে। আৰু তাই ক'লে মোক আপোনালোকৰ ঘৰত ৰাখিব নেকি। মানুহগৰাকী মৰমীয়াল আছিল। ছোৱালীজনী ধুনীয়া দেখি তাইলৈ মৰমো লাগিল। তাৰ পিছত মৈয়েত্ৰীক সিহঁতৰ ঘৰলৈ লৈ গ'ল। সিঁহতৰ এটা ল'ৰা আছে নাম আকাশ বৰা। সি এইবাৰ দশম শ্ৰেণীত পঢ়ে। ঘৰলৈ গৈ মানুহগৰাকীয়ে মানুহজনক সকলো কথা ক'লে। মানুহগৰাকীয়ে এনে কৰাৰ বাবে মানুহজনে বৰ ভাল পালে। সিঁহতে এটা কথা ভাৱিলে যে সিহঁতৰ এটা ল'ৰা নহয় এজনী ছোৱালীও আছে। আকাশেও ভনীয়েকক বৰ মৰম কৰে। লগৰ বোৰে সুধিলে সি কয় সৰুতে মামাৰ ঘৰত আছিল। আৰু এতিয়া ঘৰত। তাইক ওচৰৰ প্ৰাথমিক বিদ্যালয়ত পঞ্চম শ্ৰেণীত নাম লগাই দিলে। তাৰ পিছৰ পৰা ৰবীনৰ পৰিয়ালটো সুখেৰে দিন কটাব ধৰিলে।

ইফালে মৈয়েত্ৰী ঘৰৰ পৰা ওলাই অহাৰ পাছৰে পৰা সিঁহতৰ দিনবোৰ বেয়াই যাব ধৰিলে। অভাৱ অনাটন বাঢ়িব ধৰিলে। সেইকাৰণে কয় যে মাতৃহাৰা ছোৱালী হ'লেও সুখত ৰাখিব লাগে। নিজৰ সন্তানৰ দৰে ভাবিব লাগে। মাতৃৰ অভাৱ অনুভৱ কৰিব দিব নালাগে।❐❐



# গ্ৰাম্যনুভূতি

✍পৰিস্মীতা বৰা
প্ৰথম ষান্মাসিক

**কে**...ৰে...ক... বাঁহৰ দৰ্জাখন ঠেলি বলাই বাহিৰলৈ ওলাই আহিল। ৰাতিৰ ঘপককৈ অহা খবৰটোৱে তাক খুলি খাইছে। আৰু এতিয়া দিনে-ৰাতিয়ে সেইটো এটা সপোন হৈ তাক খেদি ফুৰে।

এহ! সপোন নহয়। মানে সি যাবই লাগিব। নহ'লে বোলে সৰু বাপুৰ ওৰফে ৰাজীৱ বৰুৱাৰ সন্মানত আঘাত লাগে। নালাগিবইনো কিয়, একমাত্ৰ পুতেক হাইকৰ্টৰ অধিবক্তা হৈ বাপেকক গাঁৱৰ ওৰুখা পাঁজত ৰাখিবনে?

পিছে... বলাইয়ে পাৰিব জানো গাঁৱৰ মোহ এৰিব। ফুটুকী গৰুজনীৰ মোহ এৰিব? এই কেঁচা মাটিৰ সোৱাদ এৰিব তেওঁ নোৱাৰে। ওহঃ ভাৱিলেই যেন বলাইৰ বুকুখন খুন্দা মাৰি আহে।

টিলিং... টিলিং... অ' বলাই খুৰা! বলাই খুৰা! পদূলিমুখত পিতলৌক দেখি বলাইয়ে ডিঙি মেলি তাই চিঞৰিলে। ... অহ! পিতলৌ চোন, আহ ঘৰলৈকে আহ, কিয় টেটু ফালি মৰিচ অ' তাত। চাইকেলখন হ'বলা নতুন...।

এহ খুৰাদেউ নেযাওঁ আউ ঘলে, সউ বাপুদাই ফন কইছিল। তেওঁ হেনো আপোনাক নিবলৈ আই আছে। দুপইয়া বাছখনতে হেনো ওভতিব। আপুনি ওলাই থাকিব দেই। ... মই আহিলো... টিলিং... টিলিং...

বুকুখন মোচৰ খাই উঠিল বলাই বৰুৱাৰ, অৱশেষত সেই দিনটো আহি পালেহি।

চুৰিয়া, গামোচা কেইযোৰ সযতনে মোনাটোত ভৰাই তামোল দুখনমান লগত নিয়াৰ অৰ্থে তামোলৰ খৰাহীত হাত দিলে।

দেউতা, অ দেউতা ওলাই আছনে...?

সৰুবোপাৰ মাত শুনি বলাই বৰুৱা ততাতৈয়াকৈ বাহিৰলৈ ওলাই আহিল।

অহ তই ওলাই আছ, ভালেই হ'ল বেগটো লৈ পদূলিলৈকে ওলাই আহ মই পটককৈ ননদ খুৰাহঁতক মাত এষাৰ দি আহোঁ ৰহ। দেৰি নকৰোৱেঁই। চাৰে বাৰ বাজিলেই নহয়। একে উশাহতে কথাকেইটা কৈ সৰুবোপাই ননদৰ পদূলি পালেগৈ।

বলাই বৰুৱাই পদূলিলৈ ওলাই আহি ঘৰলৈ চাই দীঘলকৈ এটি সেৰা জনাই সৰুবাপুৰ লগত খোজ দিলে গাড়ীলৈ বুলি। বৈ আহিব খোজা চকুপানীখিনিক কোনোমতেহে ৰখালে বৰুৱাই।

দেউতা মন বেয়া নকৰিবি, ননদ খুৰাক কৈ আহিছো চকলীক চাবলৈ। এনেও বছৰেকৰ বিহু কেইটাত এপাক আহিম নহয়। পুতেকৰ সান্ত্বনাত সুমুনিয়াহ কাঢ়ি বৰুৱাৰই যাত্ৰা কৰিলে।

ঘটং... ঘৰৰ গেটখন খুলিয়েই সৰুবোপাই ক'বলৈ ধৰিলে আহ দেউতা এইখন আজিৰ পৰা তোৰেই ঘৰ। সুবিশাল অট্টালিকাতো ভালদৰে চাই বৰুৱাই মন গদ্ গদ্ হৈ পৰিল। সৰুবোপাই কোৱাৰ দৰে বৰুৱাই যেন সকলো বিচাৰি পাইছে ইয়াত; গোসাঁইঘৰ, পুখুৰী, অতিকৈ আচৰিতভাৱে লাগি থকা দুজোপা তামোল, বৰুৱাৰ গৰ্বিত হৈ পৰিল তেতিয়া যেতিয়া জানিলে যে, এইয়া পিতৃভক্তিৰ প্ৰতি এক নিদৰ্শন। থাপনাখনলৈ মূৰ কৰি তেওঁ কৈ উঠিল কৃষ্ণ প্ৰভু। ইতিমধ্যে এফুট ওৰণি টানি নন্দিনীয়ে অৰ্থাৎ বোৱাৰীয়েকে বৰুৱাক সেৱা কৰিলহি। দেউতা আহক হাত মুখবোৰ ধুই লওকহি, মই আপুনি ভালপোৱা পাৰ মাংস জালুক দি জুইত ৰান্ধিছো।

জুই! এৰা জুই কোনোধৰণৰ যাতে অসুবিধা দেউতাকে নাপায় তাৰ বাবে সম্পূৰ্ণ কেঁচা মাটিৰে এটা জুহাল বনাই থৈছে। এইয়াই নে, পাচফালৰ মাটিকণত কিমান যে শাক-পাচলি। এতিয়া অন্ততঃ বাপেকে শান্তিত থাকিব পাৰিব সি জানে। এপলক দৃষ্টিৰে বলাই বৰুৱাই পুতেকৰ ঘৰখন চাইছে। এৰাহ মহানগৰীৰ কংক্ৰীট হাবিখনত তেওঁ গ্ৰাম্যনুভূতি বিচাৰি পাইছে।❐❐

# ধ্বংস


সঞ্জয় শইকীয়া

একাদশ শ্ৰেণী




'ৰক্তিম ঐ ৰক্তিম, তিনিআলিলৈ যাৱনে'। সৌৰভৰ মাত শুনি ৰক্তিমে ক'লে— ৰ' গৈছো'। চাইকেলখন লৈ ৰক্তিমে ঘৰৰ ভিতৰৰ পৰা ওলাই আহিল। এনেতে পাকঘৰৰ পৰা মাকে মাত লগালে- 'মইনা ক'লৈ যাৱনো'? যাৰ যদি খৰি কেইডাল ফালি থৈ যা, ৰাতিলৈ ভাত ৰান্ধিবলৈ এডালো খৰি নাই। নাই ৰক্তিমৰ কোনো সঁহাৰি নাই। মাকে আকৌ ক'বলৈ ধৰিলে- 'দিন নাই ৰাতি নাই তিনিআলিটোলৈ যাবি আৰু আড্ডা মাৰিবি, তহঁতৰ কথা মই নাজানো ভাবিছ, শুনিছো তঁহতি বোলে গুটখা, চিগাৰেটবোৰ খাব ধৰিছ'। সি কথাবোৰ কাণ নিদি গুচি গ'ল।

ৰাতি ৮ মান বজাত ৰক্তিম ঘৰলৈ আহিল। 'ভাত খাৱনে'- মাকে সুধিলে।

মাকৰ প্ৰশ্নৰ উত্তৰত ভোক নাই বুলি কৈ বিচনাখনত পৰি মোবাইলতো টিপিবলৈ ধৰিলে।

মাকে পুনৰ ক'লে, 'মই তোৰ এই অভ্যাসটো বহুদিনৰ পৰা লক্ষ্য কৰি আছো, দেউতাক ক'লে কিন্তু কথা বেয়া হ'ব।

ৰক্তিমৰ দেউতাকে টাউনত সৰু কাম এটা কৰে। অহা-যোৱা কৰিবলৈ অসুবিধাৰ কাৰণে দেউতাক টাউনতে থাকি লৈছে।

ৰক্তিম ইতিমধ্যেই নিচাসক্ত হৈ পৰিছে। সি গম পাইছিল যে সি খোৱা বস্তুবোৰত নিচাজাতীয় দ্ৰব্য মিহলাই থয়।

নাই নোৱাৰে। সি চেষ্টা কৰিলেও তাৰ মনে নামানে। দুদিনমান নোখোৱাকৈ থাকিলেই তাৰ হাত ভৰিবোৰ কঁপিবলৈ ধৰে। ফলত সি পুনৰ মুখত দিবলগীয়া হয় এটা নতুন পেকেট বা চিগাৰেট।

এদিন দুদিনকৈ দিনবোৰ পাৰ হৈ গ'ল। তাৰ অভ্যাসত কোনো পৰিৱৰ্তন নহ'ল। এদিন ৰক্তিম কেন্সাৰ ৰোগত আক্ৰান্ত হ'ল। মাক-দেউতাক দুয়ো চিন্তিত হ'ল। তাৰ বেমাৰ ভাল কৰিবলৈ ইমান টকা ক'ত পাব? মাক-দেউতাকে বেংকৰ পৰা টকা ধাৰলৈ লৈ তাৰ বেমাৰ ভাল কৰিবলৈ চেষ্টা চলালে যদিও বহুত পলম হ'ল ফলত ৰক্তিমৰ ৰোগ ভাল নহ'ল আৰু সি মৃত্যুক আকোঁৱালি ল'লে।❐❐

## নীলা খামৰ চিঠি

# অনুভৱৰ এখন চিঠি

✍পঞ্চমী ফুকন

মৰমৰ বান্ধৱী "ভাগ্যশ্ৰী"

আন্তৰীকতা বোৰ গ্ৰহণ কৰিবা। লগতে মৰমবোৰ। আজি বহুত দিনৰ পাছত তোমালৈ এখন অনুভৱৰ চিঠি লিখিলো, আশা কৰোঁ আগ্ৰহেৰে পঢ়িবা।

প্ৰথম দিনা মা-দেউতাৰ লগতে কলেজত এড্‌মিচন ল'বলৈ গৈছিলো। সেই দিনাইৰে কলেজৰ অধক্ষ্য মহোদয়ৰ লগত অফিছ ৰুমতে পৰিচয় হৈছিলো। ছাৰে সেইদিনা কৈছিল, তোমাৰ এড্‌মিচন লোৱা পলম হ'ল। এতিয়া অ'ন লাইনত ক্লাছ হ'ব ভালদৰে ক্লাছবোৰ কৰিবা আৰু ভালদৰে পঢ়িবা। মই হ'ব ছাৰ বুলি লাহেকৈ উত্তৰ দিছিলো।

ভাগ্যশ্ৰী, বনফুল কবি যতীন্দ্ৰনাথ দুৱৰাদেৱে লিখা কবিতাটো মনত পৰিছে "অতিতক নাযাবা পাহৰি" কাৰণ অতিতৰ বুকুতেই ভৱিষ্যত অন্তনিৰ্হিত হৈ আছে। মোৰ অতীতটো "স্কুল" অৰ্থাৎ তুমি, আমি আৰু আমাৰ শিক্ষা গুৰু সকল। সঁচাকৈ স্মৃতি হৈ ৰৈ গ'ল। তুমি, আমি, আমাৰ প্ৰাণভৰা হাঁহি, ধেমালী, আনন্দবোৰ। আৰু শিক্ষা গুৰু সকলৰ প্ৰতি থকা শ্ৰদ্ধা, সন্মান। আৰু তেওঁলোকে আমাক দিয়া আদৰ্শ বোৰ।

বোৱতি নদীৰ দৰে সময়, মাথো গতিশীল কাৰো বাবে অপেক্ষা নকৰে। দ্বিতীয় দিনা আকৌ কলেজলে যাব লগা হ'ল, গছ পুলি ৰুৱা ফটো এখন কলেজত জমা দিবৰ বাবে। সেইদিনা কলেজৰ সাধাৰণ সম্পাদক জনৰ লগত চিনাকী হৈছিলো। অৱশ্যে মোৰ দাদা এজনে ফোন কৰি সাধাৰণ সম্পাদক জনক কৈ থৈছিল মোক সহায় কৰি দিবলৈ। লাজ আৰু ভয়ে ভয়ে ফটো কপি জমা দিয়া কাৰ্য্যটো শেষ কৰিছিলো।

তৃতীয় দিনা আকৌ কলেজলৈ গৈছিলো, সেই দিনা আছিল দুই অক্টোবৰ। গান্ধী জয়ন্তী দিৱস পালনৰ বাবে বক্তৃতা প্ৰতিযোগিতা আৰু দেশপ্ৰেম মূলক নৃত্য প্ৰতিযোগিতা আয়োজন কৰা হৈছিল। বক্তৃতা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো আৰু নৃত্য প্ৰতিযোগিতা উপভোগ কৰিছিলো।

এটা নতুন পৰিৱেশ, নতুন বন্ধু-বান্ধৱী নতুন সাজ-পোছাক এই সকলোবোৰ নতুনৰ মাজতো অনুভৱ কৰিছিলো সঁচা বান্ধৱী বোৰলৈ। একেডাল এনাজৰীয়ে বান্ধ খাই থকা সততা আৰু আন্তৰীকতা বোৰলৈ। য'ত আছিল কেৱল মাথো নিস্বাৰ্থ মনোভাৱ।

বক্তৃতা প্ৰতিযোগীতাত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিলো। পুৰস্কাৰটোৰ লৈ মঞ্চৰ পৰা নাম আহিছিলো। নতুন বান্ধৱী দুজনীৰ মাজত বহিছিলো। লুনা দেৱী আৰু নিশিতা বৰুৱা। লুনা দেৱীও নৃত্য প্ৰতিযোগীতাত তৃতীয় স্থান লাভ কৰিছিল।

ভাগ্যশ্ৰী, সময় যে সঁচাকৈ গতিশীল। বৰ্তমান প্ৰতিযোগিতাৰ দিন। নতুনক আমি আদৰি ল'ব লাগিব। কিন্তু অতীতক জীয়াই ৰাখিব লাগিব।

অগন্তুক তোমাৰ জন্মদিনৰ বাবে "অনুভৱৰ এখন চিঠিহে" এটি স্বৰচিত কবিতা উপহাৰ হিচাপে প্ৰেৰণ কৰিলো।

কবিতাটোৰ নাম "জ্ঞানৰ জ্যোতি"ৰে নামাকৰণ কৰিলো।

"জ্ঞানৰ জ্যোতি"

জ্ঞানৰ মন্দিৰত বন্তি জলাইছো<br>
সোণালী কৃৰণৰ মুকুতা বিচাৰি।<br>
সংগ্ৰাম সোণোৱালী মায়াৰ মাধুৰী,<br>
কেনেকৈ দিম তোমাক স্মৃতিৰ পাপৰি<br>
সততা, নিষ্ঠা, একাগ্ৰহাক সজীৱ কৰিব লাগিব।<br>
জ্ঞানৰ জ্যোতিৰে জ্যোতিস্মাণ কৰিব লাগিব জ্ঞাণৰ মন্দিৰ।<br>
তেতিয়াহে, সোণালী কিৰণৰ মুকুতা মণি বোৰ বুতলি বুতলি<br>
সৰগ ৰচিব পাৰিবা তুমি।

ইমানতে আজিলৈ বহুত -বহুত আন্তৰীকতাৰে সামৰিলো।❒❒

ইতিত<br>
তোমাৰ স্কুলীয়া জীৱনৰ বান্ধৱী<br>
"পঞ্চমী"



# চিঠি

✍দৃষ্টি হাজৰিকা
স্নাতক দ্বিতীয় ষান্মাসিক

**ম**ৰমৰ

স্বপ্ননীল

"চিনাকী হেৰাই যায় কৰ্ম ক্ষেত্ৰত
স্মৃতি ৰৈ যায় মনৰ দাপোনত।
স্মৃতিয়ে যেতিয়া পাহৰি পেলায়,
স্বাক্ষৰে নিশ্চয় মনত পেলাব।"

এই কথাষাৰ আজি মই বাৰুকৈয়ে উপলব্ধি কৰিছো। হঠাৎ পোৱা তুমি দিয়া সেই মৰমৰ টোপোলাটি পোৱাৰ বাবে। স্মৃতি এনে এক প্ৰেম, যি বিচ্ছেদৰ পিচতো লগ এৰা নিদিয়ে। হৃদয়ৰ মণিকোঠাত আজীৱন আবদ্ধ হৈ ৰোৱা আমাৰ প্ৰেমৰ মধুময় স্মৃতিয়ে মোক আজি বাৰুকৈয়ে বাউলি কৰি তুলিছে। ভাষাৰ সমুদ্ৰত আজি ভাষাহীন যদিও স্মৃতিৰ আৰ্তনাদত লিখিলো বুলি ভাৱিও লিখিবলৈ হাতত কলম তুলি ল'লো। সময়ৰ সোঁতত বিলিন হৈ নিসংগ কৰিলা যদিও আজিকালি মাজে সময়ে কলমটোৱে আৰু উকা বগা কাগজখনে সংগ দিয়ে।

স্বপ্ননীল, উতলা যৌৱনৰ প্ৰথম বেলাতে ডাকোৱালৰ পৰা এখন প্ৰেমৰ চিঠি পাই মই তোমাৰ প্ৰেমত পৰিছিলো। আৰু সেই চিঠি উত্তৰ মই যে নীলা আখৰেৰে ডাঙৰকৈ লিখি দিছিলো 'মোৰ স্বপনীল আকাশত তুমিয়ে জোনাক।' তোমাৰ বাৰু মনত আছেনে? আমি যে প্ৰথম বাৰৰ বাবে প্ৰেমিক-প্ৰেমিকা হিচাপে ব্ৰহ্মপুত্ৰ নদীৰ পাৰত লগ কৰিছিলো। আৰু তেতিয়া ব্ৰহ্মপুত্ৰৰ পানীত বেলিয়ে সকলো ৰঙৰ পোছাক খুলি ডুব দিছিল আৰু আকাশত লাগি ৰৈছিল ৰঙৰ পোহৰ। সেই ৰঙৰ পোহৰৰ মাজত তুমি আৰু মই, তোমাৰ কাষলৈ জোৰকৈ টানি আনি মোৰ চকুত চকু থৈ চিঞৰি কৈছিলা 'মই তোমাক বহুত ভাল পাওঁ ৰিধি।' আৰু মই যে তোমাৰ হাতখন খামুচি ধৰি কৈছিলো ইমান কিয় চিঞৰিব লাগে জনম-জনমলৈ মই কেৱল তোমাকে ভাল পাই থাকিম। মোৰ সেই হাতৰ স্পৰ্শত আৱেগিক হৈ তুমি যে মোৰ কপালত চুমা দিছিলা। সেইদিনা মই প্ৰেমৰ স্বৰ্গীয় সুখ উপভোগ কৰিছিলো। তাৰ পাছত প্ৰায়ে আমি ব্ৰহ্মপুত্ৰৰ নদীৰ পাৰত লগ কৰি কিমান যে সোণালী সপোন আঁকিছিলো তোমাক লৈ। মোৰ সপোনবোৰ সপোন হৈয়ে ৰ'ল। জ্বলি থকাৰ প্ৰেমৰ মমবাতি ডাল ঠাইতে নুমাল। তোমাৰ লগত কটোৱা প্ৰতিটো মুহূৰ্ত, তোমাৰ লগত পতা প্ৰতিটো কথা, সৰু-সুৰা ধেমালি সকলোবোৰ মোৰ ডায়েৰি পৃষ্ঠাত স্মৃতি হৈ আৱদ্ধ হৈ ৰ'ল। তোমাৰ মোৰ স্মৃতিবোৰ সজাই ৰাখিছো কাৰণ স্মৃতিবোৰ মানুহৰ মনৰ দাপোন।

স্বপ্ননীল, আজি তুমি মোৰ কাষত নাই অথচ তোমাৰ ভালপোৱাৰ নামৰ এগচি প্ৰদীপ আজিও হৃদয়ত উমি উমি জ্বলি আছে। আজিয়ো তোমালৈ অপেক্ষা কৰো। কিয় জানা? অপেক্ষা এটা সৰু শব্দ যাৰ সৈতে জড়িত হৈ থাকে কিছুমান মানুহৰ বহু মূল্যবান অনুভূতি আৰু কষ্টদায়ক মুহূৰ্ত। যান্ত্ৰিক পৃথিৱীত নিসংগতাৰ মাজত মই দুখ চকুপানীৰে মালা গাথিছোঁ। সময়বোৰ বৰ নিষ্ঠুৰ অ'। সময় নামৰ এই দ্ৰুত নৈখনিৰ সোঁতে সকলোবোৰ কাঢ়ি সম্পৰ্কবোৰ সাঁথৰ কৰি লৈ গ'ল।

সময় সকলোৰেই আহে স্বপ্ননীল, আজি তুমি কাৰোবাক কন্দোৱাইছা, কালিলৈ তোমাক বেলেগে কন্দোৱাব। পাইও হেৰুৱাৰ বেদনা তুমি হয়তো বুজি নাপাবা। তোমাক নোপোৱাৰ কাৰণে তোমাৰ ওপৰত প্ৰতিশোধ লোৱা কোনো প্ৰয়োজন নাই, সময়ে সকলো সময়মতে কোচত দি থৈ যাব।

অৱশেষত, নিলিখো বুলিও অলেখ লিখিলো। তোমাৰ জীৱনৰ ব্যস্ততাৰ মাজত অলপ সময় উলিযায় মোৰ চিঠিৰ উত্তৰ দিবা বুলি আশাৰে বাট চাই ৰ'ম। ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিছো তোমাক যেন সদায় কুশলে ৰাখে, পূৰ্ণিমা নিশাৰ জোনৰ পোহৰৰ দৰে পোহৰ হওক তোমাৰ জীৱনটো। অ' আৰু এটা কথা, ধন্যবাদ মোৰ জীৱনৰ কিছু সময়ৰ সংগী হৈ জীৱন কি শিকাই যোৱাৰ বাবে।❒❒

ইতি
তোমাৰ
ৰিধি



# নীলা খামৰ চিঠি

অংকিতা দত্ত
স্নাতক তৃতীয় ষান্মাষিক

প্ৰিয়,

অৰুণাভ,

মৰম ল'বা। ভালে আছা চাগে ন। ভালেই থাকিবা দিয়াচোন। কাৰণ তুমিটো মোৰ দৰে ইমান দুৰ্ভগীয়া নহয়। আজিও জীয়াই আছা জানা তুমি মোৰ এই ৰক্ত হৃদয়ত। তুমি মোৰ আজিও হৈ আছা তাহানিৰ সেই সিৰে সিৰে বৈ যোৱা বতাহচাটি। তুমি সুবাস পোৱা প্ৰেমৰ বতাহচাটি আজিও গাতে সামৰি লৈ আছো। তোমাৰ সেই মৰমলগা হাঁহিটোৱে মোক আজিও উন্মনা কৰি তোলে অ'। নাজানো কিয় তোমাৰ কথা ভাবিলে... আজিও মই অভিমানী হৈ পৰোঁ। তোমাৰ নামত। তোমালৈ জগা অপ্ৰত্যাশিত মৰমবোৰ কোনোদিন তোমাক প্ৰকাশ কৰিব নোৱাৰিলো হয়তো নোৱাৰিমো চাগে আগলৈ। তথাপিও তুমি হৈ থাকিবা মোৰ অভিমান... মোৰ স্বাভিমান। অৰুণাভ, বহুত চেষ্টা কৰিছিলো মোৰ মনৰ কথাবোৰ তোমাৰ আগত ক'বলৈ কিন্তু নোৱাৰিলো কাৰণ ভয় লাগে সেই ধুমুহাজাকলৈ... তোমাৰ আগত প্ৰকাশ কৰিলেই জানোছা হেৰুৱাই পেলাও তোমাক। তোমাক হেৰুৱআই মোৰ জীৱনলৈ শূণ্যতা নমাই অনাৰ অকণো ইচ্ছা নাই। ধুমুহাজাকৰ সেই উৰুৱাই নিয়া মোৰ হৃদয়খনক আকৌ জুৰা লগাব নোৱাৰিম।

আৰু নিলিখো দিয়া। কাৰণ, এই চিঠি মই তোমাক আজিও দিব নোৱাৰো। আজিও পৰি ৰ'ব মোৰ ডায়েৰীৰ মাজত।❑❑

তোমাৰ

মৰম...

# নীলা খামৰ চিঠি

ডিম্পী নাথ
দ্বাদশ শ্ৰেণী

মৰমৰ নীল,

কাতিৰ কঙালে সেমেকাই ৰখা নিসংগতাৰ ৰাতিবোৰ বুকুত বান্ধি বহুত দিনৰ মূৰত তোলৈ চিঠি এখন লিখো বুলি ডায়েৰীৰ পাঠ লুটিয়ালো। বাহিৰত কুঁৱলীৰ চাদৰ এখনে গোটেই পৃথিৱীখন মেৰিয়াই ৰাখিছে। ময়ো মোৰ এলান্ধুৰে আৱৰা কোঠাটোত চাকি এটি জ্বলাই লৈছো। আজি বৰকৈ মনত পৰিল অ' তোলৈ। বিহুৰ দিনা মায়ে তুলসীৰ তলত চাকি গছি জ্বলাওতে তোৰ সংগহীনতাই মোক বৰকৈ জোকাৰি গৈছিল। সেইদিনা যদি তয়ো থাকিলিহেঁতেন! তোৰ দুবছৰীয়া মৃত্যু তিথি আমাৰ পাঁচবছৰীয়া প্ৰেমৰ স্মৃতি বুকুত বান্ধি উদ্‌যাপন কৰিলো নিসংগতাৰ হতে। নীল, তোৰ মনত আছেনে তই যে মোক কৈছিলি, জান তোক সেই পূৰ্ণিমাৰ জোনটোৰ দৰেই উজ্জ্বল কৰি তুলিম। তেন্তে কিয় অমাৱস্যাৰ ৰাতিৰ দৰে অন্ধকাৰ কৰি দিলি মোৰ জীৱন।

জান' আজিকালি চকুপানীবোৰে মোৰ মনত অংকিত হোৱা তোৰ ছবিখনো মছি দিব খোজে। নিষ্ঠুৰ হৈ পৰে সকলো। তোৰ অবিহনে মোৰ জীৱনটো ৰংবিহীন হৈ গ'ল অ'। ৰঙবোৰেও যেন আজিকালি মোৰ জীৱন দেৱালৰ ইটো কোণত গৈ মোক উপলুঙা কৰে। তোৰ বাৰু মনত আছে তই যে কৈছিলি বৰষুণ তোৰ বৰ প্ৰিয়। সেই কাৰণেই তই আৰু মই লগ হ'লে সদায় বৰষুণজাকে আমনি কৰিছিল ন'। সেই বৰষুণজাকো বহুদিন ধৰি নেদেখাই হ'লো। তোৰ দৰে অভিমানী হ'ল চাগে বৰষুণ জাকো। মেঘে উন্দোলাই আনিলেই মই অপেক্ষা কৰো সেই বৰষুণজাকলৈ। বৰষুণৰ প্ৰতিটো টোপালতে বিচাৰি ফুৰো তোক।

তোৰ সপোনৰ জানজনীৰ অবিহনে তই সুখী জানো। সুখী নহ'লেওটো এয়া বিধাতাৰ লিখন। তোলৈ মনত পৰিলে বহু স্মৃতিয়েই মন উন্দোলাই আনে। বাৰু, হ'ব দে আজিলৈ আৰু নিলিখো। তোৰ অভিমান শেষ হ'লে পুনৰ উভতি আহিবি। ময়ো বাট চাই ৰ'ম তোলৈ।❑❑

ইতি

তোৰ জান



# নীলা খামৰ চিঠি

✍প্ৰাঞ্জল দুৱৰা

**ম**ৰমৰ লিপিকা,

বহুত দিনৰ মূৰত তোমালৈ এখন চিঠিকে লিখিলো। তোমাৰ খবৰ কি ? মোৰ বৰ্তমান ভালেই। জানানে আজি আমাৰ কলেজত বিদ্যালয় সপ্তাহ আছে। আজি প্ৰথম দিন। জানানে আজি মোৰ মনতো বৰ ভাল লাগিছে। কাৰণ আজি কলেজত পুৰা খেলিম। তোমালৈ বৰকৈ মনত পৰিল। তুমি কলেজ গৈছিলা নে ? অ' তোমাৰ বোলে বেমাৰ হৈছিল। তোমাৰ বান্ধৱী এজনীয়ে কৈছিল। দৰৱ-পাতিবোৰ ভালদৰে খাবা। অ' আমাৰ কলেজলৈ বিখ্যাত চাৰ এজন আহিছিল। আমি প্ৰেক্ষাগৃহত উপস্থিত হ'লো। চাৰে ইমান ধুনীয়াকৈ চিঠিৰ বিষয়ে বক্তৃতা দিলে। শুনি বৰ আমোদ পালো। মোক সেই চাৰজনে সুধিছিল "তুমি চিঠি লিখানে"? মই লাজে লাজে ক'লোঁ কেতিয়াবা কেতিয়াবা লিখোঁ। চাৰে মোক ক'লে যে ভালেই আছে লিখা আজিকালি চিঠিৰ মূল্য কমি আহিছে। যেতিয়াই ইণ্টাৰনেটৰ ব্যৱস্থা আহিল তেতিয়াৰ পৰাই চিঠি মাদকতা কমি আহিল। মোক বহুতো উৎসাহ দিয়াৰ বাবে মই বহুত ভাল পালোঁ। আৰু সেইবাবে তোমালৈ চিঠি লিখিলো আখৰবোৰ বেয়া বাবে মই চিঠি লিখা নাই আৰু বেছি নিলিখো। শেষ তোমাৰ জীৱনলৈ সুখ ঘূৰি আহক তাৰে কামনা...❒❒

ইতি

তোমাৰ মনোজ



# নীলা খামৰ চিঠি

✍গীতাঞ্জলী দাস

দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

**ম**ৰমৰ বা,

তই সেই যোৱা দিন ধৰি তোৰ লগত কৰা সেই কাজিয়া, মৰা মৰি বিলাকলৈ বৰকৈয়ে মনত পৰে জান'! ভাবিছিলো ঘৰৰ পৰা দূৰণিত থাকিবি মই অকলে থাকিম ঘৰত সকলোৰে মৰম লম, কিন্তু তোৰো মৰম যেন মই হেৰুৱাব লাগিব ভৱাই নাছিলো। আবেলি নৈ-পাৰত ঘূৰি ফুৰা সেই স্মৃতি, আমৰ দিনৰ কেচা আম খোৱা, সেই ফূৰ্তি কেনেকৈ পাহৰিব পাৰিম বাৰু, ঘৰখনৰ লগতে তোৰ ভৱিষ্যতৰ সপোন পূৰাবলৈ তই গলি পঢ়িবলৈ বুলি তোৰ সেই মোক গালি পাৰি থকা স্বভাৱটো মোৰ মনত পৰিলে এতিয়াও হাঁহি উঠে বহুত। নিজৰ স্বাস্থ্যৰ যতন ল'বি, তোৰ জীৱন সুখৰ হওঁক তাৰেই কামনা কৰোঁ। আশা কৰোঁ তোৰ এতিয়া ভালেই। ঘৰত আমি সকলোৱে ভালেই আছো। শেষত তোৰ সুস্বাস্থ্যৰ কামনা কৰিলোঁ।❒❒

ইতি

তোৰ সেই মৰমৰ

ভণ্টীজনী

সবিতা

# নীলা খামৰ চিঠি

✍দীক্ষিতা চাংমাই
দ্বাদশ শ্ৰেণী (বিজ্ঞান শাখা)

**প্ৰ**তি,

মোৰ অতিকৈ মৰমৰ প্ৰিয়ানুজ,

মৰম ল'বা। বহুতদিনৰ পৰা ভাবি আছিলো তোমালৈ চিঠি লিখিম বুলি। কিন্তু সাহস কৰা নাছিলো। আজি বহুত সাহস গোটাই লিখিবলৈ লৈছো। নাজানো তুমি চিঠিখন পোৱা নে নোপোৱা? তথাপিও আশা কৰিছো, পালে উত্তৰ দিবা। তোমাৰ বাৰু মোলৈ মনত নপৰেনে? হোমৰ গুৰিত বহি সেন্দুৰ লোৱা দৃশ্যটো ফটোত দেখা পালোঁ। জানা, সেইদিনা মোৰ কেনে লাগিছিল। বুজাব নোৱাৰিম, মোৰ অৱস্থাটো। সঁচাকৈ ভাল পোৱাজনৰ পৰা আঁতৰি অহা কিমান কষ্টকৰ মই ভালকৈ উপলব্ধি কৰিছো। বহুত কান্দিছো। মানুহে কয় ল'ৰাই কান্দিব নাপায়। ল'ৰাৰো জানো এখন হৃদয় নাথাকে? মোৰ হৃদয়ত আঘাত হানি তুমি যিদিনাই গুছি গৈছিলা সেইদিনাই বুজিছিলো ভালপোৱাৰ গভীৰতা! ঘৰত এবাৰলেও মোৰ কথা ক'ব নোৱাৰিলানে তুমি? যদি ঘৰত মানিলেহেঁতেন! তোমাৰ সেই মৰমবোৰে মোৰ এই হৃদয়খন থান-বান কৰি গ'ল। তোমাৰ বাহিৰে মোৰ হৃদয়ত আনক স্থান দিব নোৱাৰো প্ৰিয়ানুজ তুমি বুজি নাপালা। মই তোমাক কেনেকৈ বুজাম বাৰু, এতিয়াতো তুমি সুখী ন'? নতুন ঘৰখন কেনেকুৱা পাইছা জনাবা। স্বামীয়ে নিশ্চয় বহুত মৰম কৰে ন'? মোতকৈও বেছি। অ' পাহৰিছিলোও মোৰো বিয়া হ'ল এমাহৰ আগত। তথাপিও তোমাক পাহৰিব পৰা নাই। এতিয়া তাইকে তোমাৰ দৰে মৰম দিব লৈছো। তুমিও সুখী হোৱা। অ' তুমি দিয়া চাৰ্টটো ভালদৰে সাঁচি থৈছোঁ। আৰু নৈৰ পাৰলৈ সদায় যাওঁ তোমাৰ স্মৃতি সুঁৱৰি। আজিলৈ থাকক দিয়া।❐❐

ইতি
তোমাৰ স্বৰ্ণব



# নীলা খামৰ চিঠি

✍মনোজ হাজৰিকা

**ম**ৰমৰ,

শেৱালী মৰম ল'বা, আজিৰ দিনটোত মোৰ ভালেই চলি আছে, তোমাৰ কথা মনত পৰাৰ বাবে চিঠিখন লিখিলো। আজি মহাবিদ্যালয়ৰ বাকৰিত তোমাক নেদেখাত মোৰ চকুত চকুলো বৈছিল কিন্তু মই ধৈৰ্য ধৰিলো। মহাবিদ্যালয়ত উপস্থিত হৈ ঠাইতে লিখা প্ৰতিযোগিতা, গল্প প্ৰতিযোগিতা, লিমাৰিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিলো, সেইবাবে ম'বাইলটো Silent কৰি থৈছিলো তুমি ফোন কৰা গমকে নাপাওঁ। প্ৰতিযোগিতাৰ অন্তত মই প্ৰতিযোগিতাৰ কোঠাৰ পৰা বাহিৰলৈ গৈ দেখো তুমি ফোন কৰিছিলা মই তোমাক পুনৰ ফোন কৰোঁতে তুমি চাগে ব্যস্ত আছিলা নহ'লে জানো মোৰ ফোন যোৱাত তুমি ব্যাকুল নহ'লানে? মই আকৌ ব্যস্ত হোৱাৰ আগত তোমালৈ এইখন চিঠি লিখি মনৰ আৱেগসমূহ স্মৃতি হিচাপে লিখি তোমালৈ দিয়াত দুৰ্বাৰ হেঁপাহত এটি খামত ভৰাই দিলো।

মৰমৰ শেৱালী তুমি ভালকৈ থাকিবা। তুমি ভালে থকা মানে মোৰ ভাল। হেজাৰ মৰমেৰে চিঠিখন লিখিলো এবাৰ পঢ়ি মোৰ বাবেও এখন চিঠি লিখিবা। শেষত অশেষ মৰম যাচিলোঁ।❐❐

ইতি
তোমাৰ মৰমৰ প্ৰিয়
মনোজ হাজৰিকা



# নীলা খামৰ চিঠি

✍লিপিকা শইকীয়া

**ম**ৰমৰ স্বপ্ন,

ফুল যদি হ'লাহেঁতেন তুমি ছিঙি আনি গুজি ল'লোহেতেন বুকুত মৰমেৰে আলফুলে। মোৰ কুমলীয়া হিয়াৰ বৰ্ণিল বাগিচাত লাহে লাহে ভোমোৰা হৈ পৰিছাহি ফুলৰ মৌ চুহি বলে। সঁচাই ফুলতকৈও কোমল তুমি, কোমল তোমাৰ অনুভূতি। মুকুতাৰ মণি যেন তোমাৰ নয়ন চকুযোৰি, গোলাপৰ পাহিৰ দৰে জিলিকি থাকে তোমাৰ মুখখনি আৰু হাঁহিটি যেন কৃষ্ণ মুখৰ বাঁহীটোহে। তোমাৰ এই মায়া ভৰা মুখখনি দেখাৰে পৰা কিয় জানো তোমাক দেখিলেই মোৰ বুকুত বাজে ভায়োলিনৰ ৰাগিনী। তোমাক দেখিলে চাই থাকিলে চোন নালাগেই আমনি। হয়তো এইয়া মোৰ চকুত তোমালৈ প্ৰেমৰ চাৱনি। তুমি যেতিয়া আমাৰ পদূলিৰ মুখেৰে পাৰ হৈ যোৱা তোমাক মাতিম বুলি ভাবো, ক'বও বিচাৰো স্বপ্ন তোমাৰ মায়াসনা দুচকু, হাঁহিৰে বিৰিঙি থকা মুখখনি মই সদায় চাই থাকিব বিচাৰো। কিন্তু তোমাক দেখিলেই মই যে সকলো পাহৰো। বুজাব নোৱৰা এক চুম্বকৰ দৰে আকৰ্ষণৰ অনুভূতিত আহ্লাদিত হৈ পৰো। বাস্তৱত মনৰ কথা তোমাক বুজাব নোৱাৰা সেয়ে গোপনে গোপনে তোমালৈ বঢ়া মোৰ মৰমবোৰ সযতনে সাঁচি ৰাখোঁ।

তোমালৈ মোৰ মনৰ বাৰ্তা প্ৰেৰণ কৰিব পৰাকৈ আজিলৈকে চোন হোৱা নাই কোনো যোগাযোগ। মাত্ৰ প্ৰতিটো নিশাই তোমাৰ সৈতে নদীৰ পাৰৰ কঁহুৱা ফুলৰ মাজত বহি প্ৰেমৰ আলাপ কৰোঁ। সপোনতে তোমাক কওঁ স্বপ্ন, তুমি মোৰ মনৰ কিতাপখন মাথোঁ এবাৰ খুলি চোৱা প্ৰথম পৃষ্ঠাৰ পৰা শেষলৈকে কেৱল তুমি, তুমি আৰু তোমাৰেই নাম পাবা। কিন্তু দিঠকত এতিয়া তোমাৰেই অপেক্ষাত...।❐❐

ইতি,

ভাস্বতী

# কবিতা কানন



## বাট

✍ **লতিকা শইকীয়া**
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

বাটটো ছুটি হৈ পৰিছে
ফুলবোৰ ইমান ধুনীয়া
স্নিগ্ধ আৰু সতেজ
শিকলি ছিঙি দুৱাৰ ভাঙি
ওলাই অহা অনুভৱ
ভালপোৱা ভাললগা

ইমান উৎকট গৰম!
দেই-পুৰি যাব যেন সমস্ত শৰীৰ
লাহে-লাহে
হেঁচি-ঠেলি সোমোৱাই থোৱা
তাহানিৰ কাপোৰবোৰৰ
ইমান দুৰ্গন্ধ!!

## শেলুৰৈ চোতান

✍ **অপূৰ্ব ৰঞ্জন দত্ত**
মূৰব্বীঅধ্যাপক
শিক্ষাতত্ব বিভাগ

শেলুৰৈ চোতাল
জীৱনৰ অনেক জঞ্জাল
খোজত সেউজীয়া কৰাল
নিতৌ পুৱা গধূলি জীৱনৰ ৰং বুটলা
চেমনীয়াৰ মাত নিতাল
সময় অসময়
নে .... সময়
সপোনৰ সাজ পিন্ধোতে
হেৰাল বাঁট
শেলুৰৈয়ে শিপাইছে
পদূলিৰ পৰা জগতলৈ
শেললুৰৈয়ে নাজানে বগাই যোৱাৰ পৰিধি
কেৱল সিঁচি দিয়ে অচল সুৱাস
সেৰ সেৰীয়া চোতাল
পিচলটো সূচল বিধিৰ বল
নিয়মৰ প্ৰাণত বট বৃক্ষ অটল।



# হে মানৱ

লিজা শইকীয়া
স্নাতক তৃতীয় ষান্মাসিক
শিক্ষাতত্ব বিভাগ



হে মানৱ!
প্ৰতিদিনেই সাজিছা
স্বয়ং চালিত গাড়ী
আৰু...
আৰু দূৰভাষ কৰিছা প্ৰদূষণ
জন্তুৰ মাংস আৰু হাড়েৰে
সাজিছা নানান সামগ্ৰী
কি আচৰিত
তোমাৰ এই উদ্ভাৱন
প্ৰতিদিনেই জগতৰ
নতুন নতুন পৰিৱৰ্তন

হে মানৱ!
সলনি কৰিছা প্ৰকৃতিৰ সৌন্দৰ্যতা
বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই
প্ৰকৃতিৰ বুকুলৈ কঢ়িয়াই আনিছে
মাথোন যান্ত্ৰিকতা আৰু যান্ত্ৰিকতা
প্ৰকৃতিৰ পৰা প্ৰতিদিনেই হেৰাই গৈছে
নিৰ্মল বায়ু, সেউজী ঘাঁহনি
আৰু নানাবিধ মূল্যবান গছ-লতা
এতিয়া মাথোঁ লাহে লাহে
সেউজীয়াবোৰক আৱৰি
জগত হৈ পৰিছে
কংক্ৰীটৰ মহানগৰ
য'ত নাই কোনো সেউজী ঘাঁহনি
নাই সেই তাহানিৰ খেৰৰ পঁজা
আছে মাথোঁ
বহুমহলীয়া বিলাসী ভৱন
আৰু চাৰিওফালেই কোলাহল

হে মানৱ!
কেৱল নিজেই সকলো
ভোগ নকৰিবা
নহ'বা ইমানো স্বাৰ্থপৰ
আনৰ বাবেও থাকক দিয়া
প্ৰকৃতি নিজৰ মতে শেষ নকৰিবা
ভৱিষ্যৎ প্ৰজন্মলৈও থাকক দিয়া।❑❑



# সপোনৰ কানন

✍পুণ্যপ্ৰভা শইকীয়া
স্নাতক তৃতীয় ষান্মাসিক

সদ্যস্নাতা মোৰ সপোন
পুৱাৰ বেলিৰ ৰক্তাক্ত ৰশ্মিয়ে দহি যায়
হৃদয়ৰ কানন।
অযুত আশাত কোমল হৃদয়
যন্ত্ৰণাকাতৰ সেউজ বুকু...
তাৰ প্ৰতি খোজত দেও দি যায়
এটা শুকান আবেলি...
নিসংগতাক আৰৰে উমাল ৰশ্মিবোৰে
হেঁপাহেৰে তুলি লওঁ দুহাতেৰে তাৰ
প্ৰতিটো খোজ
ক্ৰমে উজ্জ্বল হৈ উঠে
আবেলিটোৰ শেষত...
এক নতুন জীৱন বিচাৰো
দুৰ্নিবাৰ গতিৰে আগবাঢ়ে প্ৰতিক্ষণ
জীৱন যৌৱন।।❐❐

# শব্দ

✍পৰিস্মীতা বৰা
স্নাতক তৃতীয় ষান্মাসিক

শব্দই কথা কয়,
বীজ হৈ গজালি মেলে
ফুল হৈ ফুলে
অনুভৱৰ
অগ্নি হৈ জ্বলে।

অনন্ত সুৰৰ তৃষ্ণাত
শব্দৰ যেন
কণ্ঠ শুকাই যায়...
তথাপি
গীতৰ সুৰদি বাকি
পৰাণ জুৰায়।❐❐





# ইয়াত এখন বৰ্ষাৰণ্য আছিল

**পাৰ্থ প্ৰতীম হাতীবৰুৱা**
স্নাতক তৃতীয় ষান্মাসিক
ইংৰাজী বিভাগ

ইয়াত এখন বৰ্ষাৰণ্য আছিল
নাম দিহিং পাটকাই।
প্ৰহেলিকাৰ দৰে হৈ পৰা পূবৰ "Amazon"।।
পশু-পক্ষীৰ কলৰৱত মুখৰিত "দিহিং-পাটকাই"
আজিচোন বিলীন হ'ল
পাহৰণিৰ গৰ্ভত
কোনোবা বোলে দস্যুৰ দল আহিছিল
আছিল হেনো কোনোবা ঘৰৰো বদন
আইৰ গাৰ আচল খহোৱাৰ দৰে খহাই নিছিল,
সদা শ্যামলী
"দিহিং-পাটকাই" নামৰ
অসমী আইৰ গাৰ চাদৰ
সোঁৰৰণিৰ কোৱাল সোঁতত,
উটি গ'ল এখন বৰ্ষাৰণ্য, নিৰৱধি
যাৰবাবে, আজিৰ কবিতাৰ শিৰোনাম
ইয়াত এখন বৰ্ষাৰণ্য আছিল।❐❐

# আবেলিৰ সময়

**উৰ্মিলা শইকীয়া**
দ্বাদশ শ্ৰেণী

চোৱাচোন চোৱা, সৌ নদীখনলৈ
কেনেকৈ শিলে শিলে পানী খুন্দা খাই
শান্তভাৱে বৈ গৈছে।
ভাগৰুৱা নাওবোৰ টোপনি গৈছে
নদীৰ ঘাটত, আবেলি পৰত।

নিজান ৰাতিত ওচৰৰ হাবিত
শিয়ালে হুৱা দিবলৈ ধৰিছে
দূৰৈত ৰিণিকি ৰিণিকি দেখিবলৈ পাইছো
ধোঁৱা আৰু ধোঁৱা
বনজুই নেকি সৌৱা, নে অন্য কিবা?

বতাহে আমোল-মোলাই আনিছে
চৌদিশৰ এক মিঠা সুবাস,
ৰিণিকিকৈ দেখিবলৈ পাইছো
এখন মিচিঙৰ গাঁও
য'ত আছে সকলোটি আনন্দৰে
জীৱন বাটৰ সকলো বাধা নেওচি।❐❐



# ধৰ্ষিতা কণমানিজনী মইয়ে

✍প্ৰিয়াংকী দত্ত
দ্বাদশ শ্ৰেণী



মোৰ জীৱনৰ এটি কলা অধ্যায়
পাতনি মেলিছিল সেইদিনাই,
যিদিনা মোক বিছনাত এৰি
মা গৈছিল কাম কৰিবলৈ
এটি সোণালী দিনৰ সন্ধানত আছিলোঁ মই
বুজি পোৱা নাছিলো জীৱনৰ জটিলতা,
অকলশৰে বিছনাত এৰি যেতিয়া তুমি গুছি গৈছিলা
মা, মই বহুত কান্দিছিলো, থৰ লাগি চাইছিলো তোমাক।
কিন্তু তুমি মোক এবাৰো উভতি চোৱা নাছিলা,
হয়তো সেয়াই আছিল তোমাৰ মোৰ শেষ দেখা।
দহমাহ দহদিন তোমাৰ গৰ্ভত থাকি,
বুজি পাইছিলো তোমাৰ আশা, সপোন, যন্ত্ৰণাবোৰ।
মনতে মই সপোন ৰচিছিলোঁ,
তোমাক সুখী কৰাৰ।
কিন্তু কি কৰিম মই মা,
সেই দানৱৰূপী মানুহজনে, মোক জীয়াইয়ে নাৰাখিলে।
মা, যেতিয়া মই অকলশৰে বিচনাত খেলি আছিলোঁ,
তেতিয়াই সেই দানৱটো মোৰ কাষত থিয় হৈছিল।
মা, মোৰ লগত সি বৰ অসভ্যালি কৰিছিল,
মই বৰ কষ্ট পাইছিলোঁ, উচুপিছিলো
চিঞৰি ক'বৰ মন গৈছিল, জীয়াবলৈ মোৰ বৰ মন আছে।
কিন্তু কি কৰিম মই মা,
মই চিঞৰিবলৈ মোৰ মাতটোকে ফুটা নাছিল।
মা, সমাজত বোলে সেইবোৰক
'ধৰ্ষণকাৰী' বুলি কয়।
জীৱনটোৰ প্ৰতি মোহ মোৰ নাই, মা
কাকো দোষ দিয়াৰো ইচ্ছা নাই।
মাথোঁ এটাই আক্ষেপ, 'দ্বিতীয়জনী কণমানিৰ জীৱন'
মোৰ দৰে স্থবিৰ হৈ নৰওঁক।
কোনো মুহূৰ্তত থমকি ৰওঁ,
মনটো মোৰ নিস্তব্ধ হৈ যায়।
মোৰ চিঞৰি ক'ব মন যায় মা...
মোৰ ভুল কি আছিল,
মইতো তিনিমহীয়া এটি নিষ্পাপ শিশু আছিলোঁ।
❏❏



# মৃত্যু

✍টিনা বৰা
দ্বাদশ শ্ৰেণী

'মৃত্যু এক শিল্প'
কোনে কয় মৃত্যু এক শিল্প বুলি?
শিল্পই জানো কাঢ়ি নিয়ে,
মাতৃৰ হৃদয় উকা কৰি মৰমৰ সন্তানক?
শিল্পই জানো ভাঙি ঠানবান কৰে,
পিতৃৰ হৃদয়ৰ কোণত আলফুলে সাঁচি ৰখা
তেওঁৰ ভৱিষ্যতৰ সপোনক?
শিল্পই জানো মোহাৰি নিয়ে
আপোনজনৰ কপালৰ ৰঙা সেন্দুৰখিনি?
তেন্তে কিয় কয়?
'মৃত্যু এক শিল্প বুলি'।
সকলো মৃত্যুয়েই শিল্প হ'ব নোৱাৰে
মৃত্যু মাথো এক চৰম সত্য
যি সত্যই নিগৰাই মাথোন অশ্ৰুৰ নিজৰা।।❒❒

# কৃষ্ণচূড়াৰ হাঁহি

✍ডিম্পী বৰা
দ্বাদশ শ্ৰেণী

কৃষ্ণচূড়াৰ হাঁহি
আলোড়িত মন;
মেঘাচ্ছন্ন আকাশ
সৰা পানীৰ গীত শুনো ঘনে ঘন।
হৃদয়ত ঝংকাৰীত মেঘমল্লাৰ ৰাগ।
মৃদু বতাহে কলিজাত সানি যায় ভালপোৱাৰ এমুঠি
অনুৰাগ।

মৌনতাৰ পৰিধি ভাঙি সুৰ এটি বাজে।
আকাশৰ মৰমত অপক্ক কৃষ্ণচূড়াৰ কলিটিয়ে লাজত
মিচিকি হাঁহে।
অস্থিৰতাৰ বান্ধোন ছিঙি, প্ৰতিপলৰ বেদনা ভঙা এইয়া
ক্ষণিকৰ সুখ।
আৱেগত স্পন্দিত, উদাস হৃদয়ত কৃষ্ণচূড়াৰ হাঁহিয়ে সনা
সুখ।
খবৰ নিদিয়াকৈয়ে আলহী হৈ নমা বাৰিষাৰ ৰাগিনীয়ে
কলিজাত সনা সুখ। ❒❒



# হৃদয়ৰ নিভাঁজ কোণত


বিদ্যাৰাণী গগৈ
দ্বাদশ শ্ৰেণী


ভালপোৱাবোৰ সদায় ভালপোৱা
হৈ থাকিব দিয়া।
অভিমানৰ পৰশ সানি
ঠুনকা নকৰিবা।
সকলো অভিমান ভাঙিব পৰাটো
সহজ নহয়
অভিমানৰো সীমা থাকে
মৰমবোৰ ভগাই লোৱা...
বেছি একো নালাগে...
মাত্ৰ মোক প্ৰাণখুলি ভালপোৱা।
সময় সলনি হৈ যাওঁক
তুমি একেই থাকা।
মোৰ বাবে তুমিয়ে সকলো নহয়...
কিন্তু তুমি অবিহনে ময়ো ক'ৰবাত অসম্পূৰ্ণ
হৃদয়ৰ চুকত মোক ৰাখি যোৱা
কিন্তু... তুমি মই আমি হোৱাতকৈ
মোৰ সাহস হোৱা।
প্ৰেম সকলোৱে কৰে
তুমি মোক ভালপোৱা হোৱা
প্ৰেম হেৰাই যায়
কিন্তু...
ভালপোৱা সজীৱ হৈ ৰৈ যায়
হৃদয়ৰ নিভাঁজ কোণত।❒❒



# বসন্ত তোমাক স্বাগতম


চানমিকা বৰা
দ্বাদশ শ্ৰেণী


এচেৰেঙা ৰ'দত গা তিয়াই বৰষুণজাকে
পুৰাটো সাৰতাৰ পৰত
বিৰিখে কুঁহি কুমলীয়া হাঁহিৰে
কাণে কাণে কি জানো কৈ পঠিয়ালে
আনন্দতে সকলোৱে মাটি চুমি
চপ চপাই নাচিছে।

ধাৰ লগা নাঙলৰ শিৰলুত
সেউজীয়া সপোন।

আকাশৰ আঁচলত মেঘৰ বুটা
বিজুলীয়ে পিন্ধি ল'লে।
কেঁচ বছা ৰিহা।
তাকে দেখি বৰদৈচিলাজনীৰ মাকৰ ঘৰলৈ মনত পৰিছে বৰকৈ।

কপৌ, তগৰে আজন্ম প্ৰেমিকৰ বাবে বাট চাই,
সুগন্ধি পখিলাৰ মালা গাঁথি মতলীয়া।

জেতুকাবুলীয়া দুহাতেৰে
উৰলি যোৱা যৌৱন ঢাকি
দুপ দুপাই বাহিৰলৈ ওলাই আহিছোঁ উলাহত।
বাহিৰখন গোটেই বসন্তৰ গোন্ধে আমোলমোল।
নাহৰৰ কলিত দুচকু পখালি
পৃথিৱী চোৱাৰ হেঁপাহত।❒❒



# মা

✍হিমাংশু নাথ
তৃতীয় ষান্মাসিক

হেঙুন উজাই উজাই হঠাতে এদিন সুধিছিলো।
বুঢ়ী হ'লে তোক কি বুলি মাতিম মা?
উচ্‌প খাইছিলি তই!
সময়ৰ বুকুচাই কঢ়িয়াই নিব নেকি মোকো
য'ৰ পৰা ঢুকি নাপাম তোৰ দৰদী কোলা?
তই চিন্তা নকৰিবি মা
তোৰ মমৰঙী চুলিয়েও মোক ডাঙৰ কৰিব নোৱাৰে দে
হৃদয়খন মোৰ চুলিয়েও মোক ডাঙৰ কৰিব নোৱাৰে দে
হৃদয়খন মোৰ কংক্ৰীটৰ নবনাও দে মা।
আজুৰি আনি বিক্ৰী নকৰো দে আনৰ ওচৰত
নাতিয়েকৰ সাধু শিকাবিনে তই মা....
তেজীমলা, বুঢ়ী আইৰ, লটকন
শিকাবিনে তই তৰা গণিবলৈ?
পিঠাৰ জুতি নাপালে বোৱাৰীয়েৰক তয়েই শিকাবি,
বুঢ়ী হ'লেও তোক মা বুলিয়েই মাতিম
মই লাজ নকৰো দে মা।❐❐



# অচিন-চিনাকী

✍সুমিত্ৰা কছাৰী
স্নাতক প্ৰথম ষান্মাসিক

জীৱনৰ নেদেখা বাট দেখুৱালা
দুৰ্বল মনক সাহস দিলা
আকৌ জীৱন জীবলৈ শিকালা
বন্ধুত্বৰ অৰ্থ বুজালা।
সপোনৰ আশা শেষ হোৱাৰ পাছতো
আকৌ সপোন দেখুৱালা।
তোমাৰ কথাৰ গভীৰতা
ভাষাৰ মধুৰতা
ভাৱৰ গধুৰতাত তোমাৰ চিনাকী
তুমিয়েই নেকি মোৰ প্ৰকৃত বন্ধু
অচিন-চিনাকী❐❐

# সময়

✍উৰ্মিলা শইকীয়া
দ্বাদশ শ্ৰেণী

কাৰ বাবেনো ৰৈ থাকিব সময়
এখন বোৱতী নদীৰ দৰে বৈ যায়
একোকে নোকোৱাকৈ
অতীতৰ দিনবোৰ ৰোমন্থন কৰাৰ বাদে
আছে জানো কিবা আৰু উপায়
নাই একো নাই...
সময়বোৰ মাথোঁ বৈ যায়
নদী সুঁতিৰ দৰে
অহৰহ বৈ যায়।❐❐

# আশা

প্ৰশান্ত শইকীয়া
প্ৰাক্তন ছাত্ৰ

আশা হ'ব পাৰে এটা বুজিব
নোৱাৰা বস্তু...
বুজিব নোৱাৰিলেও
ই জীয়াই থাকিব।
এই অমৰ আশা বুকুত বান্ধি
মই যাম সীমান্তৰ পৰা
দিগন্ত লৈ...
কিমান যে আশা কৰোঁ
তোমাৰ মুখখনি চাবলৈ
কিন্তু ক'ত তুমি আশা
তোমাক যেন নেদেখো
আশা তুমি পৃথিৱী বুকুত
সিঁচি দিলা গুঞ্জধ্বনি
তোমাৰ শস্য শ্যামলা হৈ
থিয় হ'লা বাধা বুকুত
কিন্তু নোৱাৰো যে
তোমাক পৰাস্ত কৰিব।❐❐





# অহা জনমলৈ

উষা গগৈ
স্নাতক তৃতীয় ষান্মাসিক
অসমীয়া বিভাগ

অস্থায়ী এই সময়
যদিহে আকৌ হয় দেখা
অহা জনমলৈ
জীৱনৰ আলি দোমোজাত
আকৌ এবাৰ পৰিম
তোমাৰ প্ৰেমত
হ'ম মই আকৌ
শান্তি প্ৰিয়াসী তৃষ্ণাতুৰ
যদিহে নকৰা গ্ৰহণ
মোৰ প্ৰেমৰ কল্লোলক
পুনৰ আতুৰ হ'ম
তোমাৰ মৰমৰ পিয়াহত
আকৌ কৰিম সেই অপ্ৰত্যাশিত প্ৰতীক্ষা
যিয়ে দিব মোক সন্তুষ্টিতা
এই যে ৰঙা তেজ লগা হাঁহিবোৰ
লৈ যাম অহা জনমলৈ
তোমাৰ নামেৰে পুনৰবাৰ
মোৰ ডায়েৰীৰ পৃষ্ঠা জুৰাবলৈ।❐❐



# সুখৰ হালধীয়া

✍পুণ্যপ্ৰভা শইকীয়া
স্নাতক তৃতীয় ষান্মাসিক
বুৰঞ্জী বিভাগ

সুখৰ হালধীয়াত ডুব যোৱা
বেলিটিয়ে,
এবাৰ মোক কৈছিল...
"নীলাৰ মাজত হেৰাই যোৱা
ভাৱনাবোৰৰ কথা।"
নৈখনিয়ে সাক্ষী হৈ ৰোৱা,
সেই হাজাৰটা প্ৰেমৰ আলাপ
পঢ়িয়েই লিখিছিলো
মোৰ প্ৰিয় সোৱণশিৰিৰ গাঁথা
সময়ৰ কোনোবাখিলা পৃষ্ঠাত দিছিলো
স্ব-অনুভৱৰ ৰূপৰেখা,
ক'লা পৰা হৃদয়ৰ কেইবাটাও যুগ্ম
কোলাহলৰ বাৰ্তা।❒❒

# অনুভৱ

✍ধৰিত্ৰী নাথ
তৃতীয় ষান্মাসিক

যান্ত্ৰিক পৃথিৱীৰ মাজতো
ফুলি অহা
নানাৰঙী ফুলপাহ
হ'ল বন্ধুত্ব...
যাৰ আঁৰত সকলো
মুকলি হৈ পৰে
মধুৰ বিশ্বাসৰ মাজেৰে
জীৱনটো যেন সম্পূৰ্ণ...
কিন্তু,
সময়ৰ আগত সেই
সম্পূৰ্ণ জীৱন যেন মূলহীন
তাৰ মাজতো
আশা, বিশ্বাসেৰে
সময়ক নেওচি আগবাঢ়ে
বন্ধুত্বৰ কাঁটাডাল... টিক... টিক... টিক...
নিৰ্জনতাৰ মাজতে
বন্ধুত্বৰ ফুলপাহ
মৰমেৰে জীয়াই ৰাখিছো
নতুন আশা, নতুন বিশ্বাসেৰে
পুনৰ বন্ধুত্বৰ ফুলপাহক
জীয়াই তোলাৰ
অপ্ৰাণ চেষ্টা...।❒❒





# সময়ৰ পকনীয়া

✍ফাৰহা চোহানা ৰহমান
একাদশ শ্ৰেণী

লিখোঁ বুলি লিখিব পাৰি জানো
কবিতা?
যেতিয়ালৈ খোল নাখায় শব্দ ভঁৰালৰ
দুৱাৰ...

দিওঁ বুলি দিব পাৰি জানো
জীৱনৰ সংজ্ঞা?
যেতিয়ালৈ পাৰ হোৱা নহয়
ঘাট-প্ৰতিঘাটৰ সাকোঁ...

দেখোঁ বুলি দেখিব পাৰি জানো
নিজ সাফল্যৰ সপোন?
যেতিয়ালৈ কৰা নহয়
কঠোৰ পৰিশ্ৰম...

কওঁ বুলি ক'ব পাৰি জানো
আজিৰ নাৰী স্বাধীন বুলি?
যেতিয়ালৈ সমাজত শেষ নহয়
পাষণ্ডৰ বৰ্বৰতা...

শুনোঁ বুলি শুনিব পাৰি জানো
শান্তিৰ গীত?
যেতিয়ালৈ শেষ হৈ নাযায়
জীৱশ্ৰেষ্ঠৰ অমানৱীয়তা...❐❐



# LIFE

✍Chintu Gogoi
B.A. 1st Sem
English Dept.

Life is very precious, we get
It is beautiful to
people, without life is
Unimaginable, so
Life is an adventure, dare it
Life is luck, make it
Life is opportunity, benefit from it
Life is a promise, fulfill it
Life's sunny hours flit by,
Greate Bully, Cheorily
Enjoy them as they fley!❐❐

# ৰাধাৰ বিলাপ

✍ধৰিত্ৰী শইকীয়া
স্নাতক তৃতীয় বৰ্ষ
ইংৰাজী বিভাগ

কানাই! চিনি পাইছা
মই ৰাধা, তোমাৰ ৰাধা!
শৰতৰ নিশাবোৰত তোমাৰ শূণ্যতাই
নিশাবোৰক আৰু বেছি গধুৰ
আৰু বেদনাদায়ক কৰি তোলে।
নিশাৰ অন্ধকাৰত আৰু তৰালীৰ ছত্ৰছায়াত
তোমাৰ মুৰুলী আজি মোৰ সংগী।
মোৰ অধৰেদি তোমাৰ মুৰুলীত যেন
বিৰহৰ বেদনাহে মূৰ হৈ প্ৰস্ফুতিত হয়।
সমাজৰ দৃষ্টিত মই কলংকিনী
মাজৰাতি শয্যাত স্বামীক
এৰি অহা গণিকা।
তোমাৰ বাবেই বাউলি এই ৰাধাৰ জানো
পৃথকতা কাম্য আছিল?
তেনে লোকলজ্জা কিয় মোৰ প্ৰাপ্য হ'ল?
শিৰত জীৱন আঁকিও
তোমাক স্বাৰ্থৰ ঊৰ্ধত দিয়া প্ৰেমে
মোৰ বুকুত আজি দহিছে।
তোমোলোকৰ নিবিড় মুহূৰ্তবোৰত
সুধিবাচোন তোমাৰ ভীষ্মক নন্দিনীক,
তোমাৰ বুকুৰ মাজত মোৰ
গোন্ধ, স্পৰ্শ পোৱা যায় নেকি?❐❐



# নাৰী

✍লিপিকা শইকীয়া
প্ৰথম ষান্মাসিক

নাৰী নামহীন নদী
বৈ থাকো নিৰৱধি
নাৰী দশভূজা
নতুবা মোৰ অনাখৰী আই
বুকুত এসাগৰ মৰম
উদৰত সৃষ্টিৰ যতন।
সিপাৰৰ বুকুত মমতাৰ মেটমৰা ভাৰখন
নাৰীয়েহে পাৰে ব'ব।
সিপাৰৰ বুকুত চকুলোৰ নিমখীয়া হ্ৰদটো
নাৰীয়েহে পাৰে বোৱাব
নাৰী পুৰুষতান্ত্ৰিক শোষণ বঞ্চনাৰ
বিৰুদ্ধে এক কণ্ঠ।
তথাপি...
যুগে যুগে বঞ্চিত নাৰী
যুঁজ যুঁজ কেৱল অধিকাৰৰ যুঁজ
ভণ্ড পুৰুষতান্ত্ৰিকতাৰ বিৰুদ্ধে মুকলি যুঁজ
পুৰুষ বেশ্যাৰ টিঘিলঘিলনিত কলুষিত সমাজত
আকৌ দেহোপজীৱিনীক নিন্দা।
স্বাৱলম্বী মহিলালৈ কেৱাহিকৈ কটু চাৱনি
কেতিয়াবা মৌখিক, কেতিয়াবা দৈহিক আৰু
কেতিয়াবা চকুৰেই বলাৎকাৰ প্ৰতিজনী।❐❐

# এধানি মৌন হৃদয়ৰ ভাষা

এলিনা শইকীয়া (ময়ুৰী)
তৃতীয় ষান্মাসিক

মৌনতাৰ ভাষা আপুনি বাৰু বুজেনে?
বুজিবলৈ চেষ্টা কৰিবচোন
মৌনতাৰ শব্দবোৰৰ মাজতো
হৃদয়ৰ বহু কথাই লুকাই থাকে।

আজি যদি আপুনি মৌনতাৰ শব্দপ্ৰৱাহ
বুজিলেহেঁতেন
মোৰ কবিতাৰ মায়াজালেৰে
আপোনাক বান্ধি ৰাখিবলগা নহ'লেহেঁতেন!

যদি বুজিলে হয় মোৰ মৌনতাৰ ভাষাবোৰ
তেন্তে মোৰ কবিতা কাননত
আপোনাক সজাই ৰাখিবলগা নহ'লেহেঁতেন!

জানে,
মোৰ কলমৰ আগেৰে ওলোৱা
শব্দবোৰো কেতিয়াবা নিস্তব্ধ হৈ যায়!
বিষাদৰ পোছাক পিন্ধি
হেৰাই যাব ধৰে
কোনোবা নেদেখা নদীৰ সিপাৰে...!

নহ'লে আহিব
আপোনাৰ যান্ত্ৰিকতাময় ব্যস্ততাবোৰ সামৰি,
কোনোবা এটা আহিনৰ আবেলিত
দুচকুত দুচকু থৈ পঢ়ি যাবহি
মোৰ মৌন হৃদয়ৰ ভাষাবোৰ...!!!❐❐



# भरोसा

प्रणिता गगौ

'भरोसा' होता क्या है?
दो रिश्तों का एक नाजुक सा धागा,
जिसे ज्यादा खिचोगें तो तुत जाऐगा,
और ज्यादा हल्के में लोगे तो छुट जाऐगा।
पकड़ी इसे एसे जो कभी ना तुते,
और कभी भी ना छुटे।
करो ना ऐसी कोई हरकत जिससे
तुम्हारे अपने हमेशा के लिए रुथे।
दो वक्त, करो मुलाकात,
समझो एक दुसरें को, थामों हमेशा के लिए हाथ।
ऐसा बनाओ बधंन जो कभी तुते ना
करो एक दुसरे पर भरोसा जो कभी छुटे ना।
बिखड़े रिशों को भी भरोसा जोड़ देगी,
दुखीं के लकीढ़ को ये खुशियों में भीड़ देगी।
खिल उठेगें चारों ओर खुशियों के फूल,
प्यार की गीत से मन बेहलाएँगी बुलबुल।❐❐



## সমাপ্তি

✍জিতু বৰা
প্ৰাক্তন ছাত্ৰ

সন্ধ্যাৰ তমস্কাৰ মেলৰ
জীৱন যুঁজৰ জোনাকী
ৰিঙিয়াই কৰিলা
বিভ্ৰান্তিক পথিক,
অমাৱস্যাত যেন
পৰি ৰ'ল যতি।
আশা-ভৰষা চিতাৰ কাষত
সঘনাই কৰিব আমনি।
সপোনবোৰ সমাধিৰ স্থানত
স্থিৰ হ'ব।
সাগৰৰ ঢৌৰ দৰে কঁপা
হৃদয় মৌন হৈ ৰ'ব।
ধুমুহাৰ দৰে অহা
সমস্যাবোৰ হ'ব ক্লান্ত।
বিৰিখৰ দৰে সেনা
আশাৰ কুঁহি মৰহিব।
মন আকাসৰ নীলাবোৰ
কলিয়া ডাৱৰৰ আঁৰত লুকাব
সুগন্ধিহীন ফুলৰ দৰে
শৰীৰ অনাদৰ হৈ ৰ'ব।
নদীৰ এৰা সুঁতিৰ দৰে
নিসাৰ হ'ব
জীৱনৰ স্মৃতিবোৰ
মৃত্যু ৰঙত ব্যাকুল হ'ব
সেইদিনা জীৱনৰ বহুত পৃষ্ঠা।
উকা আৰু হেৰাই যাব।
দুখৰ সমনীয়াই
কান্দিব সঘনাই
চিতাৰ সন্দীপনে ক'ব
মই আৰু নাই।❐❐

## জীয়াই থকাৰ প্ৰেৰণা

✍প্ৰস্তুতি শইকীয়া
স্নাতক প্ৰথম ষান্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

নীলিম আকাশৰ ৰঙীণ সুৰভী
সন্মুখত কাঁচিয়লি ৰ'দৰ চিকমিকনি
স্মৃতিৰ দলিচাত মধুৰ শিঁহৰণ,
সানিছো সপোনৰ তৰংগত নানা ৰহন
জীৱনৰ সৌ ব্যস্ত আবেলি
য'ৰ পৰা অলপমান দূৰ হৈ
মুক্ত প্ৰকৃতিৰ লগত দুষাৰমান
কথা পাতিব বিচাৰো!
নীৰৱতাক নেওচি প্ৰাণ খুলি
এবাৰ হাঁহিব বিচাৰো!
আজি বহুদিনেই হ'ল
কঠোৰ অনুশাসনৰ তলত থকা
ভাবিছো জীয়াই থকা
জীৱনৰ প্ৰতিটো পল,
স্নিগ্ধ সুবাসেৰে পৰিপূৰ্ণ
হয় যেন সঁচাকৈ
এইয়া কণমানি অবুজ মনৰ ইচ্ছা
সুখ শান্তি লভাৰ
এক অবৰ্ণনীয় প্ৰেৰণা।❐❐

# সাতোৰঙী বাগিচাৰ ফুল

✍ভাৰতী ঠেঙাল
প্ৰাক্তন ছাত্ৰী

একোখনি বাগিচাৰ আমি
ৰঙা নীলা ফুল
ৰসাল মাটিত জীপাল হৈ
ঠন ধৰি ফুলা
আমি একোপাহি ফুল
সাতো ৰঙেৰে জকমকাই থকা
আমি গৌৰৱীৰ ফুল
গৌৰৱেৰে জিলিকি থকা
ৰসাল বাগিচাৰ
আমি ধুনীয়া ধৰণীৰ ফুল
ৰসাল বাগিচাত
সাতোৰঙী ফুলৰ সুবাসে
চৌদিশ আমোলমোলোৱা গোন্ধ
ৰঙীন ফুলৰ সুবাসৰ
একেডাল এনাজৰিৰ বান্ধোনত
উজ্জ্বলি উঠা
আমি সুবাসিত বাগিচাৰ ফুল





# জীৱশ্ৰেষ্ঠ

✍প্ৰতীক্ষা সোণোৱাল
স্নাতক পঞ্চম ষান্মাসিক

হালধীয়া আৰু সেউজীয়া
ৰঙৰ মিল চোৱা জীৱশ্ৰেষ্ঠ...
সিহঁতে কথা পাতি আছে
নহয় নে...
কিন্তু সৌৱা চোৱা মানুহৰ
মাজৰ দূৰত্ব
জীৱশ্ৰেষ্ঠ হৈ ও যেন সকলো
মুখা পিন্ধা
বন্ধুৰ মাজতো শত্ৰু
সমাজখন আগুৱাই গৈ
আছে মানি লৈছোঁ
কিন্তু এয়া কেনেকৈ মানি
লওঁ
অহংকাৰী মনোভাৱ আঁতৰ
কৰা জীৱশ্ৰেষ্ঠ আঁতৰ কৰা।

# পিতাইৰ সপোন

✍ৰিম্‌লী চুতীয়া
দ্বাদশ শ্ৰেণী

ঘামে ধোৱা এটা ফটা কামিজ
শাওনৰ ৰ'দে কোঙা কৰা
এটি ভাগৰুৱা দেহ,
এয়াই হয়তো যুঁজ...
জীৱন জীয়াৰ ব্যৰ্থ প্ৰয়াস।

পিতাইৰ বুকুত আশাৰ বীজ
সপোনবোৰ সেউজীয়া কৰাৰ।
লিহিৰি পাতৰ আঁৰে আঁৰে
সোণগুটিয়ে হাঁহিব,
নতুন দিনৰ নতুন প্ৰভাতে
আনন্দৰ ঢৌ বিয়পাব।

বাস্তৱে জোকাৰি যায় পলকতে
সময়ে ৰূপ সলায়।
পিতাইৰ বুকুত গজালি মেলা সেউজীয়াবোৰ
বানে মোহাৰি থৈ যায়।

"আইজনী অ',
তোক ভাল কলেজত পঢ়োৱাৰ আশাবোৰ
আশা হৈয়ে ৰ'ব যেন পাওঁ...
আৰু তোৰ আইৰ সেই পুৰণিকলীয়া
বেমাৰটো...
এইকেইদিন দেখোন বৰকৈ উক্ দিব ধৰিছে অ'!"

গতানুগতিক সময়ৰ পুনৰাবৃত্তি
মৌনতাই বিৰাজ কৰে পিতাইৰ বুকুত
ক্ৰমশ... !



# নিৰ্জনতাৰ কুহেলিকাত

✍পৰিশিখা শইকীয়া
স্নাতক তৃতীয় ষান্মাসিক
সমাজতত্ত্ব বিভাগ

প্ৰয়োজন হৈছে, অলপ 'নিৰ্জনতাৰ'
যি নিৰ্জনতাৰ কুহেলিকাত
লিখিব পাৰো মই
তোমালৈ বুলি একলম...।
প্ৰয়োজন হৈছে, অলপ নিসংগতাৰ
যি নিসংগতাৰ আঁৰত
শুনিব খোজো মই
তোমাৰ হৃদয়ৰ ঝংকাৰ...।
প্ৰয়োজন হৈছে অলপ 'সময়ৰ'
যি সময়ৰ মধুৰ স্মৃতিৰ
নষ্টালজিয়াই,
আঁকি দিব পাৰে মোৰ হৃদয়ৰ
উকা কেনভাঁচত
এক হৃদ বুলীয়া ৰং...।।

# ঘৰৰ ভিতৰত ঘৰ

✍মণিষা বৰা
স্নাতক পঞ্চম ষান্মাষিক

মৰমৰ,
ভিৰৰ মাজত মই তোমাক বিচাৰি ফুৰো।
ঘৰৰ ভিতৰত ঘৰ আছে
ঘৰৰ ভিতৰৰ ঘৰটোৰ ভিতৰত আৰু এটা ঘৰ আছে।
ঘৰৰ ভিতৰৰ ঘৰটোৰ ভিতৰৰ ঘৰটোৰ ভিতৰত
আঁৰৰ এটা ঘৰ আছে।
ঘৰৰ ভিতৰৰ ঘৰৰ ভিতৰৰ ঘৰৰ ভিতৰৰ ঘৰটোৰ
ভিতৰত আৰু এটা...
নাজানো, কোনটো ঘৰত তুমি আছা।
তোমাক বিচাৰি মই ইঘৰলৈ গ'লে, তুমি সিঘৰলৈ যোৱা।
মই সিঘৰলৈ সোমালে তুমি যোৱা অন্য এঘৰলৈ।
এনেকৈয়ে পাৰ হয় মোৰ দিন।
আজি বহুদিন হ'ল মই ঘৰলৈ সোমাব পৰা নাই
মই বাহিৰলৈ ওলাব পৰা নাই।
কিমানটা ঘৰেৰে মোৰ ঘৰটো সজা মই নাজানো।
কোনেনো সাজিছিল তাকো নাজানো।
জানো মাথোঁ ইয়াৰে কোনাবা এটাত তুমি আছা।
তুমি আছা। অহৰহ ক'ৰবাৰ পৰা জুমি আছা।





# এটি কবিতা

✍দুলুমণি শইকীয়া
দ্বাদশ শ্ৰেণী

মোৰো লিখিব মন যায়
এটি কবিতা।
কবিৰ কাননত বকুল ফুল
ফুলাব পৰা এটি কবিতা।
শব্দৰ পাৰবিহীন নিজৰাৰে
বোৱাই পেলাব মন যায়
ছন্দৰ সাগৰখনি।
নাজানো! কবিতাৰ আদি
অন্ত ক'ত?
কিন্তু মইয়ো লিখিম এদিন
এটি কবিতা।



## A voice of existence

✍Kajol Bora

How blissful and euphoric i am !
Im a damsel of sublime and organism.
Being a part of you,
i must say- You are loved !!
A nature with peaceful and mind blowing inhale.
Thee song is awesome and sweet.
It sounds like chip chip,
each of drops having of energetic sensation
produced in the viewers deepest root.
Sometimes the sudden jurking shaking
the soul completely,
still i loved it to at core heart.

## A darkness of life

✍Kajol Bora

I am incomplete
I know still i am here for pursuing something,
neverthless or none the less For ensuring happiness.
It is a sense to feel poignant even In the incompleteness.
Who thinks of destination?
Only the journey matters !!
A kind of wisdom to attaining life with in delightness,
and with euphoric consciousness.
A life is not fullfilled with its margination rather
it is said that going with its own quest !!



# সভাপতিৰ প্ৰতিবেদন
## ২০২০-২১ বৰ্ষ

প্ৰতিবেদন আৰম্ভ কৰিবলৈ হাতত কলম তুলি লোৱাৰ প্ৰাক্‌মুহূৰ্তত সেইসকল ব্যক্তিৰ আত্মাৰ সদ্‌গতিৰ কামনা কৰি ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, যি সকল ব্যক্তিৰ মহান প্ৰচেষ্টা আৰু অক্লান্ত পৰিশ্ৰমৰ বিনিময়ত ফৰকাটিং মহাবিদ্যালয়ে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। ফৰকাটিং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ ভাইটি-ভণ্টি, বন্ধু-বান্ধৱী সকলোলৈকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

২০২০-২১ বৰ্ষৰ ফৰকাটিং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত মোক সভাপতি পদত নিৰ্বাচিত কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন বিষয়ববীয়াৰ প্ৰধান লক্ষ্য হৈছে নিজৰ দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সচেতনতা। এনে দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি আস্থা ৰাখিয়েই মই ছাত্ৰ একতা সভাৰ সভাপতিৰ কাৰ্য্যভাৰ পৰিচালনা কৰিছিলো। এই ক্ষেত্ৰত মই কিমান সফল হৈছোঁ, সেইয়া আপোনালোকৰ বিচাৰ্য্য বিষয়। মোৰ ছমহীয়া কাৰ্যকাল মহামাৰীৰ বাবেই স্থগিত হৈ ৰ'ল। নিৰ্বাচনৰ পাছতেই প্ৰথম দায়িত্ব মহাবিদ্যালয় সপ্তাহত গধূৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়ে মহাবিদ্যালয় দীৰ্ঘ সময়ৰ বাবে বন্ধ হয়।

ফৰকাটিং মহাবিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ সভাপতি হিচাপে মোৰ প্ৰতিটো কাৰ্যতে সহায় কৰা শিক্ষাগুৰু, বন্ধু-বান্ধৱ, ছাত্ৰ-ছাত্ৰী আৰু ভণ্টি - ভাইটি সকলোলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ মোৰ অজানিতে হৈ যোৱা ভূল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা ভিক্ষা মাগিলোঁ। আৰু মোৰ কাৰ্যকালত মোক সকলোৰে যি উৎসাহ উদ্দীপনা আগবঢ়ালে, সেই সকলোলৈকে মই মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।❐❐

**"জয়তু ফৰকাটিং মহাবিদ্যালয়"**
**"জয়তু ছাত্ৰ একতা সভা"**

**ইতি**
**অমন চৱৰ , সভাপতি**
**ছাত্ৰ একতা সভা**
**ফৰকাটিং মহাবিদ্যালয়**

# সাধাৰণ - সম্পাদকৰ প্ৰতিবেদন

## ২০২০-২১ বৰ্ষ

নমস্কাৰ গ্ৰহণ কৰিব সৰ্বপ্ৰথমে মই ফৰকাটিং অঞ্চলৰ একমাত্ৰ উচচ শিক্ষাৰ বটবৃক্ষ ফৰকাটিং মহাবিদ্যালয়খনে যি সকল মহান মনীষীৰ অপ্ৰাণ চেষ্টাত, ত্যাগ আৰু প্ৰয়াস তথা কঠোৰ পৰিশ্ৰমৰ বিনিময়ত প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল দৃঢ়মনা মনীষীলৈ এই সুযোগতে মই সশ্ৰদ্ধ প্ৰণাম নিবেদন কৰিছোঁ।

ফৰকাটিং মহাবিদ্যালয় ২০২০-২১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত যি সকল ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে মোক বিপুল ভোটত জয়লাভ কৰোৱা সকলোলৈকে মোৰ তৰফৰ পৰা মৰম তথা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মোক সাধাৰণ সম্পাদকৰ পদত প্ৰতিদ্বন্দিতা কৰিবলৈ সাহস দিয়া আৰু মোৰ কাৰ্যকালৰ প্ৰতিটো দিশতে আদেশ আৰু উপদেশৰ মাজেৰে মোক আগবঢ়াই নিয়া অগ্ৰজ আৰু শিক্ষাগুৰু সকললৈ প্ৰতিবেদন যোগেদি শ্ৰদ্ধা নিবেদিছোঁ। সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিত হৈ আপোনালোকৰ ইচ্ছাক কিমান দূৰ আগবঢ়াই নিব পাৰিলোঁ সেইয়া আপোনালোকৰ বিচাৰ্যৰ বিষয়। আপোনালোকে নিশ্চয় বুজিব পাৰিছে যে ছাত্ৰ একতা সভাৰ এই এবছৰীয়া কাৰ্যকালত ছাত্ৰ-ছাত্ৰীৰ সমস্যা দূৰ কৰাটো সম্ভৱ নহয়। তৎসত্বেও ক'ভিড মহামাৰিয়ে জুৰুলা কৰা বছৰটোত আমাৰ কাৰ্য্যকালৰ যথেষ্ট সময় আমি তলাবন্ধৰ বাবে ঘৰতে থাকিব লগীয়া হৈছিল। আশা বহুত আছিল কিন্তু সকলো সম্ভৱ হৈ নুঠিল। তথাপিও এৰা-ধৰাৰ মাজেৰে মহাবিদ্যালয়খনিৰ আৰু ছাত্ৰ-ছাত্ৰী সকলৰ হকে কিছুমান কৰিবলৈ সক্ষম হৈছিলোঁ, তাৰে এটি চমু আভাস দাঙি ধৰা হ'ল —

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ ২০১৯-২০ বৰ্ষৰ ছাত্ৰ একতা সভাৰ লগত মিলিত হৈ 31st উদ্‌যাপন কৰিছিলোঁ। 31st ৰ দিনা ন-পুৰণি সকলো ছাত্ৰ-ছাত্ৰী সমিলিত হয় আৰু পুৰণি ছাত্ৰ আৰু শিক্ষক সকলৰ মাজত এখনি প্ৰীতি ক্ৰিকেট খেল অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ কিছুদিন পাছত ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হৈছিল। মহাবিদ্যালয় সপ্তাহটোত ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি সন্তোষজনক আছিল।

মহাবিদ্যালয় সপ্তাহৰ পাচতেই লঘু খেলবিভাগৰ সম্পাদকৰ উদ্যোগত এখনি টেবুল টেনিছৰ কৰ্মশালা আয়োজন কৰা হৈছিল। ইয়াৰ পাছত সাংস্কৃতিক সম্পাদকৰ উদ্যোগত উলহ-মালহেৰে সৰস্বতী পূজা উদ্‌যাপন কৰা হয়. এই পূজাভাগি উদ্‌যাপন কৰা বহুকেইজন শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগ আৰু তেওঁলোকলৈ ইয়াৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ফৰকাটিং মহাবিদ্যালয়ত অনুষ্ঠিত কৰা সকলো ধৰণৰ কাৰ্যসূচী, বিভিন্ন ধৰণৰ প্ৰতিযোগিতা, বিভিন্ন সাংস্কৃতিক ক্ৰীড়াভিত্তিক অনুষ্ঠান আদিত আমি ছাত্ৰ একতা সভাই সম্পূৰ্ণ সহায়-সহযোগ কৰিছিলোঁ। কিক্ বক্সিঙত মহাবিদ্যালয়ত দুই ছাত্ৰী ৰিতুমণি আৰু ছয়নিকা দত্তই গোৰাত সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়।

এৰা-ধৰাৰ মাজেৰে মহাবিদ্যালয়ৰ প্ৰায়বোৰ অনুষ্ঠান মহামাৰীৰৰ নীতি-নিয়মৰ মাজেৰে অনুষ্ঠিত কৰা হৈছিল। ৫ জুন বিশ্ব পৰিৱেশ দিৱসত NCC আৰু NSS ৰ সহযোগত এটি বৃক্ষৰোপণ কাৰ্যসূচী হাতত লোৱা

হৈছিল।

চৰকাৰৰ নিৰ্দেশ অনুসৰি HSLC আৰু HS ছাত্ৰ-ছাত্ৰীক পাছ কৰাই দিয়া হয়। ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি সহায়ৰ বাবে তিনিদিনীয়া এখন Help Desk ৰ আয়োজন কৰা হয়। ২ অক্টোবৰ তাৰিখে ছাত্ৰ একতা আৰু শিক্ষক-শিক্ষয়ত্ৰী উদ্যোগত গান্ধী জয়ন্তী পালন কৰা হৈছিল।

তৰ্ক সম্পাদিকাৰ সহযোগত এখনি তৰ্ক কৰ্মশালা আয়োজন কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী অংশ গ্ৰহণ যথেষ্ট সন্তোষজনক আছিল।

২৬ অক্টোবৰ তাৰিখে নৱাগত আদৰণি সভা উদ্‌যাপন কৰা হৈছিল। অনুষ্ঠানত মহাবিদ্যালয়ৰ লগত জড়িত বহু গণ্য-মান্য ব্যক্তি, সমাজসেৱক, শ্ৰদ্ধাৰ শিক্ষাগুৰুৰ লগতে অভিভাৱক সকল উপস্থিত থাকে। মুখ্য অতিথি হিচাপে সদৌ অসম ছাত্ৰ-সন্থাৰ উপ-সভাপতি উৎপল শৰ্মা ডাঙৰীয়া উপস্থিত থাকে। বিশিষ্ট অতিথি হিচাপে গোলাঘাট সাহিত্য সভাৰ প্ৰাক্তন সভাপতি সুৰেন্দ্ৰ মোহন হাজৰিকা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য সাংগঠনিক সম্পাদক অভিৰৰ্তন গোস্বামী ডাঙৰীয়া উপস্থিত থাকে, নিমন্ত্ৰিত অতিথি হিচাপে সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সভাপতি নিৰঞ্জন সোণোৱাল আৰু সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক প্ৰিন্স দলে ডাঙৰীয়া উপস্থিত থাকে। ইয়াৰ উপৰিয়ো অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মাৰ গীতৰ শৰাই নৱাগত আদৰণি সভাত পৰিৱেশন কৰে।

মহাবিদ্যালয়ৰ ছাত্ৰ গোবিন্দ ঠেঙাল দুৰ্ঘটনাত চকুত গুৰুতৰ ভাৱে আঘাত পায়। তাৰ পৰিয়াল আৰ্থিক ভাৱে দুৰ্বল হোৱাৰ বাবে উন্নত চিকিৎসা কৰিব নোৱাৰে আৰু ছাত্ৰ একতা সভাৰ সহায় বিচাৰে। ছাত্ৰ একতা সভাই money donation camp ৰ আয়োজন কৰে। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক কৰ্মচাৰীৰ সহযোগত আমি গোবিন্দ ঠেঙালক আৰ্থিক ভাৱে সহায় কৰিবলৈ সক্ষম হওঁ।

মোৰ এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীহকে যিমান পাৰো সহায়-সহযোগিতা কৰিছিলো। ক'ৰবাত যদি মোৰ ভূল-ত্ৰুটিবোৰ ৰৈ গৈছে তাৰ বাবে ক্ষমাৰ প্ৰাৰ্থী।

শেষত মোক সহায় কৰা সকলোলৈ ধন্যবাদ আৰু কৃতজ্ঞতা যাচি ২০২০-২১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।❐❐

**"জয়তু ফৰকাটিং মহাবিদ্যালয়"**

**"জয়তু ছাত্ৰ একতা সভা"**

**ইতি**

**মাধুৰ্য বৰা**

**সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা**

**ফৰকাটিং মহাবিদ্যালয় ২০১৬-১৭ বৰ্ষ**

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ২০২০-২১ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান ব্যক্তিৰ আত্মাৰ সদ্‌গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, যিসকল ব্যক্তিৰ অহোপুৰুষাৰ্থ ত্যাগৰ ফলত এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠা হ'ল।

ফৰকাটিং মহাবিদ্যালয়ৰ সন্মানী অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শিক্ষা গুৰুসকল আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতাসভাৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচন কৰি মোক  মহাবিদ্যালয়ৰ সেৱা আগবঢ়াবলৈ সুবিধা দিয়াৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ ২০২০-২১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত গুৰু খেল বিভাগৰ খেল সমূহ ভালদৰে খেলাই গৈছিলো আৰু বিভিন্ন স্থানত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ এটি দলক অংশ গ্ৰহণ কৰাইছিলো। গুৰু খেল বিভাগৰ আঁৰত থাকি মোক প্ৰতিটো দিহা পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ যতীন মেছ চাৰলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ। প্ৰতিটো কামতে সহায় সহযোগ কৰা ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য আৰু মোৰ বন্ধুসকলক প্ৰতিবেদনৰ যোগেদি ধন্যবাদ জনাইছোঁ। অনিচ্ছাকৃতভাৱে ৰৈ যোৱা দো,সমূহৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিছাৰিছো।❒❒

**"জয়তু ফৰকাটিং মহাবিদ্যালয়"**
**"জয়তু ছাত্ৰ একতা সভা"**

**অংকুৰ বৰা**
**গুৰু খেল বিভাগৰ সম্পাদক**
**ছাত্ৰ একতা সভা**
**ফৰকাটিং মহাবিদ্যালয়**

# লঘুখেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন
## ২০২০-২১ বৰ্ষ

প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল ব্যক্তিৰ আত্মাৰ সদ্গতিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছোঁ। যি সকল ব্যক্তিৰ অহোপুৰুষাৰ্থ চেষ্টা আৰু ত্যাগৰ ফলত ফৰকাটিং মহাবিদ্যালয়ৰ জন্ম হ'ল।

ফৰকাটিং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ ভাইটি-ভণ্টি বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ। ২০২০-২১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ বাবে লঘু খেল বিভাগৰ পদটিত অধিষ্ঠিত কৰি মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ মোক যি সুবিধা প্ৰদান কৰিলে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই চিৰ কৃতজ্ঞ।

মই এই কাৰ্যকাল গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতে মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহৰ সময়ছোৱাতে ধৈৰ্য্য আৰু নিষ্ঠাসহকাৰে আগবাঢ়ি মোৰ বিভাগীয় দায়িত্ব পালন কৰি গৈছিলোঁ। ক'ৰণা মহামাৰীৰ বাবে আমাৰ কাৰ্যকালত মহাবিদ্যালয় বন্ধ আছিল তথাপিও এখনি টেবুল টেনিছৰ কৰ্মশালাৰ আয়োজন কৰিছিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰ পৰা শেষলৈকে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে মোৰ শিক্ষাগুৰু যতীন মেছ ছাৰ, ৰিপুঞ্জয় বৰা ছাৰ, প্ৰকাশ বসুমতাৰী ছাৰ আৰু অপূৰ্ব শইকীয়া ছাৰলৈ মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো ছাত্ৰ একতা সভাৰ প্ৰতিজন সদস্য আৰু সকলো সময়তে সহায় পোৱা মোৰ বন্ধুবৰ্গৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।❐❐

**"জয়তু ফৰকাটিং মহাবিদ্যালয়"**

**"জয়তু ছাত্ৰ একতা সভা"**

**ইতি**

**কেশৱ বৰা , সম্পাদক**

**লঘূ খেল বিভাগ**

**ছাত্ৰ একতা সভা**

**ফৰকাটিং মহাবিদ্যালয়**

# তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে নমস্কাৰ গ্ৰহণ কৰিব। যিসকল নমস্য ব্যক্তিৰ অহোপুৰুষাৰ্থ চেষ্টা আৰু ত্যাগৰ বলত ঐতিহ্যমণ্ডিত ফৰকাটিং মহাবিদ্যালয়ৰ জন্ম হ'ল সেইসকল ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

২০২০-২১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত তৰ্ক বিভাগৰ সম্পাদিকাৰ পদটিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি মোক মহাবিদ্যালয়ৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ সুযোগ দিয়া ছাত্ৰ-ছাত্ৰীসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ক'ভিড মহামাৰীয়ে জুৰুলা কৰা বছৰটোত আমাৰ কাৰ্যকালৰ যথেষ্ট সময় আমি তলাবন্ধৰ বাবে ঘৰতে থাকিবলগীয়া হৈছিল। আশা বহুত আছিল কিন্তু পৰিস্থিতিৰ বাবে সেয়া সম্ভৱ হৈ নুঠিল। তথাপিও কাৰ্যকালৰ প্ৰথমতেই মহাবিদ্যালয়ৰ সপ্তাহত তৰ্ক, কুইজ আৰু বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। লকডাউনৰ সময়তে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ 'তৰ্ক আৰু কুইজ ফ'ৰামৰ সহযোগত অনুষ্ঠিত কৰা অনলাইন তৰ্ক কৰ্মশালাত অংশগ্ৰহণ কৰাৰ সুবিধা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিছিলো। নৱেম্বৰ মাহত আমাৰ মহাবিদ্যালয়লৈ অসমৰ আগশাৰীৰ এজন তাৰ্কিকক আমন্ত্ৰণ কৰি আনি এদিনীয়াকৈ তৰ্কৰ কৰ্মশালা অনুষ্ঠিত কৰিছিলো। লগতে সদৌ অসমভিত্তিত আৰু জিলাভিত্তিক বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীক অংশ গ্ৰহণৰ সুবিধা প্ৰদান কৰিছিলো। মই মোৰ সামৰ্থ্য অনুযায়ী মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সদা প্ৰস্তুত হৈ আছিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে মোক দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকজন শিক্ষাগুৰুৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত, কাৰ্যকালত ৰৈ যোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি, তৰ্ক বিভাগ আৰু মহাবিদ্যালয়ৰ মংগল কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।❒❒

"জয়তু ফৰকাটিং মহাবিদ্যালয়"

"জয়তু ছাত্ৰ একতা সভা"

**ধৰিত্ৰী শইকীয়া**
তৰ্ক বিভাগৰ সম্পাদিকা
ছাত্ৰ একতা সভা
ফৰকাটিং মহাবিদ্যালয়
২০২০-২১

# ছাত্ৰ জিৰণীকোঠাৰ সম্পাদকৰ প্ৰতিবেদন

## ২০২০-২১ বৰ্ষ

প্ৰতিবেদন আৰম্ভ কৰিবলৈ হাতত কলম তুলি লোৱাৰ প্ৰাক্‌মুহূৰ্তত যিসকল মহান মনীষীৰ আপ্ৰাণ চেষ্টাত ত্যাগ আৰু প্ৰয়াস তথা এটোপাল ৰক্তৰ বিনিময়ত আমি আজি এনে এক গ্ৰামাঞ্চলত এখন উচ্চ শিক্ষানুষ্ঠান থিয় দিবালৈ পাইছোঁহক তাৰ বাবে এই শুভ সুযোগতে সেইসকল দৃঢ়মনা মনীষীলৈ সহস্ৰ প্ৰণাম নিবেদিছোঁ।

ফৰকাটিং মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে শিক্ষাগুৰুসকল কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ ভাইটি-ভণ্টি বন্ধু-বান্ধৱলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক হিচাপে মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰ পাছৰে পৰা নিজৰ দায়িত্বসমূহ সুকলমে পালন কৰিছিলো। ছাত্ৰ বা ছাত্ৰী জিৰণী কোঠাটো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশ্বাসৰ অনন্য স্থান। সেয়েহে মোৰ কাৰ্যকালৰ আৰম্ভণিতে জিৰণী কোঠাটো পৰিষ্কাৰ-পৰিচ্ছন্ন কৰিছিলো। বিগত বৰ্ষৰ দৰে অনুষ্ঠিত হোৱা মহাবিদ্যালয়ত সপ্তাহত মোৰ দায়িত্বত থকা প্ৰতিযোগিতা কেৰম, পাঞ্জা, ডবাখেল আদি প্ৰতিযোগিতাবোৰ সুকলমে অনুষ্ঠিত কৰিছিলো।

সদৌ শেষত মোৰ কাৰ্যকালত বৈ যোৱা জ্ঞাত-অজ্ঞাত সকলো ধৰণৰ ভুল-ক্ৰুটিৰ বাবে সমূহ শিক্ষাগুৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি প্ৰতিবেদন সামৰণি মাৰিলো।❐❐

**"জয়তু ফৰকাটিং মহাবিদ্যালয়"**
**"জয়তু ছাত্ৰ একতা সভা"**

**— কৰণ বসুমতাৰী**
**ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক**
**ছাত্ৰ একতা সভা**
**ফৰকাটিং মহাবিদ**

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

## ২০২০-২১ বৰ্ষ

নমস্কাৰ গ্ৰহণ কৰিব। প্ৰতিবেদন আৰম্ভণিতে যিসকল গুণী-জ্ঞানী সমাজসেৱক মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু ষ্টৰ বিনিময়ত ১৯৮১ চনত জ্ঞান সাধনাৰ মন্দিৰ ‘ফৰকাটিং মহাবিদ্যালয়’ খনে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল ব্যক্তিলৈ ই আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছো।

মই ফৰকাটিং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন যুগুত কৰাৰ প্ৰাক্ হূৰ্তত অধ্যক্ষ মহোদয় প্ৰমুখ্যে মহাবিদ্যালয়ৰ সমূহ প্ৰবক্তা কৰ্মচাৰীকো শ্ৰদ্ধা জনাইছো।

বিগত বৰ্ষৰ দৰে মোৰ কাৰ্যকাল আৰম্ভ হোৱাৰ কিছুদিন পাছতেই মহাবিদ্যালয়ৰ সপ্তাহ আৰম্ভ হয়। মই মোৰ ভাগীয় খেলৰ কেৰম, ডবা, পাঞ্জা আৰু চকী খেল খেলাইছিলো। লগতে প্ৰতিযোগিতা অংশ গ্ৰহণ কৰা সকলো ছাত্ৰ-ত্ৰীকে মোৰ ফালৰ পৰা ধন্যবাদ জনাইছোঁ।

মই মহাবিদ্যালয়ৰ সময়ছোৱাত অতি ধৈৰ্য আৰু নিষ্ঠাৰে বিভাগীয় কাম সমূহ কৰি গৈছিলো যদিও কিমান সফল লো সেইয়া মই নাজানো কিন্তু ছাত্ৰ একতা সভাৰ সকলো কৰ্মতে সহায়-সহযোগিতা আগবঢ়াইছিলো। প্ৰতিবেদনৰ মৰণিত অজানিতে বৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে ক্ষমা বিচাৰিছো।

শেষত ফৰকাটিং মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।❒❒

“জয়তু ফৰকাটিং মহাবিদ্যালয়”
“জয়তু ছাত্ৰ একতা সভা”

**ত্ৰিৰংগা বৰা**
**ছাত্ৰী জিৰণি কোঠা সম্পাদিকা**
**ছাত্ৰ একতা সভা**
**ফৰকাটিং মহাবিদ্যালয়**